# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১১/৩/২০২৫ মঙলবাৰ

**আজি ইংৰাজী ১১ মাৰ্চ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত ১৫ দশ অসম বিধান সভাৰ কৰ্য্যৱলী প্ৰশ্নকালীন ঘন্টাৰে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ১৬১, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া। সন্মানীয় মন্ত্ৰী।
**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।
**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ মই আমাৰ সন্মানীয় মন্ত্ৰী ডাঙৰিয়ানী লৈ ধন্যবাদ জনাইছো যে অসমৰ ইতিহাসত প্ৰথম বাৰৰ বাবে মহিলা বিত্ত মন্ত্ৰী হিচাপে তেখেতে একেলেঠাৰিয়ে ৫ বাৰ সদনত বাজেত দাখিল কৰে। মোৰ প্ৰশ্নটো হ'ল যে অংগনবাড়ী কেন্দ্ৰবোৰৰ কৰ্মচাৰী আৰু সহায়িকাৰ মাহিলি বেতন বৃদ্ধি হ'ব নে নাই। কিন্তু আমি যোৱা কালি উত্থাপন কৰা বাজেটত সেই বিষয়ে দেখা পালো কিন্তু কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব। আমি শুনিবলৈ পাইছো যে নতুনকৈ ১৭ শ অংগনবাড়ী কৰ্মী- সহায়িকা নিয়ুক্তি দিব। সেইখিনি যাতে সোনকালে কৰে তাৰ বাবে মই অনুৰোধ কৰিছো। লগতে এই অংগবাড়ী আদিৰ ক্ষেত্ৰত আমি বিধায়ক সকলে বৰ বেছি গুৰুত্ব নিদিও। গতিকে আমাক বিধায়ক সকলক কি দৰে তাৰ লগত জড়িত কৰিব পাৰি তাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰাটো দৰকাৰ কাৰণ এই বিভাগটো যদি আমি ভাল কৰিব নোৱাৰো তেতিয়া হলে সমাজৰ উন্নয়ন নহব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিলো।
**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।
**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক গৰাকীক ধন্যবাদ জনাইছো কাৰণ তেখেতৰ লগতে আমাৰ অন্যান্য বিধায়ক/ বিধায়িকা সকলে মহিলা আৰু শিশু উন্নয়ন বিভাগৰ আঁচনি বিলাকৰ বিষয়ে জানিব বিচাৰিছে। মই আপোনাৰ জিলালৈ গৈছিলো, আৰু অন্যান্য জিলালৈ যোৱা সময়ত আমাৰ বিধায়ক সকল মোৰ লগত আছিল। আৰু মই তেওঁলোকক মহিলা আৰু শিশু উন্নয়ন বিভাগৰ আঁচনি বিলাকৰ লগত জড়িত হবলৈ অনুৰোধ কৰিছিলো । লগতে মই বিভাগৰ বিষয়া সকলক এই বিভাগৰ যিমানবোৰ আঁচনি থাকে যেনে আমাৰ পোষণ অভিযান আদি থাকে তাৰ লগত আমাৰ বিধায়ক সকলক জড়িত কৰিবলৈ মই নিৰ্দেশ দিছিলো। কাৰণ মই ভাৱো যে বিধায়ক সকলে তেওঁলোকৰ সমষ্টিত এই বিভাগৰ অধীনস্থ আঁচনিবোৰৰ লগত জড়িত থাকিলে কামবোৰ বেছি ভাল হ'ব। মই এই বিধান সভাৰ মজিয়াত কলো যে আমাৰ আকৌ যেতিয়া বিধান সভা হ'ব তেতিয়া মই এই বিভাগৰ সকলো বোৰ আঁচনিৰ সৰুকৈ হলেও মই এটা আভাষ আপোনালোকক দিম।
**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ মই গ'মপোৱা মতে ২৬৩১ আদৰ্শ অংগনাবাড়ী কেন্দ্ৰ ইতিমধে সম্পূৰ্ণ হৈছে। কিন্তু আমাৰ এটা ডাঙৰ সমস্য হৈছে যে যেতিয়া আমি ইয়াৰ বাবে ঠাই বিচাৰো তেতিয়া আমি যিটো প্ৰয়োজনীয় ঠাই আমি নপাওঁ তাৰ বাবে আমি ঠাইখিনি সলনি কৰিব লগিয়া হয়। সেইকাৰণে মই ভাৱো যে আমাৰ যি Gurdain মন্ত্ৰী প্ৰতিখন জিলাত আছে

তেওঁলোকে যাতে এই ঠাইৰ নিৰ্বাচনৰ কাম খিনি সহায় কৰি দিয়ে আমাক নহলে ইয়াৰ বাবে বহুখিনি কাম আমি কৰিব পৰা নাই যদিও চৰকাৰে ইতিমধ্যে ৬ হেজাৰ আৰ্দশ অংগবাড়ী কেন্দ্ৰ নিৰ্মানৰ কাম প্ৰায় শেষ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় প্ৰথম অবস্থাত ঠাই বিলাকৰ ক্ষেত্ৰত কিছু অসুবিধা আহিছিল, কিন্তু আমি জিলা আয়ুক্ত সকলক স্পষ্ট ভাৱে নিৰ্দেশ দিছো যে, তেওঁলোকে যদি কেতিয়াবা স্থানটো সলনি কৰিব লগীয়া হয় তেতিয়া বিধায়ক সকলৰ লগত কথা পাতি সলনি কৰি লব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আব্দুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূব ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দেখা পাইছো যে এই বিভাগটোৰ বেছিভাগ জিলাতে জিলা কৰ্য্যলয় নাই। ICDS ৰ প্ৰকল্প কৰ্য্যালয় নাই। গতিকে চৰকাৰে অতিসোনকালে এই কৰ্য্যালয় বিলাক দিয়াৰ ব্যৱস্থা কৰাৰ লগতে এই বিভাগত যিবোৰ খালি পদ আছে সেইবোৰ মেধাৰ ভিত্তিত লব লাগে। কিন্তু দেখাগৈছে যে Interview হোৱাৰ পিছত যিবোৰে মেধাৰ ভিত্তিত নিৰ্বাচিত হৈছিল তেওঁলোকৰ পৰা ঘৰত গৈ পইছা লোৱা বুলি আমি শুনিছো। পিছত জিলা আয়ুক্তই তদন্তত কৰি ইয়াৰ পুনৰ বিজ্ঞাপন দিলে। কিন্তু ইয়াতো সেই একে ব্যৱস্থাই চলি আছে। এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক গৰাকীয়ে কোৱাৰ দৰে আগতে জিলাত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ কাৰ্য্যালয় বিলাক নাছিল। কিন্তু যোৱা ৪ বছৰৰ পৰা এতিয়া লৈকে প্ৰায় ১৮ টা জিলা কাৰ্য্যালয় নিৰ্মানৰ কাম হাতত লৈছো যাৰ ৯ টা সম্পৰ্ণ হৈছে আৰু ৯ টা কাম চলি আছে। ভবিষ্যতে মই আপোনাৰ জিলা খনো অন্তৰ্ভূক্ত কৰিবলে চেষ্টা কৰিম। লগতে আপুনি যি নিয়ুক্তিৰ কথা কৈছে ই সম্পূৰ্ণ নিকা যদি কৰবাত কিবা কেলেংকাৰী দেখা পাওঁ মই নিশ্চিত ভাৱে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, হাইলাকান্দি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ঠাইৰ যিটো সমস্য আছে তাৰ বাবে যি Model Estimate আছে সেইটোৰ আমি কিবা সাল-সলনি কৰিব পাৰো নেকি। আমাৰ বৰাক উপত্যকাত প্ৰধান সমস্যাটো হৈছে মাটি।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া Model Estimate টো সলনি কৰিব নোৱাৰো কাৰণ ই ইতিমধ্যে গৃহীত হৈছে। আৰু সেইমতে আমি পইছাও অনুমোদন দিলো। আপোনাক মই কৈ আহিছিলো লগতে জিলা আয়ুক্তকো কৈ আহিছিলো যে আপোনালোকে মাটিৰ বাবে অলপ চেষ্টা কৰক। কৰবাত যদি আমি বিদ্যালয়ৰ মাটিয়ে পাওঁ বা কোনোবাই যদি আমাক দান কৰে তেনেকৈ আপোনালোকে এই পৰ্য্যায় টো শেষ কৰক ইয়াৰ পিছৰ পৰ্য্যায়টোত কম মাটিতে হোৱাৰ বাবে আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৬২ মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ। মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অৱগত

কৰিব বিচাৰিছো যে আমাৰ সোনাৰী সমষ্টিত আহোম যুগৰ পৰাই ২ খন বজাৰ আছে, যি ২ খন বজাৰত অৰুনাচল আৰু নাগালেণ্ডৰ মানুহৰ লগত আমাৰ এটা সমন্নয়ন আছে । কিন্তু বজাৰ ২খনৰ অৱস্থা এতিয়া অতি কৰ্দয্যময় কাৰণ তাৰ আশে পাশে মানুহবোৰে যেতিয়া ঘৰ বনালে ৰাস্তা ওখ হল তাৰ ফলত বজাৰ ২ খন বৰিষা এজাক বৰষুনতে বুৰ যায়। বজাৰ ২ খন হৈছে বৰহাট বজাৰ বা নগা বজাৰ আৰু সাপেখাইতি বজাৰৰ ওচৰৰ টেঙা বজাৰ। গতিকে এই দুখন বজাৰৰ উন্নয়নৰ বাবে বিভাগে যাতে ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ঃ** আমাৰ বিধায়ক ডাঙৰীয়াক মই ধন্যবাদ জনাইছো যে আমাৰ বিধায়ক সকলে সাধাৰণতে ৰাস্তা ঘাটৰ কথাহে কয় কিন্তু তেখেতে যে ২ খন বজাৰ চাফ- চিকুন কৈ ৰখাৰ বাবে যে তেওঁ চিন্তা কৰিছে, এইটো অতি ভাল কথা। যিহেতু আমি গাওঁ অঞ্চলৰ লগত জড়িত সেইহে আমি যদি গাওঁ অঞ্চলত প্ৰতিখন বজাৰে চাফ- চিকুন কৈ ৰাখিব পাৰো সেইটো অতি গুৰুত্ব পূৰ্ণ কথা । তেখেতে যি ২খন বজাৰৰ কথা ইতিমধ্যে কৈছে, সেই বজাৰ ২ খনত ইতিমধ্যে আমি ২০২১-২২, ২২-২৩ আৰু ২৩-২৪ ত আমি ১খন বজাৰত ১৬ লাখ ৮৫ হাজাৰ টকা খৰছ কৰিছো 15th Finance ৰ জড়িয়তে আৰু বৰহাট সপ্তাহিক বজাৰৰ বাবে যোৰা ৩ টা বছৰত ৭ লাখ ৫০ হাজাৰ টকা ব্যয় কৰিছো। এই বিষয়ে মই জিলা পৰিষদৰ মূখ্য কাৰ্য্যবাহী বিষয়াৰ লগত কথা পাতিছো আৰু গম পাইছো যে তাৰ মূল সমস্যাটো হৈছে যে তাত প্ৰয়োজনীয় নলাৰ ব্যৱস্থা নাই। সেইবাবে মই জিলা পৰিষদৰ মূখ্য কাৰ্য্যবাহী বিষয়াক নিৰ্দেশ দিছো যে আগন্তুক ২০২৪-২৫ বৰ্ষৰ 15th Finance fund আহিব তাত যাতে আমি procurement কৰিব পাৰো, তাৰ কাৰণে ইতিমধ্যে মুখ্য কাৰ্য্যবাহী বিষয়াজনক নিৰ্দেশ দিছো আৰু মই সন্মানীয় বিধায়ক গৰাকীয়ে এই ক্ষেত্ৰত তেখেতে যি সচেতন ভূমিকা পালন কৰিছে, আগন্তুক দিনটো MGNREGA হওঁক, বা বিধায়ক পূঁজি হওঁক, বা untied fund হওঁক তেওঁলোকে সহায় কৰি বজাৰখন যাতে সুন্দৰভাৱে কৰিব পাৰে, তাৰ কাৰণে আহ্বান জনাইছো, আৰু নিশ্চিত ৰূপত আমি আগন্তুক দিনত MGNREGA আৰু 15th Finance ৰ জৰিয়তে পানী নিস্কাষণৰ ব্যৱস্থা কৰাৰ কাৰণে ইতিমধ্যে মই নিৰ্দেশ প্ৰদান কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৬৩, সন্মানীয় সদস্য শ্ৰী সুৰেন ফুকন।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পৰ্যটন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী সুৰেন ফুকন, ডিগবৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী দ্বাৰা উত্তৰখিনি মই পাইছো যদিও আৰু কেইটামান কথা সংযোগ কৰিবলগীয়া আছে। কথা হ'ল, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰচেষ্টাত পৰ্যটন ক্ষেত্ৰখনে অসমত সমূল পাবলৈ সক্ষম হৈছে আৰু তাৰ লগে লগে দেশী -বিদেশী পৰ্য্যটকৰ সংখ্যা অসমত বৃদ্ধি পাবলৈ ধৰিছে। অসমৰ অন্যতম ৰাষ্ট্ৰীয় উদ্যান দিহিং পাটকাই, এই ৰাষ্ট্ৰীয় উদ্যানখন ২০২১ বৰ্ষত অসম চৰকাৰে ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি দিলে আৰু পৰবৰ্তীসময়ত দিহিং পাটকাই ক্ষেত্ৰখনত আন্তঃগাঁথনিৰ কাৰণে খুব কম বাজেট ধাৰ্য্য কৰা হৈছে, এখন ২০২৩ বৰ্ষত আদৰণি গেট আৰু তাৰ পৰবৰ্তীসময়ত ৪০ লাখ টকা SOPD ৰ দ্বাৰা বন বিভাগৰ দ্বাৰা এটি আলহী গৃহ নিৰ্মাণ কৰা হৈছে। গতিকে মই ভাৱো যে ভাৰতবৰ্ষৰ ভিতৰতে বৰ্ষাৰণ্য একমাত্ৰ দিহিং পাটকাই এখন সুন্দৰ বনাঞ্চল আৰু সেই ৰাষ্ট্ৰীয় উদ্যানখনত কিছু সংযোগ কৰাৰ ঠাই আছে, যিহেতুকে বিভিন্ন চৰাই-চিৰিকতি, জীৱ-জন্তুৰ ভৰপুৰ

বনাঞ্চলখন আৰু  কাজিৰঙা, মানস অভয়াৰণ্যৰ দৰে সেই বনাঞ্চলত বিজ্ঞানসন্মত ভাৱে চৰাই-চিৰিকতি, জীৱ-জন্তুৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু সেই অঞ্চলত পৰ্য্যটন উদ্যোগৰ কাৰণে যিখিনি আন্তঃগাঁথনি, সেইখিনি নিৰ্মাণ কৰিব লাগে। তাৰ পিছতে নিশ্চয় সেই অঞ্চলৰ স্থানীয় নিৰনুৱা যুৱক-যুৱতীয়ে স্থান পাব বুলি মই আশা কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস,  পৰ্যটন বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখনৰ বিষয়ে সন্মানীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে, সুন্দৰ এটা বিষয়। মই নিজেও দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখনলৈ গৈছিলো। সেই উদ্যানখন যিহেতু বৰ্ষাৰণ্য বুলি কওঁ, তাত হলৌ বান্দৰকে আদি কৰি বিভিন্ন ধৰণৰ প্ৰজাতিৰ পশুসমূহ তাত বিৰাজমান হৈ আছে। মই ভাৱো যে আগন্তুক দিনত পৰ্যটকৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবে নিশ্চিতৰূপত বহু কাম কৰিবলগীয়া আছে। দিহিং পাটকাই ঐতিহাসিক পৰিচয় আছে আৰু ঐতিহাসিক পৰিচয়ৰ লগত যিহেতু সুন্দৰ এটা ক্ষেত্ৰ, তাৰ বাবে ইতিমধ্যে এতিয়ালৈ প্ৰায় ২ হাজাৰতকৈ অধিক দেশী পৰ্যটক, অৰ্থাৎ অসমৰ বাহিৰৰ পৰা বিভিন্ন পৰ্যটক গৈছিল, আৰু ২ টা বছৰত ১৬২ গৰাকী বিদেশী পৰ্যটক গৈছে। গতিকে আগন্তুক দিনত এই বিষয়টো লৈ, ইতিমধ্যে আগতেও আমাৰ বিভাগীয় পুনৰীক্ষণ বৈঠকত আলোচনা কৰিছিলো যাতে আমি বিদেশী পৰ্য্যটক আগন্তুক দিনত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমত যিটো পৰিৱেশ আনিলে বা সেই পৰিৱেশত সকলো দল সংগঠনে যিধৰণে সহায় কৰিলে, অৰ্থাৎ যোৱা ৪ বছৰত আন্দোলন বৰ্জিত যিটো পৰিৱেশ, সেই আন্দোলন বৰ্জিত পৰিৱেশৰ বাবে ইতিমধ্যে প্ৰায় ৭৬ লাখ দেশীয় পৰ্য্যটকে অসমত ভ্ৰমণ কৰিছে, আৰু পোনপ্ৰথম বাৰৰ বাবে যোৱা বছৰ ২৬ হাজাৰ বিদেশী পৰ্যটক অসমত আহিছে। এনেকুৱা পৰিৱেশ পূৰ্বতে নাছিল, পূৰ্বতে বিদেশী পৰ্যটক ৮ হাজাৰ আহিছিল আৰু এতিয়া ৮ হাজাৰ পৰা ২৬ হাজাৰ আহাটো নিশ্চিতৰূপত অসম যে শান্তিৰ পৰিৱেশ আহিছে, এইটো বিৰাজমান হৈছে। গতিকে আগন্তুক দিনটো আমি যাতে অসমৰ লগতে দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখন যাতে পৰ্যটক সকলক আকৰ্ষণ কৰিব পৰা যায়, তাৰ বাবে বিভাগৰ পৰা যিমানখিনি ব্যৱস্থা ল'ব লগীয়া আছে আমি লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী সুৰেন ফুকন, ডিগবৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ অন্য এটা প্ৰশ্ন আছিল যে নাজিৰাটিং তামুলী কাকৰদং বনাঞ্চল, খুব সুন্দৰ আৰু পৰ্য্যটক অঞ্চল এখন আছে। আজি বহু যুগ যুগান্তৰ ধৰি এই অঞ্চলত লক্ষাধিক পৰ্যটক আহে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০২২ চনত এটা মেজিত উপস্থিত হৈ পৰ্যটন মেলা মুকলি কৰিছিল আৰু তাৰ আন্তঃগাঁথনিৰ কাৰণে ৩ কোটি টকা ইতিমধ্যে দিছিল আৰু খুব সুন্দৰভাৱে নিৰ্মাণ কৰা হৈছিল। তাত হাজাৰ হাজাৰ পৰ্যটক আহে। গতিকে মই ভাৱো মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে আহ্বান জনাইছো যে পৰ্যটন মানচিত্ৰত আমাৰ নাজিৰাটিং তামুলীৰ স্থানটো অংকিত কৰিব লাগে আৰু ভৱিষ্যতে পুঁজি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে।

তাৰ লগতে আৰু এটা কথা আছে, পৰ্যটন বিভাগৰ tourist lodge এটা আছে, আজি ৩০ বছৰ ধৰি একেজন ব্যক্তিয়ে পইচা খাই আছে। গতিকে মাজত tender হয় বুলি শুনিবলৈ পাওঁ, কিন্তু একেজনে পাই আৰু অথচ তেখেতৰ পাঁচটাকৈ কাজিৰঙা, ডিগবৈ, বিভিন্ন স্থানত ডাঙৰ ডাঙৰ হোটেল আছে, মই ভাৱো তেখেতক নিয়ম বহিৰ্ভূত ভাৱে দিয়া হৈছে। কেনেকৈ

দিয়া হল মই জানিব বিচাৰিছো। যিহেতু ডিগবৈ অঞ্চলত যথেষ্ট নিৰনুৰা যুৱক-যুৱতী আছে, তেওঁলোকে কিন্তু নাপায়, একেজন মানুহে পাই আছে। কেনেধৰণে মেনেজ হৈ আছে, এইটোৰ এটা তদন্ত হ'ব লাগে বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পৰ্যটন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো tourist lodge বা প্ৰশান্তি ল'জ আছে, সেইবোৰ standard maintain কৰাৰ কাৰণে বিভিন্ন ধৰণৰ পৰামৰ্শ আছে। কাৰণ কিয় যিসকলে hotel management ৰ লগত জৰিত বা tourist ৰ লগত জৰিত, সাধাৰণ আমি তেওঁলোককে সেইটো অগ্ৰাধিকাৰ দিওঁ। গতিকে মই বেছি গম নাপাও, আগন্তুক দিনত যাতে যিসকল স্থানীয় ভাৱে প্ৰশিক্ষণ প্ৰাপ্ত বা hotel management য়ে হওঁক, বা tourist ৰ লগত সম্পৰ্ক থকা ব্যক্তিয়ে যদি আবেদন দিয়ে, নিশ্চিতভাৱে আমি আগন্তুক দিনত ব্যৱস্থা কৰিব পাৰিম আৰু তাত ইতিমধ্যে home stay ৰ যিহেতু দৰকাৰ, home stay ৰো ব্যৱস্থা কৰা হৈছে। আমি ভাৰিছো যে home stay ৰ সংখ্যা যদি বৃদ্ধি কৰিব পৰা যায়, তেতিয়া সন্মানীয় সদস্যগৰাকীয়ে ভবাৰ দৰে আমি কিছুমান নিৰনুৰাক তাত সকাহ দিব পাৰিম আৰু যিহেতু তাত এখন দিহিং development society আছে, ব্ৰজেন দাস ডাঙৰীয়া যিহেতু তাৰ সভাপতি, এনেকুৰা ১০ জনীয়া গোটে ইতিমধ্যে (society খনে) কাম কৰি আছে, মই আগন্তুক দিনত নিজে সন্মানীয় সদস্য সুৰেন ফুকন ডাঙৰীয়াৰ লগত তাত গৈ তদাৰক কৰিম বুলি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত supplementary, সন্মানীয় সদস্য শ্ৰী সঞ্জয় কিষাণ।

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, আমাৰ ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত আপুৰুগীয়া বনৰীয়া ঘোঁৰা আছে প্ৰায় ৪ শ অধিক। কিন্তু দুৰ্ভাগ্যবশত যোৱা কেইবাটাও বানপানীত প্ৰায় ১শ ৰো অধিক বনৰীয়া ঘোঁৰাৰ মৃত্যু হৈছে আৰু বিভিন্ন দেশ-বিদেশৰ পৰ্যটক সকলোৱে তাত ঘোঁৰা চোৱাৰ কাৰণে আহে আৰু কিছু দুস্কৃতিকাৰীয়ে ঘোঁৰাসমূহ তাৰ পৰা লৈ গৈছে। গতিকে ইয়াৰ পৰ্যটনস্থলীৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পৰ্যটন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই আগতে জনাইছো যে যিটো ভাৰতবৰ্ষৰ ভিতৰতে অন্যতম যিহেতু নিম্নভূমি অভয়াৰণ্য। যাৰ বাবে বিভিন্ন ধৰণ দুৰ্লভ প্ৰজাতিৰ তাত পশুয়ে হওঁক বা পক্ষীয়ে হওঁক , বিভিন্ন ধৰণৰ যেনেকুৰা ধৰণৰ তাত হাতী আছে, ঢেকীয়াপতিয়া বাঘ, নাহৰফুটুকী বাঘ, বিভিন্ন ধৰণৰ হৰিণা, বন মেকুৰী, জহমাল, হলৌ বান্দৰ, কুটুমৰীয়া বান্দৰৰ লগত লাজুকী বান্দৰ, কলা ভালুক, কেটেলা পহু আদি আছে আৰু বন ঘোৰা যিটো মই শুনিছো, কিন্তু এতিয়া তাত বনঘোঁৰা আছে নে নাই, মই নাজানো। এই বিষয়টো আচলতে আমি survey নকৰো, বন বিভাগে survey কৰে। গতিকে নিশ্চিতৰূপত আগন্তুক দিনত এই বিষয়টো চাই, গম পোৱা যাব। তথাপি দুৰ্লভ প্ৰজাতি চৰাইয়ে হওঁক বা জীৱ জন্তুকে আগন্তুক দিনত ৰক্ষণা-বেক্ষণা দিয়াৰ কাৰণে, যেনেকুৰা কৈ তিনিচুকীয়া জিলাত হলৌ বান্দৰৰ সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজে সংৰক্ষণ দিয়ে আৰু তেওঁলোকে ইতিমধ্যে অসম গৌৰৱ বঁটা পাবলৈ সক্ষম হৈছে, মই ভাৱো যে আমি যদি তেওঁলোককো কিছু কিছু গোট বনাই ল'ব পাৰো, তেতিয়া হলে আগন্তুক দিনত এইবোৰক আমি সংৰক্ষণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন ১৬৪, সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, গৃহ নিৰ্মান আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষঃ** জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, ( হাইলাকান্দি)ঃ** ছাৰ, মই এই প্ৰশ্নটোৰ ওপৰত পজিটিভ উত্তৰ এটা পাম বুলি ভাবিছো।মন্ত্ৰী মহোদয়ে হাইলাকান্দিৰ অৱস্থাটো ভালকৈ জানে। গতিকে আমি এটা কামেই বিচাৰিছো যে বাৰিষাৰ সময়ত চহৰখনৰ ৪০ শতাংশ মানুহৰ ঘৰত এই বাৰিষাৰ পানী সোমাই যাই। গতিকে অহা বাৰিষালৈকে ৰাস্তাৰ দুয়ো কাষে দুই কি: মি : কৈ যদি ড্ৰেইনৰ ব্যৱস্থা কৰি দিয়া হয় তেন্তে এই সময়ত অন্তত মানুহখিনি যথেষ্ট উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, নগৰ উন্নয়ন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে। অসমৰ প্ৰায়ভাগ বা চহৰতে এই সমস্যাটো হয়। প্ৰত্যেক চহৰতে বাৰিষাৰ সময়ত এক কৃত্ৰিম বান-পানীৰ সৃষ্টি হয়। হাইলাকান্দি চহৰখনো ইয়াৰ লগত জড়িত। এই কথাবিলাকৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰে কিছু Master plan বনাইছিল। ইয়াৰ লগতে কিছু Drainage Master plan কৰাৰ পৰিকল্পনা লোৱা হৈছিল। AMRUT-2 অধীনত আমি এই Master plan টো ৩৭ খন চহৰত কৰা হৈছে, যিবিলাক চহৰত ৫০ হাজাৰ পৰা ১ লাখলৈকে population আছে সেই চহৰবিলাকত Geo base ৰ Drainage Master plan ৰ পৰিকল্পনা কৰিছিলো আৰু ইয়াত পাঁচটা ৫ componante ত ওপৰত গুৰুত্ব দিও। Geo Base data base formulation, of Geo base Master plan, Capacity Building, Centralise ,Nationalise Geo portal আৰু integrated Mobile application. এই গোটেই খিনি কথাৰ ওপৰত গুৰুত্ব দি AMRUT-2 ৰ জৰিয়তে ৩৭ খন চহৰত কাম আৰম্ভ কৰা হৈছে, আৰু হাইলাকান্দিও তাৰ ভিতৰতে আছে। আমি ইতিমধ্যে তাৰ survey আৰম্ভ কৰিছো। গতিকে মই ভাবো যে প্ৰত্যেকখন চহৰলৈ গৈ তাত এটা proper Master plan বনাই লগতে Drainage Master plan বনাই লাগিলে কামখিনি Municipality য়ে বা P.W.D যে কৰক যাতে সকলোৱে এই Drainage Master plan টো Follow কৰে। আৰু এই কৃত্ৰিম বান পানীৰ পৰা চহৰসমূহ যিটো সমস্যাত পৰে এইটো সমাধান কৰিব পৰা যাব । মই হাইলাকান্দি Guardian Minister আছিলো। গতিকে মই তালৈ গৈ থাকো। এতিয়া 15th Finance ৰ যিখিনি পইচা আছে তাৰ মাজৰ পৰা এই কামখিনি কৰিব লাগিব। কাৰণ আমাৰ চৰকাৰৰ Master plan টো হোৱা পিছতহে পৰিকল্পনা ভিত্তিত পিছৰ কামখিনি কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)ঃ** ছাৰ, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ২ কিলিমিটাৰকৈ Master Drainage plan টো কংগ্ৰেছৰ দিনৰ কৰা হৈছে। কিন্তু পানিখিনি উলাই নাযায়। গতিকে অহা বাৰিষাৰ আগে আগে যাতে এইটো সম্পূৰ্ণ কৰি দিয়ে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, নগৰ উন্নয়ন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলো চহৰতে Drainage বনাওতে gradiant টো চোৱা নহয় আৰু ড্ৰেইনবিলাক এটুকুৰা এটুকুৰা বনাই দিয়ে। গতিকে পানী বিলাক কোন ফালে ওলাই যায় হিচাপ কৰা নহয়। গতিকে এই কামখিনি

কৰোতে আমাৰ town and Country planning ৰ সহায় লৈ Technical Expert জৰিয়তে দেখুৱাই কৰা হওঁক। এতিয়া যদি কিবা Technical support লাগে তেন্তে আমাৰ town and Country planning ৰ পৰা দিয়া হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া নিজামুদ্দিন চৌধুৰী।

**শ্ৰী নিজামুদ্দিন চৌধুৰী,(আলগাপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় পৰা জানিব বিচাৰিছো যে আমাৰ আলগাপুৰ সমষ্টিত ২০১৩ চনৰ পৰা এটা Mega আঁচনি আছিল।

**মাননীয় অধ্যক্ষঃ** এইটো হাইলাকান্দি ৰে প্ৰশ্ন আছিল। গতিকে আপুনি মন্ত্ৰী মহোদয়ক ডাঙৰীয়া লিখি দিয়ক তেখেতে চাই দিব। এতিয়া প্ৰশ্ন নং ১৬৫ Hon'ble Minister.

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, মন্ত্ৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** উত্তৰ সদনত মজিয়াত দিয়া আছিল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ হৈ প্ৰশ্ন কৰিব ওলাইছো। ইয়াতে মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে যে বহু আঁচনি এতিয়াও আধৰুৱা হৈ আছে সম্পূৰ্ণ হোৱা নাই। যিহেতু পঞ্চায়ত নিৰ্বাচন চৰকাৰে পাতিম বুলি কৈছে গতিকে এই আঁচনিখিনি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিভাগে লেহেমীয়া কৰি আছে আৰু মন্ত্ৰী ডাঙৰীয়া বিভাগক নিৰ্দেশ দিব লাগে যাতে আঁচনিখিনি অতি সোনকালে সম্পূৰ্ণ কৰিব লাগে। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বিভাগক এই নিৰ্দ্দেশ কেতিয়াকৈ দিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, এনে ক্ষেত্ৰত বিভিন্ন ধৰণে আমি তদন্ত ব্যৱস্থা কৰো। যি গৰাকীয়ে তদন্ত বিচাৰে তেওঁ আমাক অৱগত কৰিব লাগে। গতিকে এই বিষয়টো কি হয় মই আজিয়ে যোগাযোগ কৰি তদন্ত কৰিবলৈ নিৰ্দেশ দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া ,আমাৰ 14 thFinance আৰু 15thFinance payment ৰ interest ত Fund থাকে, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়া অৱগত কৰিব বিচাৰিছো। যোৱা ২৭-০১-২০২৪,২৮-০১-২০২৪ আৰু ৩০-০১-২০২৪ তাৰিখে পশ্চিম পাকা গাঁও পঞ্চায়ত 14 TH Finance ৰ interst ত Fund ৩ দিনৰ মাজতে গোটেইখিনি উলিয়াই ল'লে ২০.১৮,৮৮২ টকা। এই বিষয়ে Department ত complaint কৰা গ'ল আৰু আজি ১১ মাৰ্চ ২০২৫ ৰ পৰা আজিৰ তাৰিখ পৰ্য্যন্ত কেৱল Enquiry কৰি থকা বুলি কৈছে আৰু অধ্যক্ষ ডাঙৰীয়া মন্ত্ৰী ডাঙৰীয়াৰ এই বিভাগৰ কিছুমান বিষয়াৰ Department ত টকা আত্মসাৎ কৰিছিল, নিয়ম-নীতি নোহোৱাকৈ district level পৰ্য্যায়ত কোনো অনুমোদন নাই। block level পৰ্য্যায়ত কোনো অনুমোদন নাই president Secretary এ মিলি গোটেই টকাখিনি mother accounts পৰা vendor লৈ transfer কৰিছে। যেতিয়া অৱগত কৰিছো তেতিয়া তেওঁৰ ওপৰত অতি সোনকালে ব্যৱস্থা লোৱাৰ পৰিৰ্বতে এই Secretary আৰু president ক কেনেকৈ বচাব পাৰে তাৰ কাৰণে বৰপেটা জিলা পৰিষদ আৰু Commissioner ৰ P&RD Department ত কিছুমান বিষয়া সকলে পৰামৰ্শ দিছে আৰু পূৰ্বলৈ পঠাই দিছে। এতিয়া মোৰ প্ৰশ্ন মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ যে P&RD বিভাগৰ সকল বিষয়াক এনেকৈ অবৈধ বাবে কাম কৰাৰ ওপৰত যি সকলক তদন্ত কৰিব দিয়ে সেই তদন্তকাৰী বিষয়া সকলে যাতে তদন্ত কৰিব যায়। বাহিৰে বাহিৰে তেওঁলোকে যি সকল অভিযুক্ত তেওঁলোক

লগ ধৰি গুছি আহে। তেওঁলোকে কলা দেখেনে ,বগা দেখেনে কোনো কথা নাই। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাম যে এই বিষয়টো যিসকলে তদন্ত কৰিছে, তদন্তকাৰী বিষয়া সকলৰ ওপৰত মই তদন্ত বিচাৰিছো। কাৰণ চৰকাৰৰ Fund নীতি-নিয়ম তেওঁলোকে আত্মসাৎ কৰিছে। তাৰ ওপৰত কিয় বিভাগে বিচাৰ কৰিব পৰা নাই, ব্যৱস্থা কৰিব পৰা নাই। তদন্তকাৰী বিষয়া সকলক ওপৰত ছাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা বিচাৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব । Hon,ble Minister এ reply দিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই আচলতে অলপ confused হৈছো যে প্ৰশ্নটো বিধায়ক ৰেকিবুদ্দিন আহমেদৰ আছিল।

**মাননীয় অধ্যক্ষ ঃ** নহয়। তেখেতে supplementry ত authorisd কৰি দিছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** যিহেতু বিষয়টো আছিল বিত্তীয় আয়োগৰ সন্দৰ্ভত কামৰূপ জিলাৰ বিষয়ে। কিন্তু কামৰূপ জিলাত ইতিমধ্যে আমি বহুত ßÁ÷ ßÁ¦ÈäÃ¼› ¶þ৯৩,৩৬৩ টা 15thFinance ৰ জৰিয়তে কাম কৰা হৈছে আৰু এতিয়া ৫৭,৫৮১ টা কাম আমাৰ চলি আছে। গতিকে ইমানবোৰ কাম গোটেই অসমতে হওঁক বা জিলাতে হওঁক কৰিবলৈ যাওতে ক'ৰবাত হয়তো কিবা খেলি-মেলি হ'ব পাৰে। গতিকে আগন্তুক দিনত তেওঁ যি বিষয় উত্থাপন কৰিছে তদন্তৰ বিষয়টো, গতিকে আগতো আপুনি এই বিষয়টো জনাইছিলে মই তেতিয়া বিভাগক জনাইছিলো যে তদন্ত হ'ব লাগে কাৰণ ইন্টাৰেষ্টৰ ফাণ্ডৰ টকাটো কি হিচাপে কাৰণ বিধায়কেও নাজানে আমিও নজানো গতিকে আগন্তুক দিনত মই বিভাগক আহ্বান জনাইছো ইয়াৰ পৰা যে কোনোবা বিধায়কৰ যদি তদন্তৰ সন্দৰ্ভত যদি কিবা প্ৰশ্ন থাকে বা তেওঁলোকৰ যদি আবেদন থাকে যিয়ে তদন্তত নাযাওক কিয় অন্ততঃ বিধায়ক গৰাকীক প্ৰকৃততে জনাব লাগে। কিন্তু বিভাগে যদি আগন্তুক দিনত এই ক্ষেত্ৰত যাতে এটা বিহীত ব্যৱস্থা লয় তাৰ কাৰণে আজি বিভাগক নিৰ্দেশ দিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, 15th Finance ৰ যিবিলাক ২০২২-২৩, ২০২৩-২৪ বৰ্ষত আমাৰ নগাঁও জিলাৰ ৰূপহী আঞ্চলিক পঞ্চায়তত দিয়া হৈছিল আৰু এই আঞ্চলিক পঞ্চায়তৰ গাঁও পঞ্চায়ত সমূহক পইচা খিনি আৱন্টন দিয়াৰ পিছত গাঁও পঞ্চায়তৰ সচিবে গাওঁ সভা পাতি আঁচনি বিলাক ধৰিছিল আৰু সেই আঁচনি বিলাক যেতিয়া দিছিল তেতিয়া আই চি বিডিঅ' আছিল। এইটো এক বছৰ আগৰ কথা। আই চি বিডিঅ' থকাতে সেই আঁচনি বিলাক অনুমোদন হৈছিল। এক বছৰ পাৰ হৈ গ'ল কাম বোৰ আৰম্ভ হোৱা নাই। এতিয়া শুনা পাইছো নতুন বিডিঅ' গৈ সেই আঁচনি খিনি সলনি কৰি নতুন আঁচনিৰ পৰা বাতিল কৰিছে। গতিকে গাওঁ সভা নপতাকৈ কেনেকৈ আঁচনি নতুন বিডিঅ' ই ধৰিব পাৰিলে? গতিকে পূৰ্বৰ গাওঁ সভা পাতি যি বিলাক আঁচনি যুগুত কৰিছিল সেই আঁচনি বিলাক অনুমোদন দিয়াৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু চিইঅ' বা এই সকলকো যাতে নিৰ্দেশ দিয়ে যাতে পূৰ্বৰ সেই গাওঁ সভা পাতি আঁচনি সমূহৰ অনুমোদন দিয়ে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, অসম চৰকাৰে যেতিয়া আমাৰ পঞ্চায়ত সমূহৰ যি বিলুপ্ত হয় তাৰ পিছত বিশেষকৈ জিলা পৰিষদৰ কামৰ ক্ষেত্ৰত আমাৰ অভিভাৱক মন্ত্ৰী সকলক অধ্যক্ষ হিচাপে লৈ তাত এখন সমিতি গঠন কৰি

দিছিল, আৰু আমাৰ এই যি আঞ্চলিক পঞ্চায়তৰ যি সমূহ কাম এই কাম সমূহ মনিটৰিং কৰাৰ কাৰণে বিধায়ক সকলক দায়িত্ব দিছিল। লগতে গাঁও পঞ্চায়তৰ ক্ষেত্ৰত আমি বিডিঅ' সমূহক কতৃত্ব প্ৰদান কৰিছিলো। বিডিঅ' সমূহৰ লগত পঞ্চায়তৰ সচিবো সদস্য হিচাপে তাত আছিল আৰু পঞ্চায়তৰ সচিব গৰাকীয়ে সেই পঞ্চায়তৰ যিমান বিলাক আবেদন আহে সেই আবেদনত আধাৰৰ এটা লিড দিয়া আছে, যি সমূহ লিড বেছ আছে লিড বেছৰ আধাৰতে কাম সমূহ আৱন্টন দিয়ে। তথাপিতো তেখেতৰ যদি কোনোবা কৰবাত যদি কিবা আছে মোক যদি আপুনি লিখিত ভাৱে দিয়ে মই আঁচনি কেইটা জনাই নিশ্চয় কৰাৰ ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং **১৬৬**, দ্বিপায়ন চক্ৰৱৰ্তী। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীদ্বিপায়ন চক্ৰবৰ্তী, (শিলচর সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়,শিলচর বিধান সভা সমষ্টির কনকপুর জিপির অন্তর্গত শ্যামানন্দ লেনের জনসংখ্যা বৃদ্ধি পাওয়ায় এই অঞ্চলের ৩৫০টি পরিবারকে কনকপুর জিপি পার্ট২ এর যে পুরোনো জল প্রকল্প সেই প্রকল্প থেকে জল দেওয়া সম্ভব হচ্ছে না। জেজেএম- এর অধীনেও এই অঞ্চলকে কভারেজ্ করা সম্ভব হচ্ছে না। তাই আমি সরকারকে এসওপিডি র অধীনে এই অঞ্চলে একটি নুতন জল সরবরাহ স্কিমের জন্য নিউ পাইপ ওয়াটার সাপ্লাই স্কিমের জন্য আবেদন রেখেছিলাম। আপনার মাধ্যমে আমি মন্ত্রী মহোদয় থেকে জানতে চাই যে এসওপিডি র অধীনে এই নতুন জল প্রকল্পের অনুমোদন হয়েছে কি না? যদি না হয়ে থাকে তা হওয়ার সম্ভাবনা আছে কি না? আর যদি হয়ে থাকে তাহলে কবে পর্যন্ত কাজ শুরু হবে? আরেকটি জল প্রকল্প আমাদের শিলচরের গ্রেটার রামনগর পাইপ ওয়াটার সাপ্লাই স্কিম NRDWP-র অধীনে শুরু হয়েছিল। যার কাজ ৫৫ **শতাংশ** হওয়ার পর সেটা বন্ধ হয়ে যায়। **৬** ফেব্রুয়ারি **২০২২** ইংরেজিতে আমি এই পবিত্র সদনে এই প্রকল্পটি এসওপিডি তে কনভার্ট করে বাকি **৪৫ শতাংশ** কাজ করার জন্য আবেদন রেখেছিলাম ও সরকার থেকে জানতে পেরেছিলাম **২০২৪-২৫** অর্থ বছরে এই কাজ সম্পন্ন করার জন্য সরকার প্রচেষ্ট করছে। অধ্যক্ষ মহোদয় আমি মাননীয় মন্ত্রী মহোদয় থেকে জানতে চাই যে এসওপিডি-র অধীনে এই কাজের জন্য অর্থ বরাদ্দ হয়েছে কি না? যদি না হয় তাহলে কবে পর্যন্ত হবে? এই কাজ অত্যন্ত গুরুত্বপূর্ণ কারণ যে গ্রেটার রামনগরের তারাপুর অঞ্চলে **১৩** টি জল প্রকল্পতে এই স্কিম হয়ে গেলে তার মাধ্যমে জল দেওয়া সম্ভব হবে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য গৰাকীয়ে যিটো Shyamananda Lane ৰ কথা কৈছে এয়া আমাৰ কনকপুৰ জি পি ৰ অন্তৰ্গত, গতিকে গ্ৰাম অঞ্চলৰ কথা জলজীৱন মিছনৰ জৰিয়তে এই কাম খিনি কৰাৰ সুবিধা আছে। নিশ্চয়কৈ জলজীৱন মিছন যিহেতু অহা ২০২৮ বৰ্ষলৈকে বৃদ্ধি কৰা হৈছে মই ভাৱো যে এই বৈ যোৱা কামখিনি আমি জলজীৱন মিছনৰ জৰিয়তে সমাপ্ত কৰিব পাৰিম। আৰু এতিয়া যিহেতু আমাৰ গ্ৰাম্য অঞ্চলত জলজীৱন মিছন আঁচনি চলি আছে সেই কাৰণে তাত আমাৰ state share ৰ এটা ডাঙৰ এমাউন্ট দিব লাগে, সেই কাৰণে এচ ও পি ডি আঁচনি বিলাক আমি যথেষ্ট কমাই আনিছো। যিহেতু কেন্দ্ৰীয় চৰকাৰৰ পৰা জলজীৱন মিছন আঁচনি পায়ে আছো গতিকে অহা ২০২৮ বৰ্ষলৈকে এচ ও পি ডি আঁচনি বিলাকত বিশেষ আগবঢ়োৱা নাই। তথাপি যিটো তেখেতে ৰামনগৰ NRDWPৰ কথা কৈছে সেই আঁচনিটো NRDWP আঁচনি শেষ হোৱাৰ পিছত ইয়াৰ পৰা জলজীৱন মিছন আঁচনিলৈ কনভাৰ্ট কৰা হৈছিল। জলজীৱন মিছন আঁচনিৰ জৰিয়তে কাম বোৰ আগবঢ়োৱাৰ কাৰণে

চেষ্টা কৰা হৈছে। মই চেষ্টা কৰিম যদি জলজীৱন মিছন আঁচনিৰ জৰিয়তে নহয়, তেতিয়া অৰ্ধসমাপ্ত আঁচনি আমি শেষ কৰিব লাগিব। গতিকে তেতিয়া আমি এচ ও পি ডি লৈ যোৱাৰ চেষ্টা কৰিম। কিন্তু প্ৰথম জলজীৱন মিছন আঁচনিৰ জৰিয়তে যদি হয় সেই কথাটোৰ কাৰণে আমি এতিয়ালৈকে এই convergence ৰ কথাটো চিন্তা কৰা নাই। অহা বছৰৰ ভিতৰত আপোনাক জনাই দিম যে এইটো এচ ও পি ডি ৰ পৰা কৰিম নে জলজীৱন মিছন আঁচনিৰ পৰা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ১৬৭, মাননীয় সদস্য বিনোদ হাজৰিকা। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীবিনোদ হাজৰিকা,চাবুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে জলজীৱন মিছন আঁচনিৰ চাবুৱা-লাহোৱাল বিধান সভাৰ সমষ্টিত কিমান সম্পূৰ্ণ কৰা হৈছে ইয়াৰ তথ্য মই পাইছো। ১১৯ সংখ্যক গাঁৱত আৰু ১৫৩ খন আঁচনি ইতিমধ্যে তাত সম্পূৰ্ণ হৈছে, এইটো সচাঁ তথ্য। কাৰণ এইটো মোৰ নিজৰ সমষ্টিত মই জানো। কিন্তু ইয়াত এটা সমস্যা হৈছে যিহেতু জলজীৱন মিছন আঁচনি খনৰ যোগেদি গাওঁ অঞ্চলে হওঁক বা বাগিছা অঞ্চলৰে হওঁক ৰাইজে বিশুদ্ধ খোৱা পানী পাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে হওঁক বা ৰাজ্য চৰকাৰে হওঁক যৌথ প্ৰচেষ্টাত খুব সুন্দৰ ভাৱে ৰূপায়ণ হল। কিন্তু ending পইন্টত ধৰি লওঁক ডেৰ কি.মিটাৰ দূৰত্বত এতিয়া মই এটা সৰু উদাৰণ দিও মোৰ ঘৰতে দুটা নল লগাই দিছে আমি ককাই ভাই একেলগে থাকো। কিন্তু আজিলৈকে তাৰ পৰা পানী ওলোৱা মই দেখা নাই। ইয়াত মই কাকো দোষাৰোপ কৰা নাই। কিন্তু এটা সময়ত ইয়াৰ ডি পি আৰ প্ৰস্তুত কৰিছিল যে সেই সময়ত হয়তো ভালদৰে নাচালে, যে ইমান দূৰত্বলৈ আমি পানী পাব পাৰোনে নাই? সেই কাৰণে দূৰ হোৱাৰ কাৰণে সমাপ্তি পইন্টত থকা মানুহ খিনি ইয়াৰ পৰা লাভন্বিত হোৱা নাই। সেই কাৰণে মই ভাৱো যে কিবা প্ৰেচাৰ পাম্প, যেনেকৈ আমাৰ বাথৰূমত প্ৰেচাৰ পাম্প থাকে পানীৰ স্পিডটো লবৰ কাৰণে, ঠিক তেনেকৈ আমি পানীৰ প্ৰেচাৰ লবৰ কাৰণে যদি ইয়াতো প্ৰেচাৰ পাম্পৰে হলেও এটা চিচ্‌টেমৰ আধাৰত নতুন কামখিনি যাতে কৰো নহলে এই আঁচনি খনে সমাপ্তি পইন্টত থকা ২০/৩০ ঘৰ মানুহে এই আঁচনিৰ পৰা উপকৃত নহ'ব। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিবা নতুন চিন্তা ধাৰা লৈছে নেকি? যাতে সকলোৰে সমানে পানী পায়। কাৰণ এই আঁচনি খন খুব এখন সুন্দৰ অভিলাষী স্বাস্থ্যকৰ আঁচনি। সেই কাৰণে আঁচনি খন সফল ভাৱে ৰূপায়ণ হোৱাতো আমি বিচাৰো। ইয়াৰ লগে লগে মই একেবাৰে কৈছো কাৰণ মই আৰু চাপ্লিমেন্টৰী নকৰো। গতিকে মই আৰু দুটা মান কথা জানিব বিচাৰিম। বহু ত আঁচনি ইতিমধ্যে সম্পূৰ্ণ হৈছে। পানী পাইছে কৰবাত ঠাই বিশেষে হয়তো সমাপ্তিৰ পইন্টত নাই পোৱা সেইটো বেলেগ কথা। কিন্তু ইয়াত বিজুলী কৰ্তন কৰি দিয়াৰ কাৰণে জিলা পৰিষদে যিটো বিল হয় ইয়াৰ বহন কৰিব লাগে। সেই বিল খিনি হয়তো জিলা পৰিষদে বহন নকৰাৰ বহুত চলি থকা বহুত তেনেকুৱা আঁচনি বিলাকো হয়তো বিদ্যুৎ সংযোগ কাটি দিয়াৰ কাৰণে এতিয়া বন্ধ হৈ আছে। এটা সময়ত যি বিলাক মেচিন আছিল সেই মেচিন বিলাকো মামৰে খাব আৰু হয়তো বেয়া হ'ব। সেই কাৰণে মই ভাৱো যে যিহেতু পঞ্চায়তৰ লগতে এটা সম্বন্ধ থকা 15th Finance Commissionৰ কথা আছে, সেয়েহে দুয়োটা বিভাগে যাতে সুন্দৰ ভাৱে এই কথাখিনি চিন্তা কৰি যে আগন্তুক দিনত বিদ্যুৎ সংযোগ পুনৰ স্থাপন কৰি যাতে সময়মতে বিল খিনি দিয়ে আৰু বিদ্যুৎ পুনৰ পায় আৰু যাতে আমি তাৰ পৰা লাভন্বিত হ'ব পাৰো। তৃতীয় চাপ্লিমেন্টৰী হ'ল যে আমি বহু সময়ত দেখা পাওঁ যে আমাৰ ৰাস্তাৰ প্ৰয়োজন আছে। ৰাস্তা আমাক

লাগিব, বিশুদ্ধ খোৱা পানীও লাগিব আৰু এই সময়ত আমি দেখা পাওঁ যে কেতিয়াবা দুই পক্ষৰ মাজতে হতাহতি হোৱাও আমি দেখা পাইছো। হোৱাৰ সময়ত আমাৰ থানালৈকেও যোৱা দেখিছো। তেওঁলোকে ফ্লেভাৰ ব্ল'কৰ চাইড বামৰ কাষেদি তেওঁলোকে কাটি দিয়াৰ লগে লগে ৰাস্তাটো খহি যায় আৰু পুনৰ সেই ৰাস্তা বনোৱা ঠিকাদাৰ জনে আহি সেই কাম মেৰামতি নকৰে। সময়মতে তেতিয়া কাম নকৰাৰ কাৰণে হয়তো ৰাইজৰ যথেষ্ট অভিযোগ হয় আৰু অভিযোগৰ ভিত্তিত বহু সময়ত থানালৈকে এই কেছ যোৱা আমি দেখিবলৈ পাইছো। সেই কাৰণে মই ভাবো যে, Road Department য়ে হওঁক বা আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা ঠিকাদাৰ সকলক কোনে কামটো কৰিছে তেওঁৰ ওপৰত নিৰ্দেশ দিব লাগে যাতে যে তেওঁলোকে ৰাষ্টাৰ কাষেদে যোৱা যিবিলাক পাইপ ফুটে আৰু পাইপ যেতিয়া লৈ যায় তেতিয়া তাৰ কাৰণে তেওঁলোকে খন্দা হয় বা খান্দিবও লাগিব, মই কৈছেয়ে যে আমাক পানীৰ প্ৰয়োজন, আমাক ৰাষ্টাৰো প্ৰয়োজন। সেই কাৰণে মই ভাবো যে সময়মতে যাতে তেওঁলোকে সেইখিনি আকৌ পুতি ঠিক কৰি দিবৰ কাৰণে বিভাগৰ ফালৰ পৰা এটা নিৰ্দেশ জাৰী কৰিবৰ কাৰণে মই বিনম্ৰতাৰে আহ্বান জনাইছো লগতে আৰু মোৰ এটা ক'বলগীয়া আছে যে আমি কেন্দ্ৰীয় বাজেটত এইবাৰ দেখা পাইছো প্ৰায় ৬৭ হাজাৰ কোটি টকা ইতিমধ্যে ধাৰ্য্য কৰিছে । এইটো এটা আমাৰ কাৰণে ভাল খবৰ যে এটা সময়ত আমি ইয়াত পাইছো যে ০৩-১০-২০২৪ তাৰিখে যিটো আমাৰ ৰাজ্য ৰ ফালৰ পৰা আমাৰ যিবিলাক কাম চলি আছিল সেই কামখিনি আমাৰ বন্ধ কৰি দিয়া হৈছিল। কিন্তু এতিয়া আকৌ দেখা পাইছো যে ইয়াক বৃদ্ধি কৰি ২০২৮ চনলৈকে সময়সীমা বৃদ্ধি কৰিছে। মই ভাবো যে এক সুন্দৰভাবে হ'ব। কেৱল ৰৈ যোৱা সেই সৰু সৰু কথাবিলাক যদি ভালকৈ বিশ্লেষণ কৰে, বিভাগে যদি নিৰ্দেশ দিয়ে মই ভাৱো এই আঁচনিখনে এটা সফলৰূপত যথেষ্ট লাভান্বিত হৈছে। কেৱল আসোঁৱাহ দুই এটা থাকি গৈছে, সেই আসোঁৱাহখিনি যদি সম্পূৰ্ণ কৰে মই ভাবো যে আমাৰ সৰ্বসাধাৰণ গাওঁৰ কৃষক পৰিয়াল, বাগিচা অঞ্চলৰ বসবাস কৰা চাহ-শ্ৰমিক সকলৰ পৰিয়ালয়েই হওঁক ইয়াৰ পৰা যথেষ্ট লাবান্বিত হ'ব বুলি মই আশা ৰাখিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। Hon'ble Minister.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য শ্ৰীবিনোদ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মই আশা ৰাখিম যে প্ৰত্যেক গৰাকী সন্মানীয় সদস্যই নিজৰ সমষ্টি সমূহত এই ধৰণৰ চিন্তা কৰিলে মই ভাবো যে জল-জীৱন মিছন আঁচনি আমি ১০০ শতাংশই সফল কৰিব পাৰিম। এই কথাটো তেখেতে স্বীকাৰ কৰিছে যে আমি যি দাতা দিছো সেই দাতা একেবাৰে ১০০ শতাংশই সত্য আৰু ending point টোত পানী নোপোৱা কথাটো আমাৰো অৱগত। যিসময়ত DPR সমূহ বনোৱা হৈছিল আৰু যি কাৰণেতেই নহওঁক, DPR সমূহৰ আসোঁৱাহ থকায়েই হওঁক বিভিন্ন কাৰণতে হওঁক ending point ত পানীৰ যিটো প্ৰেচাৰ থাকিব লাগে, প্ৰেচাৰটো আমি নাপাওঁ। মই সন্মানীয় সদনৰ জৰিয়তে সকলো বিধায়ককে অনুৰোধ কৰিম যে আপোনালোকে যে ending point ত য'ত অসুবিধা আছে 15th Finance Commission ৰ time ৰ ভিতৰত এতিয়াও প্ৰত্যেকখন গাওঁপঞ্চায়ত বা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তত পইচাৰ অভাৱ নাই। মুচটিম ষ্টেশ্যন ত তাৰপৰা যদি কৰিব খুজে তাত কোনো অসুবিধা নাই। Water and sanitation ত এই পইচা খৰচ কৰিব পাৰে। এতিয়া আমি যিসমূহ আঁচনি সম্পূৰ্ণ কৰিলো তাত আৰু নতুনকৈ আমাৰ বিভাগৰ পৰা দিয়া অসুবিধা কাৰণ এইবিলাকত আমাক অনুমোদন নিদিয়ে। ৰাজ্য চৰকাৰৰ SOPD আঁচনিটো

এইবিলাক লোৰাটো পিছৰ পৰ্য্যায়ত আমি চিন্তা কৰিব পাৰিম। কিন্তু এতিয়া আমাৰ কাৰণে অসুবিধা। কিন্তু কোনোবা বিধায়কে যদি ভাবে যে মোৰ ওচৰত 15th Finance Commission ৰ পইচা জমা আছে, সেই জমা ধনৰ থকা পইচাৰে তেওঁলোকে মুচটিম ষ্টেশ্যন খুলিব খোজে। Technical support দিব লাগে আমি সেইটো বিভাগৰ ফালৰ পৰা দিম আৰু সেইটো কৰিলে অন্তত ending point ৰ মাজত অন্তত এটা mustim station বহাই দিলে তাৰ last point লৈ পানী পোৱাত কোনো অসুবিধা নাই। গতিকে এই ধৰণৰ কামখিনি বিধায়ক সকলে দায়িত্ব সহকাৰে লওঁক। দ্বিতীয় কথাটো হৈছে তেখেতসকলে যিখিনি কথা কৈছে আমাৰ বহু অঞ্চলত electricity bill, electricity bill ৰ কথা কৈছে। ইতিমধ্যে আমি বিভাগে এটা নিৰ্দেশনা দি থৈছিলো যে 15th Finance Commission ৰ time point ৰ পৰা জিলা পৰিষদৰ CEO সকলে electricity bill টো দি থাকিব লাগে। সেইদিনাখন আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াৰ লগতে শিৱসাগৰৰ circuit house ত একলগে বহি কথা পাতিছিলো আৰু লগে লগে বিভাগক নিৰ্দেশনাও দিছিলো। আমাৰ PHE Department আৰু APDCL ৰ লগত এটা কথা সম্পূৰ্ণ হৈ আছে যে তাত ৩০ হাজাৰ টকালৈকে কেতিয়াও বিল নহালৈকে electricity কৰ্তন নকৰে। আজিকালি সকলো maximum meter য়ে smart meter. কিন্তু ইয়াত আগতে pre-load কৰিব লাগে বা pre-bill দিব লাগে। বহুত মানুহে বিলখন আহিব লাগে বুলি ৰখি থাকে কাৰণে ৩০ হাজাৰ cross কৰি যায় বিলখন disconnect হৈ যায়। মই আপোনালোকক এটা অনুৰোধ কৰিম যে জিলা পৰিষদৰ CEO সকলক সময়মতে যাতে বিল যিহেতু বিল আগতীয়াকৈ দিব লাগে। কিন্তু আজিকালি ৩০ হাজাৰ টকা মানে এখন আঁচনিত অতি কমেও ৪ মাহমান বিল নিদিলেও disconnect হয়। সেয়ে ৩০ হাজাৰ টকালৈকে APDCL য়ে আমাক জনাইছিল যে পুনৰ scheme disconnect নকৰে, যিসকল ৩০ হাজাৰ টকাৰ বেছি হৈ যায়, সেইটোৰে disconnect কৰে। গতিকে মই আশা ৰাখিম যে এই কথাটোত অকনমান সকলো বিধায়কে গুৰুত্ব দিব যে নিজৰ জিলা পৰিষদৰ লগত কথা পাতি যাতে আগতীয়াকৈ বিলটো দি থাকে। কাৰণ বিল দিবলৈ পইচাৰ অসুবিধা নাই। 15th Finance Commission ত পইচা জমা আছে গতিকে তাত অসুবিধা নাই। তৃতীয়তে, আমাৰ যিখিনি ৰাষ্টাঘাটৰ কথা কৈছে সচাঁকৈ এইটো হয় যে, আমাৰ কেতিয়াবা বিভাগৰ coordination ৰ অভাৱত ৰাষ্টাসমূহ নষ্ট হৈ যোৱা, ৰাষ্টাসমূহ খন্দাৰ পিছত কৰা নহয়। আমাৰ বিভাগে যেতিয়া PHE Scheme ৰ অধীনত যেতিয়া ৰাষ্টা খান্দে, সেইখিনি ঠিক কৰি দিব লাগে। এতিয়া আমি আৰু এটা এনেকুৱা পাইছো যে অসমত প্ৰায় ১ হাজাৰ scheme এনেকুৱা হৈ আছে যে, যিসমূহ PWD Department য়ে কাম কৰাৰ সময়ত ঠিকাদাৰে ভাঙি থৈ যোৱা scheme, সেইখিনি আজি repairing নোহোৱাৰ কাৰণে মানুহে উৰাদিহ পোৱা নাই। আমি আশা ৰাখিছো যে, এতিয়া আমাৰ PM Gati Shakti ত এই কথাবিলাক upload কৰি দিয়া হৈছে। PM Gati Shakti ত আমাৰ line গৈছে, যিধৰণে line গৈছে PM Gati Shakti ৰ জৰিয়তে সকলো বিভাগে নিজৰ কামসমূহ কৰোতে PM Gati Shakti ত চাই ল'ব যে পাইপ লাইন গৈছে নেকি? তাৰ কাৰণে কিবা পইচা ভৰিব লাগে নেকি, estimate সমূহত তেনেকৈ পইচা ভৰিবলৈ দিয়া হৈছে আৰু PWD Departement ক এইটো দিয়া হৈছে যে তেওঁলোকে estimate ত তেনেকুৱা কৰিলে এইটো ঠিক কৰি ল'ব লাগে যাতে নিজৰ সম্বন্বয়টো ভালকৈ থাকে আৰু সেই ধৰণৰ নিৰ্দেশনা মাননীয় মুখ্যমন্ত্ৰীয়ে দিছে।

**শ্ৰীবিনোদ হাজৰিকা,চাবুৱা ঃ** মাননীয় মন্ত্ৰী মহোদয়, মই এটা কথা অনুৰোধ জনাম যে সমগ্ৰ অসমৰ CEO সকলোলৈ আপোনালোকৰ বিভাগৰ পৰা নিৰ্দেশনাটো গ'লে বেছি ভাল হ'ব বুলি ভাবো এয়া মই সদনৰ মজিয়াৰ পৰা ক'লো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনৰ পৰা নিৰ্দেশনা দিছো যে সকলো CEO যাতে এইক্ষেত্ৰত যথেষ্ট গুৰুত্ব সহকাৰে লয় আৰু যদি কোনোবা CEO ই নাচায়, তেতিয়াহ'লে বিভাগীয়ভাবে অতি কঠোৰ ব্যৱস্থা ল'ব লাগিব বুলি এই সদনৰ পৰা জনাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এষাৰ কথা আছে, তেখেতে উল্লেখ কৰিছে। যোৱা ফেব্ৰুৱাৰী মাহৰ অন্তিম দিনত তেখেতে শিৱসাগৰলৈ গৈছিল। আমাৰ সমষ্টিত ৭ টা এতিয়াও Water Electricity বন্ধ হৈ থকাৰ কাৰণে অন্য এটা সমস্যা হৈছে যিবিলাক ঠিকাদাৰ company য়ে handover নকৰাকৈ trial ত চলাই আছে সেইবিলাকৰ বিলবিলাক payment পোৱা নাই কাৰণে দিব পৰা নাই। গোটেই অসমত হৈছে। Payment বন্ধ হৈ যোৱাৰ কাৰণে তেওঁলোকে কৈছে যে handover নহ'ল। এতিয়া সেইটো জিলা পৰিষদে দিব নে contractor য়ে দিব এনেকুৱা এটা সমস্যা হয়। ৭ খন আঁচনি এতিয়াও বন্ধ হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতিৰ লগত কথা পাতোতে তেনেকুৱা ২-৪ টা ঘটনা হৈছে। আচলতে trial period ত contractor য়ে চলাই থাকে, সেই bill খন contractor য়ে দিব লাগে। Contractor য়ে দি তেওঁক handover কৰিব লাগে। কিন্তু কিছুমান contractor য়ে handover কৰাৰ সময়ত bill সমূহ লৈ যায় যাৰ কাৰণে মই CEO সকলক নিৰ্দেশনা দিছিলো বা আমাৰ বিভাগৰ পৰা কৈছিলো যে তেনেকুৱা যদি কিবা হয়, যিহেতু contractor ৰ security money আমাৰ ওচৰত জমা থাকে, CEO সকলে তাৰপৰা বিল দি contractorৰ বিলৰ পৰা আমি কাটি লওঁ। Contractor ৰ security money বা অন্য তেওঁৰ যি deposit থাকে, তাৰপৰা আমি কাটি লওঁ। তাৰ কাৰণে ঠিকাদাৰ আৰু CEO এইটো লৈ যুজবাগৰ কৰি থাকিলে ultimately public কে suffer কৰে। আজি মই আকৌ নিৰ্দেশনা দিম বিভাগীয় এই কথাত। কোনোবা ঠিকাদাৰে যদি pending bill দি ৰাখিছে তেওঁলোকৰ security money ৰ পৰা আমি দুভাগ কৰি ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৬৮. মাননীয় মন্ত্ৰী।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতিয়ে কিয় তেওঁৰ সমষ্টিৰ কথা কৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো হৈ গৈছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পৰ্য্যটন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো আৰু উত্তৰ পাই

সন্তুষ্ট। মই মাননীয় মন্ত্ৰী মহোদয়ক তৎসত্বেও অনুৰোধ জনাব বিচাৰিম যে, যোৱা বৰ্ষত মোক এই বিধান সভাত পূৰ্বৰ পৰ্য্যটন মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল যে যোৱা বিত্তীয় বৰ্ষত সম্পূৰ্ণ হ'ব কিন্তু এই বিত্তীয় বৰ্ষত সম্পূৰ্ণ হ'ব নেকি এইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, পৰ্য্যটন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কুৰ্মী ডাঙৰীয়াই তেখেতে যিটো বিষয় আনিছে Gibbon wild life Sanctuary ৰ যিটো guest house , সেইটো guest house আমি নিৰ্মাণ কৰা নাই। গতিকে সেইটো Environment Forest Department য়ে নিৰ্মাণ কৰা বুলি মই জ্ঞাত। গতিকে আমি তাত নতুনকৈ fund দিয়াৰ কোনো কথাই নাই। কাৰণ মোক পৰ্য্যটক বিভাগেই হওঁক বা ATDC য়ে হওঁক, ATDC ৰ কেনো fund তাত আগতে আমি কোনো ধৰণৰ guest house বনোৱা নাই। যিহেতু বিষয়টো আপুনি আনিছে, আপুনি এবাৰ Environment Forest ৰ মন্ত্ৰী ডাঙৰীয়া আছে। তেখেতক যোগাযোগ কৰিব। আমি আমাৰ বিভাগৰ পৰা আগন্তুক দিনত পূঁজি সাপেক্ষে নিশ্চিৰূপত আপোনাৰ কথাখিনি ৰখাৰ কাৰণে প্ৰচেষ্টা অব্যাহত ৰাখিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ চমুকৈ দ্বিতীয় এটা পৰিপূৰক প্ৰশ্ন আছে। আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই স্বদেশ দৰ্শনৰ যি সুন্দৰ ব্যৱস্থা হাতত লৈছে, ২.০ ত গিবন পৰ্য্যটন চেক্টৰটো আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা হাতত ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে জ্ঞাত যে আমাৰ বাজেটত বিভিন্ন বিষয়ৰ লগতে পোনপ্ৰথম বাৰৰ বাবে আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বন্যপ্ৰাণীয়েই হওঁক বা পৰ্য্যটনৰ ক্ষেত্ৰতো বিভিন্নধৰণৰ আঁচনি লৈছে। এই আঁচনিসমূহক লৈ মই সন্তুষ্টি প্ৰকাশ কৰিছো। কাৰণ প্ৰথমবাৰৰ বাবে মানুহ আৰু হাতীৰ সংঘাতৰ ফলত যিসকল লোক নিহত হৈছে, তেওঁলোকৰ ক্ষতি পূৰণৰ পৰিমাণ বৃদ্ধি কৰিছে আৰু সংঘাতৰ ফলত যাতে বনৰীয়া জীৱ-জন্তুৰ মৃত্যুবৰণ হ'বলগীয়া নহয় তাৰ বাবে বিভিন্নধৰণৰ নতুনত্ব আনি জীৱ-জন্তুৱে অহা-যোৱা কৰা ৰাস্তা বা ৰেইল লাইনৰ ওপৰত Cable Bridge আদি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ প্ৰত্যেকটো মাৰ্গ দৰ্শন আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কাৰ্য্যকৰী কৰিছে আৰু আগন্তুক দিনতো এই বিষয়লৈ আমি নিশ্চিতৰূপত কাম কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১৬৯। শ্ৰী আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্য্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উঃ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটাই পৰিপূৰক প্ৰশ্ন কৰিম। সেইটো অলপ বুজাই ক'ব লাগিব। সমষ্টি পুনঃনিৰ্দ্ধাৰণৰ সময়ত সৃজনগ্ৰাম সমষ্টিটো গঠন কৰোতে ৬ টা উন্নয়ন খণ্ডৰ পৰা কিছু কিছু অংশ কাটি আনি এটা সমষ্টি কৰা হৈছিল। তাৰে প্ৰধান ৪ টা-মাণিকপুৰ, সৃজনগ্ৰাম, টাপাতাৰী আৰু বৈইটামাৰি। সৃজনগ্ৰাম উন্নয়ণখণ্ডৰ পৰা সৰ্ব্বাধিক জনসংখ্যা অন্তৰ্ভুক্ত হোৱাৰ কাৰণে সমষ্টিটোৰ নাম সৃজনগ্ৰাম কৰিলে। কিন্তু সৃজনগ্ৰাম ঠাইখন সৃজনগ্ৰাম সমষ্টিত নাই। সৃজনগ্ৰামৰ ব্লকৰ হেড কোৱাৰ্টাৰ সৃজনগ্ৰাম সমষ্টিত নাই। এতিয়া সম

জিলা গঠনৰ ক্ষেত্ৰত যদি আমি হেড কোৱাৰ্টাৰ আকৌ সৃজনগ্ৰাম সমষ্টিতে পাতো তেতিয়া সৃজনগ্ৰাম সমষ্টিৰ সমজিলা সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত নাথাকিব। আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয় আমাৰ অভিভাৱক মন্ত্ৰীও হয়। আমাৰ কেন্দ্ৰীয়ভাৱে অৱস্থিত আৰু ভাল ৰাস্তাৰে যোগাযোগ সম্পন্ন ঠাই ডোখৰ হৈছে টাপাতাৰী ব্লকৰ হেডকোৱাৰ্টাৰ টাপাতাৰী। তাত মাটিও আছে আৰু তাত ইতিমধ্যে আন্তঃগাঁথনিও আছে। সেইকাৰণে যেতিয়াই সমজিলা কাৰ্য্যক্ষম কৰা হ'ব সৃজনগ্ৰামৰ সলনি এই টাপাতাৰীক যাতে বিবেচনা কৰা হয়। ইয়াৰ বাবে মই প্ৰস্তাৱ ও দিছো। সৃজনগ্ৰাম সেই সমষ্টিৰ ভিতৰতে নাই। টাপাতাৰীক বিবেচনা কৰা হ'ব নে নাই সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অতি স্পৰ্শকাতৰ বিষয়। আমি সকলোৰে জানো যে সৃজনগ্ৰাম নামটো লৈ বিভিন্নধৰণৰ ইতিহাস আছে। সেইকাৰণে হয়তো যেতিয়া আমাৰ সমজিলা, জিলা, মহকুমাৰ কথা আহে তেতিয়া বিভিন্নধৰণৰ নামৰ কথা আহি পৰে। এই বিষয়ে আপুনি বঙাইগাওঁ জিলাৰ আয়ুক্তক জনাইছে আৰু মই ও এই বিষয়ে আপোনাৰ লগত কথা পাতিছো। আপোনাৰ কথাৰ বিপৰীতেও বেলেগ মানুহে কৈছে যে ঠাইখন য'তেই নহওঁক কিয় নামটো সৃজনগ্ৰাম ৰাখিব লাগে। ইয়াৰ ওপৰত এনেকুৱাধৰণৰ এটা মতানৈক্য চলি আছে। যাৰ কাৰণে আমি আগন্তুক দিনত সকলো পক্ষৰ লগত বহিম, আমি আপোনাৰ লগতো আলোচনা কৰিম। টাপাতাৰীত হ'লেও আমাৰ কোনো অসুবিধা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সমজিলা সমূহ গঠন কৰাই নহয় কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে। জিলাই হওঁক বা সমজিলাই হওঁক বা মহকুমাই হওঁক বা কাৰ্য্যালয় এইকাৰণে স্থাপন কৰিছে যাতে মানুহৰ যোগাযোগ ব্যৱস্থা সূচল হয়, মানুহে যাতে প্ৰশাসনক সহজতে পায়। প্ৰশাসনক ওচৰতে পোৱাৰ উদ্দেশ্যটো আগত ৰাখিয়েই আমি জিলা অথবা সমজিলাৰ কথা কওঁ। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ৩৯ খন সমজিলাৰ কথা ঘোষণা কৰিলে বা আৰম্ভ কৰিলে, ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে নতুন সমজিলাসমূহৰ কাৰণে প্ৰায় ১৭ টা স্থায়ী কাৰ্য্যালয় কৰাৰ কাৰণে বাজেটত ৩৩১ কোটি টকাৰ আবণ্টন দিছে। আগন্তুক দিনত টাপাতাৰীত যদি লাগে ইয়াৰ ওপৰত মই বিৰোধীতা কৰা নাই। মোৰ কথা হৈছে যে অসমৰ ভূখণ্ড বা সেই জিলাখনৰ বা সেই এলেকাৰ কৰ'বাত হ'ব লাগে য'ত যাতায়তৰ সুবিধা হয়। আমি এইখিনি চাই ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উঃ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই সমজিলাখনৰ নাম সৃজনগ্ৰামৰ নামেৰে হয় মোৰ তাত আপত্তি নাই। কিন্তু হেড কোৱাৰ্টাৰটো কেন্দ্ৰীয়ভাৱে অৱস্থিত টাপাতাৰীত হ'লে সেইখন সকলো ঠাইৰ পৰা সমদূৰত্বত হ'ব। সেইবাবে মই আপোনাক বিবেচনাৰ বাবে কৈছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে আজি সৃজনগ্ৰামক NOC দিলে ভাল পাইছো আৰু টাপাতাৰীত হেডকোৱাৰ্টাৰ হিচাপে কৰিব পাৰো তাৰ বাবে প্ৰচেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৯ খনসমজিলা কিহৰ ভিত্তিত গঠন কৰিলে? কাৰণ কামৰূপ (মেট্ৰ'ত) ৫ টা সমষ্টি আছে আৰু এই ৫ টা সমষ্টিৰ

৪ টাই মোৰ সমষ্টি। কিন্তু মোৰ চেণ্ট্ৰেল গুৱাহাটী নহ'ল। এই নোহোৱা কাৰণটো কি? মাননীয় মন্ত্ৰী মহোদয়ে কিবা বেয়া পাইছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্য্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেণ্ট্ৰেল গুৱাহাটী ডিষ্ট্ৰিক হেড কোৱাৰ্টাৰত আছে নেকি? যদি ডিষ্ট্ৰিক হেড কোৱাৰ্টাৰ থাকে যেনেকৈ বজালীত এতিয়া জিলা হৈছে বহুতেই কৈছিলে যে বজালী সমজিলা হ'ব লাগে। য'ত জিলা থাকে তাত সমজিলা নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৩৯ খন সমজিলা তেওঁ ঘোষণা কৰিছে আৰু বাকীকেইখনো হ'ব। কিন্তু য'ত জিলা হেড কোৱাৰ্টাৰ আছে, তাত কোনোধৰণৰ সমজিলা নহয়।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সম জিলা হৈছে আমি ভাল পাইছো আৰু আমি ইয়াক আদৰণি জনাইছো। মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে যে তেখেতৰখন নহ'ব নেকি? ডিষ্ট্ৰিক হেড কোৱাৰ্টাৰ আৰু চাব-ডিভিজনেল হেড কোৱাৰ্টাৰত নিশ্চয় নহ'ব। আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰো চাব-ডিভিজনেল হেড কোৱাৰ্টাৰ হয়। কিন্তু আমাৰ বি টি চি জিলাত একেসময়তে সমজিলাৰ কাম আৰম্ভ হোৱা নাই আৰু কাম কেতিয়া আৰম্ভ হ'ব। ১৫ টা সমষ্টিৰ এখন জিলাতো সমজিলা দিয়া নাই। এইটো কেতিয়া আৰম্ভ হ'ব মাননীয় মন্ত্ৰী মহোদয়ে আমাক অৱগত কৰিব নেকি?

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ভাগ্যবান যে মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আমাৰ অভিভাৱক মন্ত্ৰী আৰু তেওঁ জানে যে ছমৰীয়া সমষ্টি হৈছে কিন্তু তাত ছমৰীয়া চাৰ্কোলটো তাত নাই। ইতিমধ্যে উপায়ুক্তৰ কাৰ্য্যালয়ত প্ৰস্তাৱ ও দিয়া হৈছে। ছমৰীয়া চাৰ্কোল অফিচটো সোমতলী অঞ্চলত কেতিয়া হ'ব? প্ৰশাসনক ওচৰত আনিব বিচাৰিছে যদিও প্ৰশাসন এতিয়া ৰাইজৰ পৰা বহুত দূৰত গুচি গৈছে।

**মাননীয় অধ্যক্ষ ঃ** সকলোৰে প্ৰশ্ন একেই-যিসমূহ অঞ্চলত এতিয়াও হোৱা নাই কেতিয়া হ'ব?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ, পৰ্যটন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাৰ্কোল অফিচ এতিয়াও হোৱা নাই আৰু কেতিয়া হ'ব ইয়াৰ উত্তৰটো আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াক সুধিলে তেওঁ নিশ্চয়কৈ ক'ব পাৰিব। কিন্তু দূৰ্গাদাস বড়ো ডাঙৰীয়াই কৈছে যে ষষ্ঠ অনুসূচীত অঞ্চলত আমি সমজিলাৰ কাম লোৱা নাই। তাত যিহেতু ষষ্ঠ অনুসূচীত অঞ্চল আছে সেয়েহে আগন্তুক দিনত প্ৰমোদ বড়ো ডাঙৰীয়াৰ লগত আলোচনা কৰি ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী তৰংগ গগৈ,(নাহৰকটীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল আমাৰ নাহৰকটীয়াত মেংগানিজ বা আৰ্চেনিক পোৱা গৈছে নেকি? কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে হয়তো উত্তৰটো অলপমান এৰি গ'ল। কাৰণ মই যিমানদূৰ জানো নাহৰকটীয়াৰ আমগুৰি গাওঁত তেজপুৰ বিশ্ববিদ্যায়ৰ পৰা চাৰ্ভে কৰা হৈছিল আৰু তাত পানীত মেংগানিজ পোৱা গৈছে। বিভাগে কিছু মাহ আগতেও পৰীক্ষা কৰিবলৈ NEIST যোৰহাটলৈ পঠিয়াইছিল। ৰিপোৰ্টত প্ৰায় ৩.৪ লেভেললৈ নাহৰকটীয়াৰ আমগুৰি গাওঁৰ পানীত মেংগানিজ পোৱা গৈছে। পানীত মেংগানিজ থাকিলে নিউৰ'ল'জি বা বিভিন্নধৰণৰ বেমাৰ হ'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগে বিভিন্ন সময়ত এইধৰণৰ ১৬ টা পেৰামিটাৰৰ ওপৰত পৰীক্ষা কৰি থাকে। এতিয়ালৈ মোৰ হাতত যিখিনি ৰিপোৰ্ট আহিছে তাত আইৰণক বাদ দি বাকী কেইটা লেভেল পাৰ হোৱা দেখুওৱা নাই। যদি তেখেতৰ হাতত কিবা ৰিপোৰ্ট আছে........

**শ্ৰী তৰংগ গগৈ,(নাহৰকটীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯-০২-২০২৫ তাৰিখে আপোনালোকৰ superintendent Engineer ক ৰিপোৰ্ট দিয়া হৈছিল। মই এটাই অনুৰোধ কৰিছো যে এই বিষয়ে যাতে বিশেষভাৱে চায়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে চাবলৈ নিৰ্দ্দেশ দিব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি মেগনেছিয়াম পোৱা গৈছে এই বিষয়ে মই নিৰ্দ্দেশ দিম।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is Over.

মাননীয় সদন, অসমৰ জাতীয় সত্তাক উদ্ভাষিত কৰি সৃষ্টিশীল কৰ্মৰাজিৰে আমাৰ সমাজ জীৱনলৈ আগবঢ়োৱা উল্লখযোগ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰে আগবঢ়াই অহা ৰাজ্যখনৰ শ্ৰেষ্ঠ অসামৰিক সন্মান ক্ৰমে 'অসম বৈভৱ', 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ' বঁটাৰ এইবাৰৰ বাবে নিৰ্বাচিত হোৱা বৰেণ্য ব্যক্তিসকলৰ নাম বিগত ৯ মাৰ্চ তাৰিখে ঘোষণা কৰা হ'ল ।

## 'অসম বৈভৱ'

ভাৰতীয় সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল শ্ৰী ৰাণা প্ৰতাপ কলিতালৈ ২০২৪ বৰ্ষৰ ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম বৈভৱ' আগবঢ়োৱা হৈছে । অসমী আইৰ সুযোগ্য সন্তান শ্ৰী কলিতাই সুখ্যাতিৰে ভাৰতীয় সেনা বাহিনীৰ উচ্চপদত কাৰ্য্যনিৰ্বাহ কৰি এক শীৰ্ষতম পদত অধিষ্ঠিত হোৱা সৰ্বপ্ৰথম অসমীয়া । পৰম বিশিষ্ট সেৱা মেডেল, অতি বিশিষ্ট সেৱা মেডেল, বিশিষ্ট সেৱা মেডেল, সেৱা মেডেল আৰু উত্তম যুদ্ধ সেৱা মেডেল আদি বহু সামৰিক সন্মানেৰে সন্মানিত হোৱা শ্ৰী কলিতাই দেশখনৰ সুৰক্ষাৰ হেতু নিজকে উৎসৰ্গা কৰিছিল । অসম বিধান সভাৰ হৈ 'অসম বৈভৱ' বঁটাৰে সন্মানিত হোৱা শ্ৰী কলিতাক মই অভিনন্দন জ্ঞাপন কৰিলোঁ ।

## 'অসম সৌৰভ'

এইবাৰ দেশ তথা ৰাজ্যখনৰ ছয় গৰাকীকৈ উদ্যমী ব্যক্তিলৈ 'অসম সৌৰভ' সন্মান আগবঢ়োৱা হৈছে। তেখেতসকল ক্ৰমে-

১) বিশিষ্ট শিক্ষাবিদ, পদ্মভূষণ, টাটা কনছালটেন্সি চাৰ্ভিছ (TCS)ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তামিলনাডুৰ শ্ৰী সুব্ৰমণিয়ন ৰামাডুৰাইয়ে গুৱাহাটীত অৱস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অব ইনফৰমেশ্যন টেকনলজী (IIIT)ত অধ্যক্ষ হৈ থকা সময়ছোৱাত নীৰৱ সাধনাৰে আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে;

২) অসমৰ দুগৰাকী বিজ্ঞানী যথাক্ৰমে হোজাইৰ ড° বাপ্পী পাল আৰু লক্ষীমপুৰৰ ড° পূৰবী শইকীয়াক বিজ্ঞান, তথ্য-প্ৰযুক্তি তথা পৰিৱেশ বিজ্ঞানত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে "ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰ ঃ বিজ্ঞান যুৱ শান্তি স্বৰূপ ভাটনগৰ" বঁটাৰে সন্মানিত হৈ ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত;

৩) জীৱনযোৱা সাধনাৰে অসমীয়া সংগীত জগতক নতুন মাত্ৰা প্ৰদান কৰা দ্বীপেন বৰুৱাক তেখেতৰ অনবদ্য কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে;

৪) অসমীয়া ভ্ৰাম্যমাণ নাট্যজগত আৰু বোলছবি জগতৰ উজ্জ্বল নক্ষত্ৰ, বিশিষ্ট নাট্যকাৰ শ্ৰী হেমন্ত দত্তক তেখেতৰ সৃষ্টিশীল কৰ্মৰাজিৰ বাবে;

৫) নিজ পাৰদৰ্শিতাৰ বলত ভাৰতীয় মহিলা ক্ৰিকেট দলত অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হোৱা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেটাৰ উমা চেত্ৰীক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰদৰ্শন কৰা উল্লেখনীয় প্ৰতিভাৰ বাবে;

**'অসম সৌৰভ' বঁটাৰ বাবে নিৰ্বাচিত কৰা হয় ।**

এই আটাইকেইগৰাকী বৰেণ্য ব্যক্তিলৈ অসম বিধান সভাৰ হৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

## 'অসম গৌৰৱ'

সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অসামান্য সেৱা তথা পাৰদৰ্শিতাৰ বাবে এইবাৰ ৰাজ্যখনৰ ১৬ গৰাকীকৈ ব্যক্তি তথা সামাজিক অনুষ্ঠানলৈ 'অসম গৌৰৱ' সন্মান আগবঢ়োৱা হৈছে।

১) সকলো প্ৰতিকুলতাক নেওচি IUCN তালিকাত অন্তৰ্ভুক্ত বিপদাপন্ন প্ৰজাতিৰ শগুণ সংৰক্ষণৰ সৈতে দীৰ্ঘদিনৰ পৰা জড়িত লক্ষীমপুৰৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত প্ৰকৃতিপ্ৰেমী ফুলেশ্বৰী দত্ত;

২) মটৰ বাইকিঙেৰে মাত্ৰ ৩১৭ দিনত বিশ্বৰ ৬৪ খন দেশ ভ্ৰমণ কৰি বিশ্ব ৰেকৰ্ডৰ অধিকাৰী বাইকাৰ মীনাক্ষী দাস;

৩) ইণ্ডিয়ান চুপাৰ লীগত দুৰ্দান্ত প্ৰদৰ্শনেৰে উজ্বলি উঠা সুদক্ষ ফুটবলাৰ (ষ্ট্ৰাইকাৰ) পাৰ্থিৱ সুন্দৰ গগৈ;

৪) ধুবুৰীৰ প্ৰসিদ্ধ হস্তশিল্পী, টেৰাকোটা শিল্পৰ অন্যতম কাণ্ডাৰী ধীৰেন্দ্ৰ নাথ পাল;

৫) সৰ্থেবাৰীৰ অসাধাৰণ প্ৰতিভাধাৰী কাঁহ-পিতল শিল্পী হৰিদাস দাস;

৬) যুৱ সবলীকৰণৰ মহান উদ্দেশ্যেৰে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ বিনামূলীয়া ক'চিং চেণ্টাৰ স্থাপন কৰি যুৱ প্ৰজন্মক প্ৰশিক্ষণ প্ৰদান কৰা বিনং টেৰণ;

৭) একুৱা কালচাৰৰ যোগেদি বহু যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ পথ প্ৰদৰ্শন কৰা শ্ৰীভূমিৰ নজৰুল হক;

৮) বিভিন্ন প্ৰজাতিৰ ঔষধি গছ আৰু অৰ্কিড সংৰক্ষণৰ লগতে কৃষিক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা যোৰহাটৰ বিশ্বজীৎ বৰা;

৯) অসমৰ দুগ্ধ বিপ্লৱৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰখনলৈ উল্লেখনীয় অৱদান আগবঢ়োৱা বজালীৰ ভাৰত কলিতা;

১০) বড়ো লোক সংগীতৰ অন্যতম সাধক আৰু বড়ো লোক কলাৰ প্ৰসাৰৰ হকে আত্মনিয়োগ কৰা এটা পৰিচিত সত্তা কোকৰাঝাৰৰ বাৰলাংফা নাৰ্জাৰী;

১১) চাহ জনগোষ্ঠীয় লোককলা সংগীতৰ অন্যতম পৰিচিত শিল্পী ৰাম চাচনী;

১২) প্লাষ্টিক ৰহিত কৌশলেৰে তৈয়াৰ কৰা 'উল্লাহ' নামৰ ডিপিং টী উৎপাদনেৰে বিশ্বপ্ৰসিদ্ধি লাভ কৰা শিৱসাগৰৰ উপমন্যু বৰকাকতি,

১৩) 'জেৰাণ্ড' নামৰ পৰিৱেশ অনুকুল ইটা উৎপাদনেৰে জড়িত হৈ সমগ্ৰ দেশতে সুনাম বুটলিবলৈ সক্ষম হোৱা শিৱসাগৰৰ ডেভিড প্ৰতিম গগৈ,

১৪) নগাঁও জিলাৰ নটুন দাংগা ইক' ডেভেলপ্‌মেণ্ট ছ'চাইটিয়ে কাজিৰঙাত স্থাপন কৰা কাৰ্বি থলুৱা খাদ্যৰ খ্যাতিসম্পন্ন প্ৰতিষ্ঠান 'চ'ৰান এহেম';

১৫) বিপদাপন্ন প্ৰজাতি ‘হলৌ বান্দৰ’ৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ আচৰণ প্ৰদৰ্শন কৰি দেশে-বিদেশে চৰ্চা লাভ কৰা আৰু ইয়াৰ সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱা তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ ইক’ ডেভেলপ্‌মেণ্ট ছ’চাইটি;

১৬) নগাঁও জিলাত হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ অৰ্থে নেপিয়াৰ গছ ৰোপণ আদিৰ দৰে উল্লেখনীয় পদক্ষেপেৰে এক অনুকুল পৰিৱেশ সৃষ্টি কৰা জিলাখনৰ স্বেচ্ছাসেৱী সংস্থা ‘হস্তী বন্ধু’ লৈ

**২০২৪ বৰ্ষৰ ‘অসম গৌৰৱ’ বঁটা আগবঢ়োৱা হৈছে ।**

এই আটাইকেইগৰাকী সমাজহিতৈষী ব্যক্তি তথা সামাজিক অনুষ্ঠানলৈ অসম বিধান সভাৰ তৰফৰ পৰা মই অভিনন্দন জ্ঞাপন কৰিলোঁ ।

মাননীয় সদন, অসমৰ এগৰাকী সংগীত শিল্পী অনুৰাগ শইকীয়াই নিজ প্ৰতিভাৰ বলত ২০২৫ বৰ্ষৰ আই আই এফ এ (IIFA) ডিজিটেল বঁটাৰে সন্মানীত হৈছে। ৱেব চিৰিজ মিছ মেট্‌ছত ছিজন-৩ (Mismatched) ত পৰিৱেশন কৰা এটা গীতৰ বাবে তেখেতক ‘শ্ৰেষ্ঠ টাইটেল ট্ৰেক’ বঁটাৰে সন্মানিত কৰা হয় ।

বিধান সভাৰ সমূহ সদস্যৰ হৈ মই শ্ৰী শইকীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** অধ্যক্ষ মহোদয়, আপুনি পঢ়ি যাওঁতে এটা লাইন শুনিলো। ৩৬৫ নে ৩৭৫ খন দেশ ভ্ৰমণ কৰা বুলি কৈছে। ইমান দেশ পৃথিৱীত নাই।

**মাননীয় অধ্যক্ষঃ** ৩১৭ দিনত ৬৪ খন দেশ বুলি কৈছো। আপোনাৰ শুনাত কিবা হ’ল।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** ধন্যবাদ চাৰ। মই উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া শূন্যকালীন ঘণ্টা। শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰীখলিল উদ্দিন মজুমদার (কাটিগড়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শূণ্যকালীন ঘণ্টায় আমাকে বলতে সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি। আমাদের বরাক ভেলির মধ্যে খুব গুরুত্বপূর্ণ সেতু হচ্ছে গেমন সেতু। সেই গেমন সেতুতে গত আট তারিখে ট্র্যাফিক জ্যামের সমস্যা হয়েছিল। সেই ট্র্যাফিক জ্যামের সমস্যার ফলে এম্বুলেন্স, স্কুল, কলেজের পড়ুয়াদের সমস্যার সন্মুখীন হতে হয়। আমাদের বরাক ভেলির প্রত্যেকজন বিধায়ক জানেন যে গেমন সেতুর কি ভয়ঙ্কর অবস্থা হয়েছে। বিগত কয়েক মাস থেকে সেখানে বিভিন্ন সমস্যা হচ্ছে। সেই গেমন সেতু এমন একটা সেতু যেটা নাকি রাত্রে ভালো হয়ে যায়, আর দিনের বেলায় খারাপ হয়ে যায়। রাত্রে অনেক over load চলে এখানে অনেক সমস্যা হয়। অসম সরকারের পুলিশ প্রশাসন বিভিন্ন জায়গায় কট্টর হতে দেখা যায়, কিন্তু কাটিগড়া সমষ্টিতে তা দেখতে পাওয়া যায় না। বিশেষ করে কাটিগড়া সমষ্টির থেকে এই সেতু দিয়ে রাত্রে বেলা মেঘালয় থেকে মণিপুর যায়, মেঘালয় থেকে মিজোরাম যায় কিন্তু কালাইনের এই ট্র্যাফিক সমস্যার জন্য বারো ঘণ্টা, চব্বিশ ঘণ্টা রাস্তা বন্ধ থাকে তার ফলে ব্যবসা-বাণিজ্য থেকে শুরু করে মানুষের বিভিন্ন সমস্যা হয়। মাননীয় মুখ্যমন্ত্রীর কাছে আমার অনুরোধ রইলো যে মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে এই গেমন সেতু মেরামতের জন্য ব্যবস্থা যাতে করা হয়। এই গেমন সেতু ক্ষতিগ্রস্থ হলে বিভিন্ন দুর্ঘটনা হবে আর যার ফলে আমাদের তিনটা রাজ্য ক্ষতিগ্রস্থ হবে। মাননীয় মুখ্যমন্ত্রীর কাছে অনুরোধ সেটার একটা সঠিক তদন্ত করা হোক। স্থানীয় জায়গায় একটা সিন্ডিকেট চলছে আর এই সিন্ডিকেটের জন্য যেকোন সময় সেতুটা ধ্বংস হতে পারে। এই সিন্ডিকেটের একটা তদন্ত হোক। বিশেষ করে কালাইন বাজারে যে ট্র্যাফিকের

জ্যামের সমস্যা হয় তার ফলে এম্বুলেন্স থেকে শুরু করে হাসপাতালে যাওয়া রোগী বা ছাত্র-ছাত্রীদের স্কুল কলেজে যাওয়ার যে একটা বিশেষ অসুবিধা হয় তার জন্য কালাইন অঞ্চলে ট্র্যাফিক জ্যামের একটা সুরহা যাতে করা হয় তার জন্য মাননীয় মুখ্যমন্ত্রীর কাছে আমার বিশেষ অনুরোধ রইলো। ধন্যবাদ।

**(Hon'ble Deputy Speaker in the Chair)**

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী খলিলউদ্দিন মজুমদাৰ ডাঙৰীয়াই গেমন bridge সম্পৰ্কত যিটো বিষয় উত্থাপন কৰিছে মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ তেখেতক জনাব বিচাৰিছো যিখন গেমন bridge সেই bridge খন বৰ্তমান PWD বিভাগৰ অধীনত নাই। সেইখন NHIDCL ৰ অধীনত আছে আপুনি জানে যে গেমন bridge খন নিৰ্মাণ কৰা হৈছিল ১৯৭৪ চনত। তাৰ পিছত এই গেমন bridge খনত retro fitting কৰিবলগীয়া হ'ল damage হোৱাৰ কাৰণে ২০০১ চনত। এই retro fitting কৰাৰ পিছত bridge খন ০৪-০৫-২০২২ চনত NHIDCLক দিয়া হ'ল। এই bridge খন দিয়াৰ পিছত তাত গাড়ী চলাচল কৰাৰ কাৰণে বেয়া হ'ল। তাৰ পিছত ২০২৪ চনত কেইজনমান bridge ৰ বিশেষজ্ঞ যাৰ bridge ৰ ওপৰত epensive knowledge আছে, তেনেকুৱা কিছু সংখ্যক বিশেষজ্ঞ নিয়োগ কৰি কেনেকৈ তাক motorable কৰিব পৰা যায় আৰু তেওঁলোকৰ পৰামৰ্শমতে তাত যিখিনি gap-slap আছিল, যিখিনি expansion আছিল বা যিখিনি steelৰ plate লগাব লগীয়া আছিল সেই গোটেইখিনি লগাই দিলে। লগোৱাৰ পিছত bridge খন তেনেকৈ চলি থাকিল কিন্তু bridge খনৰ আপুনি কোৱা মতে আৰু বেয়া হৈছে কাৰণ বহুত গাড়ী সেই bridge ৰ ওপৰেৰে যায়। সেই কাৰণে NHIDCL য়ে নতুন contractor ক ২০২৫ চনত দিছে। Replacement gap আৰু slap এইবিলাকৰ কাম আৰম্ভ হ'ব অহা ২৫ তাৰিখৰ পৰা। গতিকে এই কামখিনি আৰম্ভ হ'লে bridge খন কিছু পৰিমাণে চলিব পাৰিব। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে এইখনি অতি পুৰণি bridge. বেয়া হৈছে bridge খন দুৰ্বলো হৈছে। NHIDCL য়ে বৰ্তমান তাত district Authoirityৰ লগত লগ হৈ কৈছে যে বেছি heavy vehicle যাতে bridge খনৰ ওপৰেৰে নাযায়, তাৰ কাৰণে District Administration ৰ লগত NHIDCL য়ে কথা পাতি ঠিক কৰিছে। Damage repairing ৰ ক্ষেত্ৰত NHIDCLয়ে steel ৰ plate লগাইছে আৰু অন্যান্য যিবিলাক retro-fitting কৰিব লাগে সেইবিলাক কৰিছে। As on today smoothly bridge খনত গাড়ী অহা-যোৱা কৰি আছে। গতিকে এইটো ক্ষেত্ৰত আমাৰ এটা permanent solution লাগিব, সদায় আৰু steel plate লগাইটো চলিব নোৱাৰি। সেইকাৰণে মই মাননীয় সদস্য গৰাকীক আপোনাৰ জৰিয়তে অধ্যক্ষ ডাঙৰীয়া কওঁ যে বদৰপুৰ bye-passৰ কাম ইতিমধ্যে আৰম্ভ হৈছে, আপোনালোকে গম পাইছেই আৰু পাচগ্ৰামৰো কাম আৰম্ভ হৈছে। বদৰপুৰ আৰু পাচগ্ৰাম bypass এই দুটা ৰাস্তা হৈ যোৱাৰ লগে লগে বৰাকত দুখন ডাঙৰ দলং হ'ব। Bridge হ'লে ২০২৬ চনৰ জুলাইৰ ভিতৰত পাচগ্ৰাম bypass ৰ কাম সম্পূৰ্ণ হ'ব আৰু ২০২৭ চনৰ ২৫ জুলাইৰ ভিতৰত অন্যটো bypass সম্পূৰ্ণ হ'ব। গতিকে এইখন bridge নহ'লেও দুখন bridge যিহেতু হ'ল গতিকে bypass হৈ সকলো গাড়ী যাব পাৰিব আৰু সুচল হ'ব। গতিকে এই সম্পৰ্কত আপোনালোক সকলোৱে con-

cern, বৰাকৰ আটাইকেইজন মাননীয় বিধায়ক লগতে সেইদিনা খন কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই এই সম্পর্কে এটা বিষয় আনিছিল। তেখেতেও এই ক্ষেত্রত বাৰে বাৰে কৈ আছিল যে এই ক্ষেত্রত কিবা এটা solution হ'ব লাগে, গতিকে বৰাক উপত্যকাৰ আটাইকেইজন বিধায়কে এইক্ষেত্রত concern হৈ আছে, কথাখিনি ধুনীয়াকৈ কৈছে আৰু মই যিখিনি তথ্যভিত্তিক উত্তৰ সেই উত্তৰখিনি দিলো, লগতে কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই সেইদিনাখন অনা বিষয়টোৰো উত্তৰ ইয়াৰ যোগেদি দিলো আৰু আপোনাকো উত্তৰটো দিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম(জেষ্ঠ্য)।

**শ্ৰী আমিনুল ইছলাম, (জেষ্ঠ্য, ধিং)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি অসমীয়া প্রতিদিন কাকতত প্রকাশিত শিৱসাগৰত মাজ নিশা ভয়ংকৰ কাণ্ড অস্ত্র সম্বলিত ১৭-১৮ জনীয়া দুৰ্বৃত্তৰ দ'লৰ কাণ্ড 4lane ৰ কামত নিয়োজিত শ্ৰমিকক আক্ৰমণৰ কথাটো আপোনাৰ জৰিয়তে মই চৰকাৰক দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। বাতৰিটোত এটা ভয়ংকৰ তথ্য প্ৰকাশ পাইছে, শিৱসাগৰৰ পৰা ডিমৌলৈ যিটো ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাম চলি আছে আৰু ইয়াত ১৮ কিঃমিঃ ৰাস্তাৰ কাম পূৰ্ণ গতিত চলি আছে আৰু তাত যিসকল শ্ৰমিকে ৰাস্তাত কাম কৰি আছে, তেওঁলোকে অস্থায়ী শিবিৰ বনাই তাত থাকি কাম কৰে। বাতৰিত উল্লেখ কৰা মতে এই প্ৰায় দুমাহৰ পৰা বাৰে বাৰে কিছু গুণ্ডা প্ৰকৃতিৰ উদণ্ড যুৱকে আহি ভাবুকি দিছিল, বিভিন্ন সময়ত তেওঁলোকক আক্ৰমণ কৰি শিবিৰত আহি গালি-গালাজ কৰি, বিভিন্ন ধৰণে অপদস্ত কৰে। এই কথাবিলাক শ্ৰমিকসকলে ঠিকাদাৰক জনাইছিল, অশোক শৰ্মা নামৰ ঠিকাদাৰ গৰাকী সেই কোম্পানীৰ ঠিকাদাৰ উইলচন বৰগোঁহাইয়ে কামটো চলাই আছিল। গতিকে উইলচন বৰগোঁহাইয়ো কথাবোৰ জানে বিভিন্ন সময়ত শ্ৰমিক সকলে কৈ আহিছে যে কিছুমান উদণ্ড যুৱকে আমাৰ অস্থায়ী শিবিৰলৈ আহি দাবী-ধমকি দিয়ে, বিভিন্ন সময়ত মাৰ-ধৰ কৰে, আৰক্ষীকো জনোৱা হৈছিল। ঠিকাদাৰে কৈছে যে আৰক্ষীকো জনোৱা হৈছিল, কিন্তু আৰক্ষী কোনো ধৰণৰ action লোৱা নাই, যাৰ কাৰণে যোৱা পৰহি ১৭-১৮ জনীয়া এটা দুৰ্বৃত্তৰ দ'লে অস্ত্র-শস্ত্র লৈ আহি তেওঁলোকৰ অস্থায়ী শিবিৰত সোমাই কোনো কাৰণ নোহোৱাকৈ মাৰ-পিট কৰে। এই শ্ৰমিক সকল বেছিভাগেই আছিল হাউলী-বৰপেটাৰ। তেওঁলোকক ইমানেই মাৰ-পিট কৰিলে যে দুই-তিনিজনৰ নাকে-মুখেৰে তেজ ওলায়, পিঠি ফাটি গৈছে, নাক ফাটি গৈছে, আনকি কিছুমান সংজ্ঞাহীন হৈ যায়। এই যে কিছুদিন আগৰ পৰা ভাবুকি দি আছিল বিভিন্ন সময়ত অতৰ্কিতে আহি আক্ৰমণ কৰে, উজনি অসমত এনেকুৱা এটা পৰিস্থিতি হ'ল উপাধ্যক্ষ মহোদয় তাত কিছু দল-সংগঠনে দাদাগিৰি দেখাই নামনি অসমৰ লোকৰ বিৰুদ্ধে এটা সামাজিক বাতাবৰণ বিনষ্ট কৰা, উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰা বিগত কেইমাহৰ পৰা আমি দেখি আহিছো। এতিয়া যদি যিসকল ঠিকাদাৰে শ্ৰমিক সকলক লৈ গৈ বহুত গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথৰ কাম কৰাই আছে, তেওঁলোকক যদি নিৰাপত্তা দিব নোৱাৰে, তাত যদি ঠিকাদাৰে আৰক্ষীক কোৱাৰ পিছতো নিৰাপত্তা পোৱা নাই, আনকি বাতৰিত এইটোও কৈ আছে যে ৰাস্তাৰ কামটো বন্ধ হৈ যাব পাৰে, তাত কোনো শ্ৰমিকে কাম নকৰিব। গতিকে ইমান ডাঙৰ ৰাষ্ট্ৰীয় ঘাইপথ এটাৰ কাম তাত যদি শ্ৰমিকসকলক নিৰাপত্তা দিয়া নহয়, যিবিলাক উশৃংখল দল-সংগঠনৰ লোকে নামনি অসমৰ লোকৰ বিৰুদ্ধে বিষোদগাৰ কৰে, জনমত সৃষ্টি কৰে এই কথাবিলাক সংবাদ-মাধ্যমতে প্ৰকাশ পায় কিন্তু চৰকাৰে আজিলৈকে তেনে কোনো উদণ্ড দল-সংগঠনৰ নেতৃত্বক গ্ৰেপ্তাৰো কৰা নাই বা সকিয়নীও দিয়া নাই । আনকি কেইমাহমান পূৰ্বে ময়ুৰ বুঢ়াগোঁহাই নে বুঢ়াগোঁহাঞি

নামৰ ব্যক্তিজনে ডেৰবছৰ কাম কৰাই নামনি অসমৰ কিছু শ্ৰমিকক ১৫-১৬ লাখ টকা দিবলগা আছিল। কিন্তু তেওঁলোকক সেই টকাটো নিদি তেওঁলোকৰ কাপোৰ-কানি খুলি, বেয়াকৈ মাৰপিট কৰি তাৰ পৰা খেদি পঠিয়াই দিয়ে যাতে টকাটো দিবলগীয়া নহয়। সেই শ্ৰমিকসকল তাত বিভিন্ন থানাত কেচে দিব পৰা নাই। তেওঁলোকে তাৰপৰা প্ৰাণ ৰক্ষা কৰি কোনোমতে আহিল আৰু বৰপেটা থানাত এটা গোচৰ ৰুজু কৰিছে। আজিলৈকে কিন্তু ময়ুৰ বুঢ়াগোঁহাঞি নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰা নাই। চৰকাৰে তেওঁক বাৰে বাৰে প্ৰশ্ৰয় দি আছে। যদি তেতিয়াই চৰকাৰে এনেধৰণৰ যিসকল গুণ্ডা আছে, তেওঁলোকক যদি গ্ৰেপ্তাৰ চৰকাৰে action ল'লেহেতেন, তেনেহ'লে আজি পুনৰ এনেদৰে ৰাষ্ট্ৰীয় ঘাইপথত কাম কৰি থকা শ্ৰমিকক আক্ৰমণ কৰিবলৈ সাহস নাপালেহেঁতেন। চৰকাৰে আৰু কিমানদিন এনে উদণ্ড গুণ্ডাসকলক প্ৰশ্ৰয় দিব, কিমানদিন অসমত অৰাজক কৰি ৰাখিব তাৰ উত্তৰ যাতে আমাক দিয়ে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই ইয়াত যিটো বিষয় উত্থাপন কৰিছে, মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই কথাখিনি জনাইছো। প্ৰথম কথা হ'ল যে কোনো উদণ্ড যুৱকক বা যিসকলে আইন হাতত তুলি লয় বা আইন হাতত তুলি লৈ কাৰোবাৰ অন্যায় কৰে, তেনেকুৱা কোনো কথাক চৰকাৰে প্ৰশ্ৰয় নিদিয়ে। আপুনি এইটো কথা আশ্বস্ত হ'ব পাৰে যে আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই ক্ষেত্ৰত পুলিচ আৰু administration লৈকে strict instruction আছে যে তেনেকুৱা ধৰণৰ আইন হাতত তুলি লোৱা ব্যক্তিক কেতিয়াও প্ৰশ্ৰয় দিয়া নহয়। আপোনালোকে জানে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ বিভিন্ন বক্তব্যত আপোনালোকে শুনিছেও যে অসমত এটা আন্দোলন বৰ্জিত পৰিৱেশ হ'ব লাগে আৰু তাৰকাৰণে আজি অসমত এই পৰিৱেশটো গঢ়ি উঠিছে। ইয়াৰ বাবে আজি অসমত Advantage Assam সফল ৰূপত ৰূপায়িত হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত এই কথাটো সদায় কয়। গতিকে আপুনি যিটো ঘটনাৰ কথা কৈছে, তাৰ বিৱৰণ শিৱসাগৰ পুলিচ আৰু গৃহ বিভাগৰ পৰা এনেধৰণে পোৱা গৈছে যে- যোৱা ১০ মাৰ্চ তাৰিখ, ২০২৫ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "শিৱসাগৰত মাজনিশা ভয়ঙ্কৰ কাণ্ড, অস্ত্ৰসজ্জিত ১৭-১৮ জনীয়া দুৰ্বৃত্তৰ দলৰ তাণ্ডৱ, ফ'ৰলেনৰ কামত নিয়োজিত শ্ৰমিকক আক্ৰমণ" শিৰোনামা বাতৰি সম্পৰ্কত আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। গতিকে এই সন্দৰ্ভত আৰক্ষী অধীক্ষক, শিৱসাগৰৰ পৰা পোৱা স্মাৰক নং-SBR/V/2025/AQ/611 তাৰিখ ১০-০৩-২০২৫ দাখিল কৰা মৰ্মে ঘটনাৰ সংক্ষিপ্ত বিৱৰণ তলত উল্লেখ কৰিলো- ৮-০৩-২০২৫ তাৰিখে নিশা প্ৰায় ১০ঃ৪৫ বজাত শিৱসাগৰ আৰক্ষী থানাত এটি তথ্য লাভ কৰা হয় যে শিৱসাগৰ জিলাৰ বীৰ লাচিত মহাবিদ্যালয়ৰ ওচৰত থকা এটা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ শ্ৰমিক শিৱিৰত শাৰিৰিক আক্ৰমনৰ ঘটনা সংঘটিত হৈছে। তথ্য লাভ কৰাৰ লগে লগে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ পাছত জানিব পৰা যায় যে নাওজান দৰিকাপাৰত ভাওনা অনুষ্ঠিত হৈছিল। এই ভাওনাৰ পৰা নাওজান দৰিকাপাৰৰ তিনিজন যুৱক -১) শ্ৰী প্ৰান্তিক গগৈ, বয়স ১৬ বছৰ, HSLC পৰীক্ষাৰ পৰীক্ষাৰ্থী, পিতা- অমৰজিৎ গগৈ। ২) শ্ৰী অনুপ গগৈ ওৰফে কালিয়া, বয়স ১৭ বছৰ, পিতা- স্বৰ্গীয় হোমেশ্বৰ গগৈ। ৩) শ্ৰী পদুম গগৈ, বয়স ২১ বছৰ, পিতা- নিতুল গগৈ, শ্ৰমিক শিবিৰত প্ৰৱেশ কৰে আৰু কোনো কাৰণ নোহোৱাকৈ শ্ৰমিকসকলক শোধ-পোছ কৰিবলৈ আৰম্ভ কৰে। হঠাৎ তেওঁলোকৰ এজনে শিবিৰৰ বৈদ্যুতিক বাল্ব এটা আৰু মোবাইল

ফোন ভাঙি পেলায় আৰু লগতে কিছুমান শ্ৰমিকক ঘোচা মাৰে আৰু কোৰ, বেলচা আদি দলিয়াই দিয়ে। এই ঘটনাৰ ফলত শ্ৰমিকসকলে চিঞৰ বাখৰ কৰে আৰু তাৰফলত ভাওনাৰ পৰা অহা প্ৰায় ২০-২৫ জন স্থানীয় যুৱক ঘটনাস্থলীত উপস্থিত হয়। গতিকে কাজিয়াখন মূলত এই তিনিজনৰ লগতহে হৈছিল। ২০-২৫ জন স্থানীয় যুৱকৰ লগত কাজিয়াখন হোৱা নাছিল। তেওঁলোকে সেই কাজিয়াৰ মিত-মাত কৰাৰ কাৰণেহে ভাওনাৰ পৰা আহি তাত ৰৈছিল। স্থানীয় লোকসকল উপস্থিত হোৱাত শ্ৰমিকসকলে শিবিৰ এৰি পলায়ন কৰে। এই ঘটনাত আহত হোৱা তিনিজন শ্ৰমিকক চিকিৎসাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় য'ত চিকিৎসালয়ৰ চিকিৎসকৰ মতে তেওঁলোকৰ আঘাত সাধাৰণ প্ৰকৃতিৰ আছিল বুলি জনায়। চিকিৎসাৰ পিছত তেওঁলোকক সাধাৰণভাৱে চিকিৎসালয়ৰ পৰা মুকলি কৰি দিয়া হয়। এই ঘট নাৰ সন্দৰ্ভত শুক্ৰবাৰে আবেলি তিনি বজাত গোৰৰ্ধনা, জিলা বাক্সাৰ বাসিন্দা তথা অভিযোগকাৰী চুলেমান খান, পিতা মহিবুৰ খানৰ পৰা এখন এজাহাৰ পোৱা যায়। এই সন্দৰ্ভত তিনিও গৰাকী অভিযুক্তক থানালৈকে মাতি পঠিওৱা হয়। তেওঁলোকৰ মাজত এজন নাবালক যুৱক অভিভাৱকৰ সৈতে আৰক্ষী থানাত উপস্থিত হয়। আৰক্ষীয়ে সোধ-পোছ কৰাৰ পাছত আইন সন্মত অভিভাৱকৰ জিম্মাত সেই নাবালক যুৱকজনক মুকলি কৰি দিয়া হয়। আন দুজন যুৱকৰ সন্ধান আৰক্ষীয়ে অব্যাহত ৰাখিছে আৰু এই ঘটনা সন্দৰ্ভত প্ৰাৰম্ভিক অনুসন্ধান বৰ্তমান চলি আছে আৰু প্ৰায়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁলোকক বিচাৰি পালে গ্ৰেপ্তাৰ কৰা হ'ব আৰু ব্যৱস্থা লোৱা হ'ব। পুলিচেও এই ধৰণৰ ঘটনা সংঘটিত হোৱাৰ পাছত শিৱসাগৰত যিসমূহ ঠাইত য'ত এনেধৰণৰ কাম চলি আছে, তাতো বিশেষ পহৰা ৰাখি আছে। ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনা সংঘটিত নহয়, তাৰকাৰণে পুলিচে সতৰ্ক দৃষ্টি ৰাখি আহিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Zero hour ত আমাৰ এটা গুৰুত্বপূৰ্ণ বিষয় যোৱা ১০ মাৰ্চ, ২০২৫ত " ৰাজ্যৰ প্ৰশিক্ষণ প্ৰাপ্ত গৃহৰক্ষী সন্থা, বিধান সভাৰ চলিত বাজেট অধিবেশনত সমস্যা সমাধানৰ দাবী", এই শীৰ্ষক বাতিৰিটোৰ ভিত্তি কৰি Home Guard গৃহৰক্ষী সকলৰ বিষয়ে দুটামান কথা উল্লেখ কৰিব বিচাৰিছো।

মহোদয়, গৃহৰক্ষী সকলক অসম আৰক্ষীৰ লগত সমানে নিয়োজিত কৰা হয় আৰু বিভিন্ন ধৰণৰ আৰক্ষীৰ প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিসকলে যিসমূহ কাম কৰে, তাৰ প্ৰতিটো কামত তেখেতসকলে জনসাধাৰণৰ জীৱন, নিৰাপত্তা আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে আৰক্ষীৰ সমানে দক্ষতাৰে কাম কৰি আহিছে। সেই ক্ষেত্ৰত তেখেতসকলক প্ৰতি বছৰে বছৰে প্ৰশিক্ষণ দিয়াৰ পাছত নিযুক্তি দিয়া হয়। কিন্তু যোৱা সময়ছোৱাত তেখেতসকলে working condition উন্নত কৰিব লাগে বুলি বিভিন্ন সময়ত চৰকাৰক আবেদন নিবেদন কৰি আহিছে আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই ২৪ তম All India Conference of Home Guard and Civil Defence ৰ গুজৰাটত অনুষ্ঠিত অক্টোবৰ মাহৰ বৈঠকত এই বিষয়ত আৰু অধিক বিবেচনা কৰি কেনেকৈ Home Guard, Civil Defence ৰ চাৰ্টাৰখন উন্নত কৰিব পাৰি, এই বিষয়ত প্ৰতিখন ৰাজ্যৰ পৰা পৰামৰ্শ বিচাৰিছিল। নৱেম্বৰ মাহৰ ১০ তাৰিখৰ ভিতৰত এই সন্দৰ্ভত পৰামৰ্শ দিবলৈ কেন্দ্ৰীয় DG, Fire Service, Civil Defence আৰু Home

Guard ৰ ফালৰ পৰা প্ৰতিখন ৰাজ্যৰে Commandent General লৈ পত্ৰ প্ৰেৰণ কৰা হৈছিল। মহোদয়, উত্তৰ প্ৰদেশত প্ৰায় ৭৫,০০০ Home Guard আছে আৰু তেখেতসকলৰ recruitment reguarly হৈ থাকে। ৪০০০ ৰে অৱসৰ লয় আৰু তেওঁলোকক তাত বিভিন্ন কামত আনকি কুম্ভ মেলাতো বহুত খিনি কাম তেখেত সকলৰ দ্বাৰাই কৰোৱা হৈছে। কিন্তু যিখিনি service condition আছে, সেইবিলাক বৰ্তমান পৰিস্থিতিৰ লগত বাস্তৱ সন্মত ভাৱে খাপ খোৱাকৈ উপযুক্ত নহয়। দুৰ্ঘটনা হ'লে তেওঁলোকৰ বাবে বিশেষ সুবিধা নাথাকে। সকলো কামতে ৬০ বছৰত অৱসৰ হয়, কিছুমান ক্ষেত্ৰত চৰকাৰে আইন কৰি ৬৫ বছৰলৈকে কৰ্মৰ সুবিধা দিছে কিন্তু Home Guard সকলে ৫৫ বছৰ বয়সতে অৱসৰ গ্ৰহণ কৰিব লাগে। অসমৰ বিভিন্ন কামত নিয়োজিত ২০০ জন Home Guard ৰ কতৰ্ব্যৰত অৱস্থাত মৃত্যুমুখত পৰিছে। কিন্তু তেখেতসকলৰ পৰিয়ালৰ উপযুক্ত ব্যক্তি থকাৰ পাছতো next of kin ক কেনেকৈ কি কি সুবিধা দিব পাৰি, এই ক্ষেত্ৰত কোনো ভাল ধৰণৰ পলিচি এতিয়ালৈকে লোৱা হোৱা নাই। তেওঁলোকৰ মেডিকেলৰ সু বিধাও নাই, তেওঁলোকৰ ছুটীৰ ব্যৱস্থাও নাই, পেঞ্চনৰ সুবিধাও নাই। এই গোটেইবিলাক যদি কৰিব পৰা যায় আৰু বৰ্তমানৰ তেওঁলোকৰ দৈনিক যিটো ৭৬৭ টকা দৰমহা ইয়াক যদি উন্নত কৰিব পৰা যায়, তেতিয়াহ'লে তেওঁলোকৰ কামৰ মূল্য আৰু দিয়া হ'ব আৰু তেখেত সকলেও আৰু উৎসাহ পাব। এই গোটেইবিলাক কথা হ'ব যদিহে আইনৰ কিছু সংশোধনৰ প্ৰয়োজন হয়। চুপ্ৰিম কোৰ্টত এটা গোচৰ হৈছিল সেই গোচৰত এখন চৰকাৰী আইনৰ বাধা থকাৰ বাবে তেখেতসকলক regular service ত নিয়োজিত কৰিব নোৱাৰি বুলি এটা ৰায়দান আহিল। গতিকে মই আজি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যিসকলে আমাক বিভিন্ন সময়ত সহায় কৰি থাকে, তেখেতসকলৰ বৰ্তমান সময়ত যি কাম তেওঁলোকে ১৯৪৪ চনত দেশ স্বাধীন হোৱাৰ পূৰ্ব্বৰ পৰাই সেই সময়ৰ চুৰাট ৰাজ্যৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই ডাঙৰীয়াই শান্তি ব্যৱস্থা বাহাল ৰখাৰ বাবে হোমগাৰ্ড নিয়োগৰ আৰম্ভ কৰিলে। তেখেতসকলৰ চাৰ্ভিচ কনডিশ্যন ভাল কৰিবলৈ যাতে ব্যৱস্থা লয় এই বিষয়ত দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই zero hour ত যিটো বিষয় আনিছে, আমি সকলোৱে গম পাওঁ যে Assam Home Guard Act and Rules, 1947 amended in 2015, ইয়াৰ আধাৰত হোমগাৰ্ড সকলৰ গোটেই বিষয়বস্তু বিলাক চোৱাচিতা কৰা হয়। তেওঁলোকৰ development ৰ পৰা আৰম্ভ কৰি গোটেই বিষয়বিলাক চোৱা-চিতা কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ তাৰিখত আমাৰ যিটো present strength সেইটো ২৬,৬৭৩ আৰু আমাৰ যিটো authorised strength সেইটো হ'ল ২৩,৯০৭। আচলতে আমাৰ যিটো authorised strength তাতকৈ আমাৰ বেছি আছে। লগতে আমাৰ যিসকল হোমগাৰ্ড আছে তেওঁলোকক বিভিন্ন ধৰণৰ কামত নিয়োগ কৰা হৈছে। আমাৰ under SP armed and unarmed ১০,৫০০ গৰাকী আছে, অন্যান্য এজেঞ্চী বিলাকত ৬,৮৫৪ গৰাকীক নিয়োগ কৰা হৈছে। আমাৰ মুঠ ১৭,৩৫৬ গৰাকী আছে। এই development যাতে ভালদৰে হয় তাৰকাৰণে এটা portal ও কৰা হৈছে যাতে সকলোৱে ৬ মাহৰ অন্তৰালত development ৰ সুবিধা পায়। এটা সময়ত সেইটোৰ ক্ষেত্ৰতো discrimination আছিল। যিসকলে কৰি আছে তেওঁলোকে কৰিয়েই আছে আৰু যিসকলে কৰিবলৈ সুযোগ পোৱা নাই তেওঁলোকে কোনোদিনে সুযোগ নাপায়। তেনেকুৱা ধৰণৰ অসুবিধা

বিলাক আছিল আৰু সেইকাৰণে এটা portal কৰা হ'ল যাতে সকলোৱে development ৰ সুবিধা পায়। আমাৰ যিখন এক্ট আছে Assam Home Guards Acts and Rules 1947, সেইখনত স্পষ্টভাৱে লিখা আছে যে এই যিসকল হোমগাৰ্ড নিয়োজিত হৈ আছে তেওঁলোকৰ গোটেই nature টোৱে হ'ল voluntary nature. যিহেতু voluntary nature গতিকে তাত স্থায়ীকৰণৰ বিষয়টো আহিব নোৱাৰে। আমাৰ হোমগাৰ্ডৰ যিটো সংগঠন আছে সেই সংগঠনে কেইবাবাৰো তেওঁলোকৰ স্মাৰকপত্ৰৰ যোগেদি আমাৰ বিভাগত আবেদন-নিবেদন কৰিছে আৰু তাৰ উত্তৰো বিভাগৰ পৰা স্পষ্টভাৱে তেওঁলোকক দিয়া হৈছে। তেওঁলোকে তিনিটা বিষয় আনিছিল। প্ৰথম বিষয়টো আছিল তেওঁলোকৰ বয়সৰ যিটো সীমা। যিহেতু এইটো voluntary nature আৰু আমাৰ এখন এক্ট আছে গতিকে এই এক্টখন থকাৰ পিছত আমি তেওঁলোকৰ বয়স বৃদ্ধি কৰাৰ কথাটো নাহে আৰু অৱসৰৰ পিছত retirement benefit দিয়াৰ কথাটো ও নাহে। কিন্তু আমাৰ চৰকাৰখনে সদায় এই বিষয়টো গুৰুত্ব সহকাৰে লৈ আহিছে। লৈ অহাৰ কাৰণে আপোনালোক সকলোৱে গম পায় যে এটা সময়ত তেওঁলোকৰ যিটো duty allowance, Wage বুলি ক'ব নোৱাৰি সেই duty allowance টো এটা সময়ত তেওঁলোকৰ এটা শ্ৰেণীক ৩০০ আৰু আনটো শ্ৰেণীক ৩১৫ টকা দিয়া হৈছিল। এই বিষয়টো গুৰুত্ব সহকাৰে লোৱাৰ কাৰণে আমাৰ চৰকাৰে ১৯ অক্টোবৰ, ২০২২ চনত duty allowance টো বঢ়াই প্ৰতিদিনে ৭৬৭ টকা কৰি হৈছিল। ফলত তেওঁলোকে মাহত ২৩,০১০ টকা পাবলৈ সক্ষম হৈছিল। সন্মানীয় সদস্য গৰাকীয়ে আমাৰ Ministry ৰ Home Affairs ৰ যিখন সভাৰ কথা উল্লেখ কৰিছে, ইয়াৰ পৰৱৰ্ত্তী সময়ত হোৱা ৫ মাৰ্চ, ২০২৫ তাৰিখে এই বিষয়টোৰ ওপৰত এখন সভা অনুষ্ঠিত হৈছিল। গতিকে এই গোটেই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। ইয়াৰ উপৰিও এই বিষয়টোৰ ওপৰত যদি Central Act আহে বা সংশোধনী হয়, তেতিয়াহ'লে আমি নিশ্চয় তাৰ আধাৰত ভিত্তি কৰি আগবাঢ়ি যাব পাৰিম। এইখিনি কথা মই স্পষ্ট কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ১১ মাৰ্চ, ২০২৫। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনত ২০২৫-২০২৬ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা আৰু দাবী মঞ্জুৰী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ১০ মাৰ্চ, ২০২৫ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত হয়।

আজি ১১ মাৰ্চ, ২০২৫ আৰু ১২ মাৰ্চ, ২০২৫ তাৰিখে ২০২৫-২০২৬ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবলৈ আৰু ২১ মাৰ্চ আৰু ২৪ মাৰ্চ, ২০২৫ তাৰিখে ২০২৫-২০২৬ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ ওপৰত ভোটদান আৰু আলোচনা কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰিছে।

সভাত ২৪ মাৰ্চ, ২০২৫ তাৰিখে ২০২৫-২০২৬ চনৰ মঞ্জুৰীৰ বাবে বাকী থকা দাবী সমূহৰ ওপৰত ভোটদান আৰু আলোচনা কৰি সদনত ভোটদানৰ বাবে দাখিল কৰাৰ উপৰিও ২০২৫ বৰ্ষৰ অসম বিনিয়োজন (নং - II) বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দ্দলীয় সদস্যক তলত দিয়া ধৰণে সময় আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে ।

**বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰ ঃ-**

| | |
|---|---|
| মুঠ সময় | ঃ ৩০০ মিনিট ( ৫ ঘণ্টা) |
| (১) ভাৰতীয় জনতা পাৰ্টি | ঃ ১৫২ মিনিট (বিত্তমন্ত্ৰীৰ উত্তৰৰ সৈতে) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ ৬২ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ ২২ মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ ৩৬ মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ ১৭ মিনিট |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ ৭ মিনিট |
| (৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ ৫ মিনিট |
| (৮) নিৰ্দ্দলীয় | ঃ ৫ মিনিট |

দাবী মঞ্জুৰীৰ ওপৰত বিশদভাৱে আলোচনাৰ সমিতিয়ে সৰ্ব্বসন্মতিক্ৰমে নিম্নলিখিত দাবী সমূহ অগ্ৰাধিকাৰ ভিত্তিত অহা ২১ আৰু ২৪ মাৰ্চ, ২০২৫ তাৰিখে সদনত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মঞ্জুৰী নং ৬৪ লোকনিৰ্মাণ (দলং আৰু পথ), মঞ্জুৰী নং ৭১ বিদ্যালয় শিক্ষা।

দাবী মঞ্জুৰীৰ ওপৰত আলোচনাৰ বাবে ধাৰ্য কৰা সময় এনেধৰণৰ -

| | |
|---|---|
| মুঠ সময় | ঃ ৪২০ মিনিট ( ৭ ঘণ্টা) |
| (১) ভাৰতীয় জনতা পাৰ্টি | ঃ ২১৩ মিনিট (মন্ত্ৰীৰ উত্তৰৰ সৈতে) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ ৮৭ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ ৩০ মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ ৫০ মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ ২৩ মিনিট |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ ১০ মিনিট |
| (৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ ৫ মিনিট |
| (৮) নিৰ্দ্দলীয় | ঃ ৫ মিনিট |

আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে ।

এতিয়া কাৰ্য্যসূচী নং ৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসম তথা আয়োগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন সদনত সমূহ দাখিল কৰিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হৈ মাননীয় মন্ত্ৰী।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কোনে কাক দায়িত্ব দি গৈছে সদনত জনাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** কেৱল lay কৰিলে হ'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো সকীয়নি দিব লাগে। চৰকাৰক ভৎসনা কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া নাই, Parliamentary Minister ডাঙৰীয়া

নাই। কি ৰিপ্লাই দিব নাজানে, এইটো কি উঠাব নাজানে। সদন অৰ্ডাৰত নাই।

**শ্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো জ্যেষ্ঠ মন্ত্ৰী ডাঙৰীয়াক authorised কৰি গৈছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** কাৰ্য্যসূচী নং ৩। মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিত্ত আয়োগৰ ২০২৩-২৪ চনৰ বাবে বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মোননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ Hon'ble Parliamentary Affairs Minister এ the 48 nos. of Gazette Notification during the period from 06-08-2024 to 31-01-2025 under the Assam value Added Tax Act, 2003 and the Assam Goods and Services Tax Act, 2017 খন সদনত দাখিল কৰিব।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ মই the 48 nos. of Gazette Notification during the period from 06-08-2024 to 31-01-2025 under the Assam value Added Tax Act, 2003 and the Assam Goods and Services Tax Act, 2017 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৫। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ Hon'ble Pariliamentary Affairs Minister এ the Seperate Audit Report and Certificate on the Accounts of the Assam Financial Corporation for the Financial Year 2022-23 খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ মই the Seperate Audit Report and Certificate on the Accounts of the Assam Financial Corporation for the Financial Year 2022-23 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৬। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ Hon'ble Pariliamentary Affairs Minister এ the Seperate Audit Report on the Accounts of the Assam State Commission for Protection of Child Rights (ASCPCR) for the year 2020-21 and 2021-22 খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ মই the Seperate Audit Report on the Accounts of the Assam State Commission for Protection of Child Rights (ASCPCR) for the year 2020-21 and 2021-22 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৭। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই the Annual Report of the Pollution Control Board for the year 2023-24 খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the Annual Report of the Pollution Control Board for the year 2023-24 খন সদনত দাখিল কৰিলো।

**माननीय উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৮। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াই the Annual Administrative Report of the Tourism Department for the financial year 2023-24 খন সদনত দাখিল কৰিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the Annual Administrative Report of the Tourism Department for the financial year 2023-24 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৯। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম ডাঙৰীয়াই the Separate Audit Report on the account of the Assam Khadi and Village Industries Board for the year 2018-19 to 2021-22 খন সদনত দাখিল কৰিব।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the Seperate Audit Report on the account of the Assam Khadi and Village Industries Board for the year 2018-19 to 2021-22 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১০। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই the 21st Annual Report and accounts of the Assam Power Distribution Company Limited (APDCL) for the year 2023-24 খন সদনত দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the 21st Annual Report and accounts of the Assam Power Distribution Company Limited (APDCL) for the year 2023-24 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১১। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই the Annual Report and accounts of the Assam Power Generation Company Limited (APGCL) for the year 2023-24 খন সদনত দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the Annual Report and Accounts of the Assam Power Generation Company Limited (APGCL) for the year 2023-24 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১২। মাননীয় পৰিবহন মন্ত্ৰী শ্ৰী যোগেন মহন ডাঙৰীয়াৰ হৈ Hon'ble Parliamentary Affairs Minister এ the Seperate Audit Report with Annual Accounts of the Assam State Transport Corporation (ASTC) for the year 2018-19 to 2022-23 খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় পৰিবহন মন্ত্ৰী শ্ৰী যোগেন মহন ডাঙৰীয়াৰ হৈ the Separate Audit Report with Annual Accounts of the Assam State Transport Corporation (ASTC) for the year 2018-19 to 2022-23 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১৩। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা

ডাঙৰীয়াই the Separate Audit Report on the Accounts of the Assam Rural Infrastructure and Agricultural Services (ARIAS) for the year 2021-22 খন সদনত দাখিল কৰিব।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই the Separate Audit Report on the Accounts of the Assam Rural Infrastructure and Agricultural Services (ARIAS) for the year 2021-22 খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং- ১৪ under Rule 54 শ্ৰী মতী শিৰামনি বৰা, Hon'ble Member.

**শ্ৰী মতী শিৰামনি বৰা, বটদ্ৰবা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ ফেব্ৰুৱাৰী তাৰিখে 'সাদিন' কাকতত প্ৰকাশিত " চৰণীয়া পথাৰত পৰিণত ৰাজ্যৰ ৰেচম পামৰ ৭,৫০০ বিঘা ভূমি" শীৰ্ষক গুৰুত্বপূৰ্ণ বাতৰিটোৰ প্ৰতি হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী মহোদয়াৰো দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, অসম ৰ শিপিনীয়ে তাঁতশালত সপোন ৰচে। এই বিখ্যাত বাক্য শাৰী যাক লৈ কোৱা হৈছিল সেই প্ৰকৃত শিপিনীসকলৰ অৱস্থা আজিৰ দিনত অতি শোচনীয়। ৰাজ্য খনত দিনক দিনে এৰী, পাট, মুগা সূতাৰ উৎপাদন কমি আহিছে। আজিৰ দিনত প্ৰতি কেজি মুগা সূতাৰ দাম ৪০ হাজাৰ টকা আৰু প্ৰতি কেজি পাট সূতাৰ দাম ৮,৫০০ টকা।যিমান চাহিদা আছে, সিমান উৎপাদন নোহোৱাৰ বাবে দিনক দিনে উৎপাদন বাঢ়ি গৈয়েই আছে। মুগা, পাট, এৰী সূতাৰ অত্যাধিক মূল্য বৃদ্ধিৰ ফলত যি সকল প্ৰকৃত শিপিনীয়ে নিজে সূতা কিনি কাপোৰ বৈ নিজৰ ঘৰ খন পোহ পাল দি আছিল সেই সকল শিপিনীয়ে মুগা, পাট, এৰী কাপোৰ বোৱা তাঁতশালবোৰ এতিয়া বৰ্তমান সময়ত ওপৰত তুলি থৈছে। উপাধ্যক্ষ মহোদয়, নুনী, চোম শুৱালু, এৰা আদি গছৰ অভাৱত লাভ জনক পলু পোহা লোকৰ সংখ্যাও কমি আহিছে। ৰেচম বিভাগৰ হাতত থকা ২০৪ খন পামৰ অৱস্থা পুতৌজনক। বহু বছৰ ধৰি পুলি নোৰোৱাৰ ফলত বিভাগৰ হাতত থকা ৭,৫০০ বিঘা মাটি চৰণীয়া পথাৰত পৰিণত হৈছে। ৰাজ্য খনত অমৃত বৃক্ষ আঁচনিত কোটি কোটি টকা খৰছ কৰি গছ পুলি ৰোৱাৰ ক্ষেত্ৰত বহু ৰেকৰ্ড কৰা দেখুওৱা হ'ল। পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগেও সামাজিক বনানীকৰণৰ নামত বছৰি কোটি কোটি টকা খৰছ কৰি আহিছে। কিন্তু ৰেচম বিভাগৰ চন পৰি থকা বৃহৎ ভূমিলৈ কাৰো চকু নপৰিল। বিভাগটোৰ হাতত থকা মাটি কালিৰ পৰিমাণ হ'ল ১৪২৪ hectare অৰ্থাৎ ১০,৬০০ বিঘা। ইয়াৰে ৭,৫০০ বিঘাত কোনো ধৰণৰ প্লেন্টেচন নাই। ইয়াৰে কেইবা শ বিঘা মাটি বেদখলৰ কবলত আছে। ৰেচম বিভাগৰ বহু সম্ভাবনাময় মাটি ৰাজ্য চৰকাৰে বিভিন্ন বিভাগৰ কাৰ্য্যালয়, বিশ্ববিদ্যালয় আদি স্থাপন কৰিবলৈ ব্যৱহাৰ কৰিছে। বিভাগটোৰ প্ৰতি চৰকাৰৰো কাণষাৰ নাই আৰু বিভাগীয় বিষয়া কৰ্মচাৰীৰো কোনো initiative নাই। বিভাগৰ সূতা উৎপাদন কেন্দ্ৰ বিলাকৰ বেছি ভাগেই জহি খহি গৈছে। বহু লাখ টকা খৰছ কৰি নিৰ্মাণ কৰা সূতা উৎপাদন কৰা কিছু কেন্দ্ৰ আজিলৈকে আৰম্ভই নহ'ল। উদাহৰণ স্বৰূপে টীয়কৰটোকে ক'ব পাৰি। সিদিনা বাতৰিত দেখিলো বাক্সাৰ ৰেচম পামৰ মাটি সৰিয়হ খেতি কৰিবলৈ ভাড়াত দিছে। ৰেচম পাম বিলাক কেইবা দশক আগতে প্ৰতিষ্ঠা কৰিছিল। এতিয়া ৰাস্তা আদি হৈ মাটি বিলাক বহু মূল্যবান হ'ল। সেয়ে বহু মাটি বেদখল হৈছে। বিভাগৰ হাতত থকা বৃহৎ ভূমি এনেদৰেই যদি পৰি থাকে এদিন আজিৰ বীজ নিগমৰ মাটিৰ দৰে অৱস্থা হ'ব। হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ যিবিলাক production centre আছে, সেইবিলাকৰ

বেছি ভাগতে কোনো ধৰণৰ উৎপাদন নহয়। তাত থকা তাঁতশালকে ধৰি অন্যান্য সামগ্ৰীৰ লগতে গৃহ বিলাকো জহি খহি গৈছে। উদাহৰণ স্বৰূপে আমাৰ জাঁজৰিত ৰেচম পামৰ লগতে বিভাগৰ এক বৃহৎ উৎপাদন কেন্দ্ৰ আছিল। এতিয়া সেইটো জহি-খহি গৈ মৃত প্ৰায় হৈছে। অসমত পৰম্পৰাগত বস্ত্ৰ উদ্যোগৰ ব্যাপক নিয়োগ সৃষ্টি কৰাৰ সম্ভাৱনীয়তা আছে। হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে এই বিষয়ত শীঘ্ৰেই কিছু ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মই ভাৱো। সেয়ে এই বিষয়ত মই দু-আষাৰ ক'ব বিচাৰিছো।

১) বিভাগৰ বিষয়া কৰ্মচাৰীৰ মাজত আকৌ কৰ্ম সংস্কৃতি গঢ়ি তুলিব লাগে আৰু বিভাগত খালী হৈ থকা বৃহৎ সংখ্যক পদ শীঘ্ৰেই পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

২) ৰেচম বিভাগৰ ভূমিত থকা বেদখল মুক্ত কৰিবলৈ সংশ্লিষ্ট বিভাগৰ সৈতে অতি সোনকালে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৩) বিভাগে আগন্তুক বিত্তীয় বৰ্ষৰ পৰাই আৱণ্টিত পুঁজি বৃদ্ধিৰ বাবে দৃঢ়তাৰে দাবী উত্থাপন কৰিব লাগে।

৪) পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগ আৰু পৰিৱেশ ও বন বিভাগৰ দ্বাৰা ৰেচম পাম সমূহত হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ সহযোগিতাত ব্যাপক হাৰত নুনী, চোম , শুৱালু, এৰা আদি গছ ৰোৱাৰ ব্যৱস্থা অতি সোনকালে ল'ব লাগে।

৫) বিভাগৰ সূতা উৎপাদন কেন্দ্ৰ সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা ল'ব লাগে।

৬) পাট পলু পোহা পৰিয়াল সকলক আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ক ৰাজ্য খনত থকা ২০৪ খন ৰেচম পামক সুন্দৰ ভাৱে গঢ় দিয়াৰ আহ্বান জনাই মই এই গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। ধন্যবাদ।.........

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীউৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী (হস্ততাতঁ বস্ত্ৰ শিল্প বিভাগ ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,যোৱা ১৬ ফেব্ৰুৱাৰীত সাদিন বাকৰি কাকতত যিটো বাতৰি প্ৰকাশ হৈছে, চৰণীয়া পথাৰত পৰিণত ৰাজ্যৰ ৰেচম পাম আৰু ইয়াৰ লগত সংগতি ৰাখি আমাৰ এই সদনৰ সন্মানীয় সদস্যই দৃষ্টিগোচৰ কৰিছে। সেই বাতৰি আমাৰো দৃষ্টিগোচৰ হৈছে, আৰু বহুত কথা ইয়াত লিখা হৈছে, ইয়াৰ মাজত দুই এটা আমি বাস্তৱত মানি ল'ব লাগিব যে ইয়াত লিখা কেইটামান কথা বাস্তৱত সঁচা। কিন্তু ইয়াত বেছিভাগ কথা আধৰুৱা এটা information ত লিখা যেন লাগে। যিয়ে নহওঁক দৃষ্টি আৰ্কষণ কৰিছে যেতিয়া যিটো উপদেশ সদস্যই আজি দিছে, সেই সম্পৰ্কত বিভাগে যথেষ্ট ব্যৱস্থা ল'ব। মই যেতিয়া ২০২১ চনত মন্ত্ৰী হিচাপে যোগদান কৰি এই বিভাগটো চোৱাৰ দায়িত্ব পাইছিলো তেতিয়া এটা ৰিভিউত জানিব খুজিছিলো যে আমাৰ মাটি কিমান? ২৪৯৫.৩৪ হেক্টৰ মাটি ৰেচম বিভাগৰ অধীনত আছে আৰু ইয়াৰ পৰা ১৮৮৮.৫৯ হেক্টৰ মাটিত plantation এতিয়াও আছে, ইয়াৰ ওপৰত বহুত তদন্তও কৰা হৈছে। তদন্ত কৰি ground level ত এই ফাৰ্ম বিলাক অক্ষুন্ন অৱস্থাত থকা টো আমি পাইছো। ৰাজ্য চৰকাৰৰ general area ত ২০০৩ ৰেচম ফাৰ্ম আছে। আৰু 6th schedule area বিলাকত বিভাগৰ অধীনত ১৩৬ টা ৰেচম ফাৰ্ম আছে। ২০২২ চনৰ এপ্ৰিল মাহলৈকে আমাৰ খালী মাটি আছিল ১০৭১ হেক্টৰ, তেতিয়া প্ৰশ্ন হৈছিল ইমান বছৰ ধৰি কিয় গছপুলি ৰোপণ কৰা হোৱা নাছিল। কাৰণ আজি যদি ৰেচম ফাৰ্মৰ অৱস্থা বিলাক অলপমান যদি বেয়া হৈছে,তাৰ কাৰণটো দুই এটা বছৰত হোৱা কাৰণ নহয়। এইটো

বহুত বছৰ ধৰি তাত উচিত ব্যৱস্থা নোলোৱাৰ কাৰণে এইটো হৈছে। তেতিয়া মই এটা সিদ্ধান্ত লৈছিলো যে অতি কম সময়ৰ ভিতৰতে আমি আকৌ re- plantation টো কৰিব লাগে। তেতিয়া দুই বছৰত আমি ৫১০ হেক্টৰ মাটি ইতিমধ্যে আমি re-plantation কৰিলো । এতিয়া অমৃত সৰোবৰৰ নামত ২৫ টা অমৃত সৰোবৰ বনোৱা হ'ল, ২৫.৮০ হেক্টৰ মাটিত আৰু এতিয়াওঁ যিটো খালী মাটি বাকী আছে ৫৩৫ হেক্টৰ মাত্ৰ আছে। তাৰ কাৰণেও এতিয়া আমাৰ হাতত ৩ কোটি টকা মজুত আছে, ১০ লাখ গছপুলি ৰোপন কৰাৰ বাবে আমি সিদ্ধান্ত লৈছো। আমাৰ বৰ্তমানৰ Handloom & Textile আৰু Sericulture বিভাগৰ কৰ্মচাৰী সকলে নতুন উদ্যমেৰে কাম কৰি আছে। আমি এটা সিদ্ধান্ত লৈছো যে আমাৰ যিমানবিলাক মাটি আছে, এই খালী মাটিবোৰত আমি গছপুলি ৰোপণ কৰিম। বাতৰি কাকতত এইটো কথাওঁ লিখিছিল যে ৰেচম বিভাগ অসহায়, P&RDৰ পৰা সহায় লৈ re- plantation কৰিছে। P&RD য়ে হওঁক বা যিয়ে নহওঁক, আমি re- plantation বা plantation ৰ কাৰণে ৰাজ্য চৰকাৰৰ বাজেটৰ পৰা পুঁজিৰ পৰাই পইচা পাব লাগিব। কাৰণ ৰেচম বিভাগৰ কোনো revolving fund নাই, আৰু আমি পইচা যদি পাওঁ তেতিয়া re- plantation কৰিব পাৰিম। এই বছৰ আমি ৩ কোটি টকা পাইছো, P&RD আমাৰো বিভাগ, আৰু এতিয়া মুখ্যমন্ত্ৰীয়ে এটা সিদ্ধান্ত লৈছে যে convergence ত সকলো কাম কৰিব পাৰি। Convergence তে কৰক বা যিয়ে নহওঁক আমি বাগান বিলাক আকৌ পুনৰ উদ্ধাৰ কৰিম। আপোনালোকে শুনি ভাল পাব যে গছ পুলিৰ যিটো shortage সেইটো পুৰণ কৰিবৰ কাৰণে ইতিমধ্যে ৯২ খন নাৰ্চাৰী আমি স্থাপন কৰাৰ প্ৰক্ৰিয়া আমাৰ এতিয়া হৈ আছে। আজি প্ৰায় কিছুমান এৰিয়াত, মাটি encroachment ত আছে। কিন্তু encroachment ৰ বিষয়টো আমি যদি চাওঁ, যে কিয় allow কৰা হৈছিল। ক'ৰবাত ৰেচম বাগানত স্কুল স্থাপন কৰিবৰ কাৰণে বা কিবা মন্দিৰ স্থাপন কৰিবৰ কাৰণে আগৰ চৰকাৰবোৰে কি কাৰণত এইটো allotment দিছিল। এতিয়া এইটো চাই যেতিয়া আমি order দিলো যে এইটো eviction কৰিব লাগে, eviction কৰাৰ দায়িত্ব আমাৰ DC সকলৰ। আমি DC সকললৈ লিখিব পাৰো সেই ব্যৱস্থা আমি এতিয়া লৈ আছো, সেই কাৰণে ইয়াত আমাৰ দুটামান কথা মই জনাব লাগিব, যে আমি মাটিবোৰ খালী হৈ থাকিবলৈ নিদিওঁ। এতিয়া আপোনালোকৰ জ্ঞাতাৰ্থে আমাৰ মূগা চিল্কৰ ওপৰত এটা climate resistance ৰ resil- ience ৰ এটা issue আছে। climate resistance ৰ resilience ৰ issue টো sort out কৰিবৰ কাৰণে আৰু high quality seeds production ৰ কাৰণে এই বিভাগৰ পৰা Assam Agriculture University ক চিঠি লিখি ইয়াৰ ওপৰত এটা গৱেষণা Central Silk ৰ Assam University য়ে আৰম্ভ কৰি দিছে। ছাৰ, ইয়াত আমাৰ পদ খালী থকাৰ কথাটো উল্লেখ কৰিছিল, খালী পদ আছিল বুলি, হয়, ১৮১৯ গৰাকী আমাৰ বিষয়া কৰ্মচাৰী আছে। তাৰে মাত্ৰ ৮৭৪ টা পদ খালী আছে। কিন্তু এতিয়া ১৪০ ৰেচম পদৰ demonstrator পদত নিযুক্তি পক্ৰিয়া চলি আছে। কিন্তু মেট্ৰিক পৰীক্ষা শেষ হোৱাৰ পিছত প্ৰক্ৰিয়াটো শেষ কৰা হ'ব। আৰু ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ কাৰণে যিটো State level recruitment হ'ব তেখেত সকলক আমাক দিবৰ কাৰণে লিখা হ'ল আৰু বাকী পদবিলাকো আমি পূৰণ কৰিবলৈ চেষ্টা কৰি আছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ,কাৰ্য্যসূচী নং ১৫ Under Rule 301.তিনিগৰাকী সদস্য আছে, মাননীয় সদস্য সকল যদি এক দুই মিনিটৰ ভিতৰত আপোনালোকে ক'ব পাৰে, আপোনালোকে

মূল বিষয়ৰ উত্তৰটো পাব। গতিকে আমাৰ ১২ মিনিট সময় আছে। এতিয়া মাননীয় সদস্য জলেন দৈমাৰী, এক মিনিটৰ ভিতৰত কওঁক।

**শ্ৰীজলেন দৈমাৰী, বিধায়ক, (তামোলপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৩০১ ত উপস্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। মই বিধায়ক হোৱাৰ পৰা যি এটা কথা উত্থাপন কৰি আহিছো তামোলপুৰ সমষ্টিৰ হৈ, সেই পুৰণা সমস্যাটো মই এতিয়া আকৌ এবাৰ উত্থাপন কৰিব বিচাৰিছো। আমি যোৱা বছৰ আমাৰ তামোলপুৰ সমষ্টিৰ পৰা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল ১১৬০ জন। কিন্তু আমাৰ বহুত ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাত পঢ়িবলৈ বহুত ইচ্ছুক আছে। গতিকে যোৱা বছৰৰ হায়াৰ ছেকেণ্ডাৰীত আমি বিজ্ঞান শাখাত অসমৰ ভিতৰত প্ৰথম পজিশ্যন পাইছিলো, ৮০ শতাংশত । কিন্তু এটা কথা হ'ল আমাৰ তামোলপুৰৰ বিভিন্ন যিবিলাক অনুষ্ঠান নিৰ্মাণ কৰি থকা হৈছে, মেডিকেল কলেজেই হওঁক, নাৰ্চিং কলেজ বনাই থকা হৈছে, তথাপিও আমাৰ অকল বিজ্ঞান শাখা যিহেতু এখনহে আছে। তামোলপুৰ হায়াৰ ছেকেণ্ডেৰীত বিজ্ঞান শাখা আছে, য'ত কেৱল ৭৫ টা মাত্ৰ চিট আছে। কিন্তু বছৰি যিহেতু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পাছ কৰি আছে আৰু আৰ্থিক অনাটনৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী, নলবাৰী বা দূৰত যাব নোৱাৰে। ইয়াৰ কাৰণে আমাৰ তামোলপুৰ বাসীৰ এটা দাবী আছে, বা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ আছে যে কুমাৰীকটা হায়াৰ ছেকেণ্ডাৰীত বিজ্ঞান শাখাটো introduce কৰিব লাগে, যাতে ১০ হাজাৰৰ পৰা ১৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভবান হ'ব, আৰু বৃহত্তৰ অঞ্চল হয়, ইয়াত যদি বিজ্ঞান শাখাটো introduce কৰা হয়, বাগানপাৰায়ে হওঁক, শগুণকাটাই হওঁক, কাউলী কুমাৰীকাটা বৃহত্তৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী লাভৱান হ'ব। লগতে শেষ কথা এটা ক'ব বিচাৰিছো উপাধ্যক্ষ মহোদয়, আমাৰ কুমাৰীকাটাত যিহেতু ডিগ্ৰী কলেজ নিৰ্মাণ কৰি থকা হৈছে, ৭০ শতাংশ construction complete হৈছে, ইয়াৰ কাৰণে মই তথাপি অহা ২০২৬ চনত যাতে education ত আমাৰ ডিগ্ৰী কলেজখন নাম ভৰ্ত্তি কৰি তামোলপুৰৰ ৰাইজৰ কাৰণে উচৰ্গা কৰি দিব পাৰো ইয়াৰ কাৰণে মই আমাৰ গৃহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তামোলপুৰত এখন ডিগ্ৰী কলেজ নিৰ্মীয়মান অৱস্থাত আছে, ৭০ শতাংশ নহয় প্ৰায় ৮০শতাংশ কাম সম্পূৰ্ণ হৈছে। তেখেতে অনুৰোধ জনাইছে যে ২০২৫-২৬ বৰ্ষৰ ভিতৰতে মহাবিদ্যালয়খন যাতে আৰম্ভ কৰিব পৰা যায়। তামুলপুৰত এখন স্নাতক মহাবিদ্যালয় নিৰ্মাণ হৈ আছে আৰু প্ৰায় ৮০ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু আমাৰ সদস্য গৰাকীয়ে অনুৰোধ জনাইছে যে ২০২৫-২৬ বৰ্ষৰ ভিতৰতে মহাবিদ্যালয় খন যাতে কাৰ্য্যক্ষম হয়। এই ক্ষেত্ৰত মই অতি সোনকালে উক্ত মহাবিদ্যালয় খন পৰিদষৰ ব্যৱস্থা কৰিম। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা আছে আৰু ৭৫ খন আসন আছে। লগতে আমি এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহ পুনৰ নিৰ্মাণ কৰি আছো যাতে তাত আমি Intake Capacity বঢ়াব পাৰো। কুমাৰীকাতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খনত বিজ্ঞান শাখা প্ৰবৰ্তন কৰা অনুৰোধ আমি লাভ কৰিছো। আৰু ২০২৫-২৬ বৰ্ষত কিমানখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা প্ৰবৰ্তন কৰিব পাৰো তাক আমি পৰীক্ষা কৰি আছো। মই নিজেওঁ কুমাৰীকাতালৈ গৈ দেখা পাইছো যে তাত মাত্ৰ ১ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়তে বিজ্ঞান শাখা আছে গতিকে তাত আৰু এখন বিজ্ঞান শাখা থকা উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপনৰ চিন্তা কৰি আছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া বিধায়ক শ্ৰী ৰাজেদ আলী চৌধুৰী, একবাৰে specific ক'ব।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি ২০১৭ চনৰ পৰাই এটা বিষয়ৰ ওপৰত প্ৰশ্ন কৰি আহিছো কিন্তু আজি আমি ৩০১ আনিছো অলপ সময় পাম বুলি। ইয়াৰ কিছুদিন আগতে আমি পৰিপূৰক প্ৰশ্নত কথাটো উল্লেখ কৰিছিলো কিন্তু আমি বিতং তথ্য পোৱা নাছিলো। যেতিয়া দক্ষিন শালমাৰা- মানকাছৰ মহকুমা আছিল সেই সময়তে এই অঞ্চলটো আৰক্ষী জিলা হিচাপে ঘোষণা কৰা হৈছিল। সাধাৰণ জিলা পিছত হৈছিল আগত আৰক্ষী জিলা আছিল। মহকুমা থকা সময়ত মোৰ সমষ্টিও তাত সোমাই আছিল, কিন্তু যেতিয়া দক্ষিন শালমাৰা- মানকাছৰ পূৰ্ণাংগ জিলা হল তেতিয়া মোৰ সমষ্টিটো কাটি আনি ধুবুৰী জিলাত সংলগ্ন কৰা হ'ল। আগৰ চৰকাৰৰ সময়তো এই বিষয়ে আমি সদনত বহুবাৰ প্ৰশ্ন কৰিছো মুখ্য মন্ত্ৰীকো স্মাৰক পত্ৰ দিছো তাৰ পিছত এই ক্ষেত্ৰত এখন অধিসূচনা জাৰি কৰা হ'ল যে আমাৰ আৰক্ষী জিলা ধুবুৰী। Claims & Objections ত শুনানি হ'ল আৰু কোৱা হ'ল যে দুই এদিন পিছতে এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব, কিন্তু এই চৰকাৰৰ আজি ৪ বছৰ হৈ গল কিন্তু আমি আৰক্ষী জিলা দক্ষিন শালমাৰা- মানকাছৰত থাকিব লগা হৈছে কিন্তু আমাৰ Civil জিলা হৈছে ধুবুৰী। ইয়াৰ ফলত ৰাইজৰ বহুত সমস্যা হৈছে যেনে আবেদন এখন দিব লাগিলেও কিবা সভা সমিতিৰ অনুমতিৰ বাবে তেতিয়া ধুবুৰী জিলা আয়ুক্তক দিব লাগিব, সেইখন আকৌ দক্ষিন শালমাৰা- মানকাছৰ SP তাত যাব Verification ৰ বাবে । সেইহে এটা সমষ্টিতে দুখন জিলা থকা বাবে মানুহ খিনিৰ যথেষ্ট সমস্যা হৈছে। গতিকে মই অনুৰোধ কৰিছো যে মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব যে ধুবুৰী জিলা আৰক্ষী জিলাত অন্তৰ্ভুক্ত হব নে নাই।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ১০-০৩-২০২৫ চনত বিধান সভাত উত্থাপন কৰা ১৫২ নং প্ৰশ্নৰ উত্তৰত আমি তেখেতক উত্তৰ দিছিলো। আৰু তেখেতে যিটো কথা কৈছে যে Police District & Civil District ৰ মাজত যিটো সামঞ্জস্য থাকে সেই বিষয়ে আমাৰ চৰকাৰ ভালদৰে অবগত আৰু মইয়ো জানো। এই সম্পৰ্কে অধিক তথ্যৰ বাবে আমাৰ তদানীন্তন অতিৰিক্ত মুখ্য সচিব শ্ৰী জিষ্ণু বৰুৱাৰ এজনীয়া তদন্ত সমিতিৰ জৰিয়তে আমি এক প্ৰতিবেদন বিচাৰিছিলো। আৰু তেখেতে ধুবুৰী জিলালৈ গৈ তাৰ মানুহৰ লগত আলোচনা কৰি আমাক এক প্ৰতিবেদন দিছিলে। আৰু এই প্ৰতিবেদন খন আমি বিবেচনা কৰি আছো। আজি সদস্য গৰাকীয়ে কোৱাৰ দৰে Police District ৰ লগত পুলিচ থানাখন থাকিব লাগে আৰু Police District আৰু Civil District বেলেগ কৈ থাকিব নালাগে। তাত মোৰ কোনো দ্বিমত নাই। বঙাইগাওঁ জিলাত SP সকলৰ যি সন্মিলন হৈছিল তাত মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে যিবোৰ OP আছে সেইবোৰ আৰক্ষী থানালৈ উন্নীতকৰণ কৰিব লাগে। গতিকে এতিয়াৰ পৰা তাত কোনো Patrol Post নাথাকিব। আইন-শৃংখলা প্ৰতি লক্ষ্য ৰাখি তাত পূৰ্ণ পৰ্য্যায়ৰ Police Station থাকিব, আৰু ইয়াৰ লগত বহুত বিষয় যেনে অপৰাধৰ সংখ্যা তাৰ জনবিন্যাস আদি জড়িত থাকিব লাগিব। উন্নীতকৰণ সম্পৰ্কীয় এটা প্ৰস্তাৱ আমি লাভ কৰিছো যদি সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত এই পূৰ্ণ পৰ্য্যায়ৰ Police Station লৈ উন্নীতকৰণৰ বিষয়টো অধিক পৰীক্ষাৰ প্ৰয়োজন হ'ব। গতিকে বিৰসিং, জৰুৱা আদি বিধান সভা সমষ্টিটো দক্ষিন শালমাৰা- মানকাছৰ Police District ৰ পৰা কৰ্তন কৰি ধুবুৰী Police District ত অন্তৰ্ভুক্ত কৰা বিষয়টো পৰীক্ষাৰ বাবে সময়ৰ প্ৰয়োজন হ'ব। এইবোৰ ঠাই যিহেতু Core

জিলা হ'ল তাৰ বাবে আগৰ থানাখনৰ কোনোবা খন ঠাই কোনোবা খন সমষ্টিত পৰিল তাৰ বাবে আমাক কিছু সময়ৰ প্ৰয়োজন হ'ব। এইটো আপুনি নেতিবাচক হিচাপে নল'ব। গতিকে এইবাৰ এই বিষয়টোৰ ওপৰত এটা স্থায়ী সিদ্ধান্ত হ'ব। গতিকে মই ভাবো আপোনাৰ এই সমস্যাটোৰ এইবাৰ সমাধান হ'ব। যোৱাকালি আমি গৃহ বিভাগৰ বিষয়া সকলৰ লগত কথা পাতোতে মই কৈছো যে শ্ৰী জিষ্ণু বৰুৱাৰ প্ৰতিবেদন খন এবাৰ ভালকৈ পৰীক্ষা কৰি চোৱা যাওক। তেতিয়া আমি গম পাম তেখেতে কি কৈছিল SP ধুবুৰীয়ে কি কৈছিল বা সাধাৰণ মানুহ বিলাকে কি কৈছিল। এই বিষয় নিস্পত্তি হ'লহেতেন কিন্তু এতিয়া যিহেতু সমজিলা হল সেইবাবে গোটেই অসমতে আৰক্ষীয়ে এই বিষয়টো পৰ্য্যায়ক্ৰমে কৰি আছে সেইবাবে অলপ সময় লাগিব।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাত্ৰ ১ মিনিট সময় দিয়ক। আমাৰ সমষ্টি সমজিলা হোৱা লৈকে ধুবুৰী লগতে আছে সেইহে এবাৰ যিহেতু অধিসূচনা হৈ গৈছিল ধুবুৰী Police District ৰ অধীনত অধিসূচনা হৈছিল, গতিকে এতিয়া সময় কি কাৰণত লাগে মন্ত্ৰী মহোদয়ে জনাব নেকি।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে আমাৰ এই গোটেই বিষয়টো জিষ্ণু বৰুৱাৰ report টো চাব লাগিব আৰু ইয়াৰ objection ত মানুহ কিছুমানে কি কৈছে, এইটো বাৰু এতিয়া সদনত নকওঁ। গতিকে আপুনি এইটো কথা negatively লৈ নাযাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ ৰ অধীনত ......

**মোঃ আমিনুল ইছলাম, (মানকাচৰ, কনিষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এক মিটিত কোৱাৰ কাৰণে আপোনাৰ অনুৰোধ কৰিছো।

আচলতে ধুবুৰী জিলাৰ পৰা যিখিনি দক্ষিণ শালমাৰ মানকাছাৰ জিলা, আগতে দক্ষিণ শালমাৰা মানকাছাৰ যিটো মহকুমা আছিল, তাতকৈ জিলাখন সৰু হৈ গ'ল। আগতে দক্ষিণ শালমাৰা মানকাছাৰ মহকুমা আছিল, তাত পুলিচ এৰিয়াটো এতিয়ালৈকে দক্ষিণ শালমাৰা মানকাছাৰ জিলাত হৈ গ'ল। এতিয়া কথাটো হৈছে, যে আমাৰ কিছুমান অঞ্চল মহৰিষা বিলসিয়া, যিটো চুব চহৰৰ লগত আছে, তেখেতেসকলে এতিয়া ৩৫ কিলোমিটাৰ নদীৰে যাব লাগিব, তাৰ পিছতহে ৪৩ কিলোমিটাৰ বাছেৰে ডেৰ ঘন্টা যাব লাগিব, তেতিয়া হলে বিলাসীপাৰা পাব। এতিয়া এই অঞ্চলটো কাটি বিলাসীপাৰা আমাৰ লগত সংযোগ কৰি দিছে। এতিয়া কথাটো হ'ল ফকিৰগঞ্জ এৰিয়াত আৰে পঞ্চায়ত বা লতা জি পি য'ত আছে, ডাঙৰ ডাঙৰ ব্লক আৰু ফকিৰগঞ্জ ZPC, এই এৰিয়াটো নদীৰ পূৰ পাৰে আছে, এইটোৰ লগত ঢেঙাৰখুটি দলং হৈছে, এইখিনি যদি দক্ষিণ শালমাৰাৰ লগত থাকে, আৰু সেইটো পাৰ basin zone, সেইটো no doubt বহুত গুৰুত্বপূৰ্ণ, সেইটো আমাৰ উপযুক্ত আছে। এই অঞ্চলটো দক্ষিণ শালমাৰা মানকাছাৰৰ লগত যিটো আছে, এটা ভাল ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য মোঃ আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কলে, অলপ আগতে কৈছো যে যিহেতুকে উপজিলা হ'ল, উপজিলা হোৱাৰ কাৰণে এতিয়া এইবিলাক কথা ঠিক কৰোতে অলপ সময় লাগিব।

এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে বঙাইগাঁওত SP Conference গোটেই কথাখিনি কৈছে, গতিকে অকণমান সময় লাগিব কাম বিলাক ঠিক কৰোতে। এই গোটেই কথা-বতৰা বিলাক গৃহ বিভাগে নিৰিক্ষণ কৰি আছে আৰু বিভিন্ন মানুহৰ লগত তেখেতসকলে আলাপ আলোচনা কৰি আছে। গতিকে আজিয়েই আপোনাৰ উত্তৰটো সম্পূৰ্ণভাৱে দিব পৰা নাযাব।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয় ........

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ বিষয়টো এতিয়া উত্থাপন কৰাৰ সময় নহ'ব। আপুনি উত্তৰটো পাই যাব।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিষয়টো কালিলৈ উত্থাপন কৰিব দিব লাগে। অতি গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আপুনি আকৌ noticeত আনিব। ধন্যবাদ। এতিয়া আমি বাজেটৰ ওপৰত আলোচনা কৰিম। মই প্ৰথমতে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক বাজেটৰ ওপৰত বক্তব্য ৰখাৰ কাৰণে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমৰ সন্মানীয়া বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়নিয়ে আমাৰ ৰাজ্যৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট দাখিল কৰে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিটো দিনে সমাজৰ বাবে, মানৱজাতিৰ বাবে, একো একোটা নতুন ইতিহাস সৃষ্টি কৰাৰ সম্ভৱনা কঢ়িয়াই আনে। ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হয়, অসমে স্বাধীন ভাৰতৰ অংগৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰে আৰু এই সমগ্ৰ সময়চোৱাৰ অধিকাংশ সময় ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকী বিত্তমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। আমাৰ বাবে এটা নতুন ইতিহাস, যে প্ৰথমবাৰৰ বাবে অসমত এগৰাকী বিত্তমন্ত্ৰী, যিগৰাকী মহিলা ৫ টা বছৰ নিৰন্তৰ এই পবিত্ৰ বিধান সভাত বাজেট দাখিল কৰাৰ এক ইতিহাস নিৰ্মাণ কৰিবলৈ সক্ষম হয়। ই অজন্ত নেওঁগ ব্যক্তিগত কৃতিত্ব নহয়, ই অসমৰ নাৰী সমাজলৈ সমাজে আগবঢ়োৱা অভূতপূৰ্ব স্বীকৃতি। মই পুনৰবাৰ অসমৰ নাৰী শক্তিত সন্মান প্ৰদৰ্শন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এখন ৰাজ্যৰ বাজেট বা এখন ৰাজ্যৰ অৰ্থনৈতিক পৰিবেশে, সেইখন ৰাজ্যৰ বিকাশৰ গতিধাৰাত প্ৰতিনিধিত্ব কৰে, সৰু এটা statistics বা সৰু এটা পৰিসংখ্যা মই ভাৱো ইয়াৰ ওপৰত বিশেষাধিকাৰৰ প্ৰশ্ন নাহিব। মাননীয় অধ্যক্ষ মহোদয়, ২০১৫-১৬ চনত অসমৰ বাৰ্ষিক বাজেট আছিল with revised estimate ৭৪,৮১৮ কোটি টকা আৰু সেই বাৰ্ষিক বাজেটৰ বিপৰীতে সেই সময়ৰ চৰকাৰখনে ৪১,৯৩১ কোটি টকা খৰছ কৰিব পাৰিছে আৰু খৰছৰ শতাংশ আছিল ৬৩ শতাংশ। অলপ সময়ৰ কাৰণে আপোনালোকে চিন্তা কৰক যে ২০১৫-১৬ চনত অসমৰ বাজেট আছিল মাত্ৰ ৪১ হাজাৰ কোটি টকা আৰু আজি ২০২৪-২৫ চনত আমাৰ with revised estimate ৭৪ হাজাৰ পৰা অসমৰ বাজেট ১,৫৮,৬৭৩ কোটিলৈকে বৃদ্ধি হৈছে। অৰ্থাৎ ভাৰতীয় জনতা পাৰ্টীৰ শাসন কালত the percentage of budget expenditure, percentage of budget allocation ই কি ধৰণে বৃদ্ধি পাইছে from 41 thousand to 1,41,529, the percentage, utilization ৪১ হাজাৰ পৰা ১ লাখ ৪১ হাজাৰ, তাৰ মানে মুখ্যমন্ত্ৰী তৰুণ গগৈই ৪১ হাজাৰ কোটি টকা খৰছ কৰিছিল, অজন্ত নেওঁগ ডাঙৰীয়নিয়ে মাত্ৰ আগত ১ টা লগাই দি ১,৪১০০০ হাজাৰ কোটি টকা। this is what, আমি ৰাজনৈতিক ভাৱে ইজনে সিজনৰ প্ৰতিদন্ধি হ'ব পাৰো, কিন্তু অসম মাতৃ যেতিয়া আগবাঢ়ে, মোৰ জননী জন্মভূমি যেতিয়া আগবাঢ়ে তেতিয়া কাৰো মাজতে, তাক প্ৰশংসা কৰাৰ বাবে তাত

কোনো কৃপাণালী কৰাৰ প্ৰশ্ন নুঠে। কাৰণ মই হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশাংসা কৰা নাই, অজন্তা নেওঁগৰ প্ৰশাংসা কৰা নাই, মোৰ জননী জন্মভূমিক মই প্ৰশাংসা কৰিছো। তৰুণ গগৈ ডাঙৰীয়াৰ শাসনকালৰ শেষ বছৰত the percentage of budget utilization was 63 percent আৰু এই বছৰত আমাৰ বাজেট utilization will be 85 percent, অৰ্থাৎ অসমে কি ধৰণে ভাৰতৰ সম্ভৰনাপূৰ্ণ ৰাজ্যসমূহৰ মাজলৈ গতি কৰিছে, তাক আপোনালোকে চাব পাৰিব। এই বাবে ১ লাৰ ৮৩ হাজাৰ কোটি টকাৰ B ৰ পৰিবৰ্তে (B মানে মাৰ্চত দিয়া বাজেট), revised estimate মানে বছৰটোত অহা supplementary demand বিলাক তাত সংযোজিত হয়। এই বাৰ B ৰ পৰ্য্যায়তে ১,৪৩০০০ কোটি টকা আমি ১,৫৫০০০ কৰিছো, তাৰ মানে আৰু পৰ্য্যায়ত ১,৬৮০০০ কোটি টকা এইবাৰ দি পেলাই মই আশা কৰো ১,৮০০০০ কোটি টকাত আমি উপনিত হ'ব পাৰিম। এতিয়া সকলোতে কোনোবা বাজেটত analysis কৰে, RE আৰু B ৰ মাজত নহয়, B to B, RE to RE যদি আমি analysis কৰো, তেতিয়া হলে বাজেট allocation মই ভাৱো ২০২৬-২৭ চনত আমাৰ যি বাজেট হ'ব, It will be 2 lakhs crore, the projection, আৰু এই projection টোৰ লগত আৰু এটা বিশেষ কথা জৰিত হৈ আছে, এখন ৰাজ্যত বাজেট বাঢ়িলে revenue expenditure বাঢ়িছে নে capital expenditure বাঢ়িছে। আজি যদি আপোনালোকে চাই, অসমত capital expenditure ২০১৫-১৬ চনত মাত্ৰ ২৯৫১ কোটি টকা আছিল, সেই কাৰণে Assembly building আৰম্ভ হৈছে, শেষ কতো হোৱা নাছিল, কাৰণ with 2951 crore capital expenditure, এখন ৰাজ্যৰ বিকাশ কেনেকৈ হ'ব পাৰে। আজি চাৰিওফালে উন্নয়ন আৰু প্ৰগতিৰ ঢল বৈছে, তাৰ মূল কাৰণটো হ'ল Now the Capital Expenditure has been increased to 24,964 Rs. তাৰমানে ৩ হাজাৰ কোটি টকা আৰু ২৫ হাজাৰ কোটি টকা 3000 cr. VS 25000 cr. আৰু এই বছৰ আমি কেপিটেল এক্সপেণ্ডিচাৰ ৩২ হাজাৰ কোটি টকালৈকে আমি লৈ যাব পাৰিম। And during this. আমি টেলেংগনাৰ দৰে ৰাজ্যক Capital Expediture ৰ ক্ষেত্ৰত আমি পিছ পেলাই যাবৰ বাবে আমাৰ যাত্ৰা আৰম্ভ হৈছে। State like Telangana. আৰু আপোনালোকে দুগুন কৰিলে পাব We are now close, but we are going to surpress next year. লোনৰ কথা কোৱা হয় This is the data from Reserve Bank Of India. Debt GST ratio পাঞ্জাৰ, হিমাচল প্ৰদেশ, অৰুনাচল প্ৰদেশ, মনিপুৰ, ৱেষ্টৱেঙ্গল, কেৰেলাৰ Debt GDP ratio is 34 শতাংশ। তাৰমানে যিমান ইনকাম হয় তাৰ তুলনাত ৩৪ শতাংশ তেওঁলোকে লোন লয়। আৰু Rajasthan ৰ দৰে ৰাজ্য, ৰাজস্থান বুলি কলে আমাৰ ধাৰণা হয় যে গোটেই মাৰোৱাৰী মানুহ বিলাক তাৰ পৰা আহিছে, কিমান ধনী দেশ। ৰাজস্থানৰ দৰে ৰাজ্যৰ Debt GST ratio হৈছে ৩২.৬। অন্ধ্ৰপ্ৰদেশ ভাৰতৰ বিকশিত ৰাজ্য। তেওঁলোকৰ Debt GST ratio হৈছে ৩০.৯। উত্তৰ প্ৰদেশৰ ২০। And we are below 25. তাৰমানে আমি আৰু যিকেইটা টকা লোন মাৰা হৈছে Directly in Capital Expenditure. মই আমাৰ সকলোৰে বহুজনৰ বাবে আদৰ্শ, যিখন বাতৰি কাকতে সদায় লোন ললে হেড লাইন কৰে মই তেওঁক কৈছো সেই ব্যক্তি জনে ইলেকচন খেলিছিল, তেওঁ দেখুৱাইছিল তেওঁৰ সম্পত্তি আছিল ৬ কোটি ৭৯ লাখ টকা আৰু সেই ব্যক্তি জনে নিজে লোন লৈ থৈছে ৩ কোটি টকা। This is the Affidavit. মই নামটো কব খোজা নাই। তাৰমানে সম্পত্তি যিমান তাৰ বিনিময়ত ৩০ শতাংশ সম্পদৰ যদি এক লাখ টকা এজন মানুহে দৰমহা পাই তাৰ বিপৰীতে ৩০ হাজাৰ টকা মানুজনে

লোন লয়। আৰু যি জন মানুহে সদায় ৰাতিপুৱা পেপাৰত লিখে তেওঁৰো ইনকাম, তাৰ বিপৰীতে অসমে মাত্ৰ ২৫ শতাংশ টকা লোন লৈছে ১০০ টকাৰ উপাৰ্জনৰ বিপৰীতে। তাৰওপৰত আমি কি কৰিছো। এইখন এখন এই বাজেটৰ বিশেষকৈ ইংৰাজীৰ কম The Page No. 51, Chapter 176 is very important. আমি লোন লোৱাৰ বিপৰীতে অসমত ৬০ হাজাৰ কোটি টকা আমি এটা Robust বিত্তীয় সম্পদ এটাৰ সৃষ্টি কৰিছো। আজি আমাৰ অসমৰ ১৭ টা Public Sector Undertaking is profitable. আমাৰ collective wealth গোটেই কেইটা under taking বুলি মই মাটি সম্পত্তি কোৱা নাই Only the cash balance, Only the transactional value Net Worth, এই গোটেই কেইটা PACU ৰ আজি Net Worth হৈছে ৪০ হাজাৰ কোটি টকা। NRL ত আমাৰ Net Worth আছে ৬৫০০ কোটি টকা। ৰিজাৰ্ভ বেংকত আমি জমা কৰি থৈছো ৭,৪৭৪ কোটি টকা। আইফাত আমি জমা কৰি থৈছো ৮৫৫ কোটি টকা আৰু আমি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাত জমা কৰি থৈছো ২,৭০০ কোটি টকা। তাৰমানে today at any point of time ৫৮ হাজাৰ টকা আমাৰ লগত any time we can engage. That is our positive, not negative. আৰু ইয়াৰ লগত এই বছৰ আমি নামৰূপত বিনিয়োগ কৰিব গৈ আছো ২,২০০ কোটি টকা। এই বছৰ ৰিজাৰ্ভ বেংকত আমি আৰু জমা কৰিব গৈ আছো ১০০০ কোটি টকা। অৰ্থাৎ অসমে এটা এনেকুৱা বিত্তীয় নীতিত আৰোহণ কৰিছে Debt GDP ratio is just 25%. আৰু Debtৰ ৫০ শতাংশ আমি wealth হিচাপে তাত আমি নিৰ্মাণ কৰি গৈ আছো। We are creating wealth for the future of Assam. Any point of time কোনোৱা চৰকাৰে যদি ভাল ভাৱে যে মই আজি নুমলিগৰৰ মোৰ শ্বেয়াৰটো বিক্ৰী কৰি দিম অইল ইণ্ডিয়াই আজিৰ দিনতে ৭ হাজাৰ কোটি টকা মাতি নি দিব। এই বিলাক ধন আগত নাছিল, All this wealth has been created during the BJP regime. আজি অধ্যক্ষ মহোদয়, ইয়াৰ ফলত আমাৰ ৰাজ্য খন আজি দ্ৰুত গতিত আগবাঢ়িছে। ভাৰত বৰ্ষৰ যদি আমি চাব যাও ২০১৫-১৬ চনৰ পৰা আৰম্ভ কৰি আজিলৈকে আমি গ্ৰোঠৰ ক্ষেত্ৰত National Growthত কৈ আমি প্ৰত্যেক বাৰত ২০১৫-১৬ বৰ্ষত যদি ১৫ শতাংশ আছিল, ২০২১-২২ চনতো We went upto 19%, ২০২৩ ত ১৪ শতাংশ, ২০২৩-২৪, ২০২৪-২৫ আৰু এই বছৰ আমি ১৫.৩ শতাংশ আমি growth কৰিম যিটো ভাৰতৰ growth আছে ৯ শতাংশ। ৯ ৰ পৰা ১০ শতাংশ National Growthৰ বিপৰীতে আজি আমাৰ ৰাজ্য খনে ১৪ ৰ পৰা ১৫ শতাংশ averageত আমি গতি কৰি আছো। And today we are among the 5 fastest growing state in our country. যদি জি ডি পি গ্ৰোথ আমি হিচাপ কৰো We are the 5th fastest growing state in our country. এনে অসমত advantage অসম অহা নাই। পৰিবৰ্ত্তীত অৰ্থনৈতিক সংগতিক যে Assam is emerging as one of the shining stars in Indian economy. আমাৰ মানুহে ইয়াত অহাৰ আগত ৰিজাৰ্ভ বেংকৰ চাৰ্কোলাৰ চাই, ডেফিচিট চাই, লোন চাই, জি ডি পি চাই, ডেবট চাই, Debt GDP, collection চাই, TAx GDP চাই আৰু গোটেইকেইটা মাৰ্কাৰত আজি আমাৰ জননী জন্মভূমি আজি ত্ৰিব্ৰ গতিত আগবাঢ়িছে। Government Procurement ত ইয়াত মানুহে কয় আকৌ Syndicate চলে, আজি Government Procurement আমি GeM portal লৈকে লৈ গৈছো। কোনো manual tendering নাই। আৰু আজি আমাৰ GeM portal ত ২০২১-২২ মাত্ৰ ১৭৬ কোটি টকা ক্ৰয় কৰা হৈছে। আজি আমি

GeM portal ত ৩৮৩৬ কোটি টকাৰ সামগ্ৰী ক্ৰয় কৰিছো। Totally transparent আৰু উত্তৰ প্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰৰ পিছতে অসম GeM portal ত Procurement কৰা We are the 4th state in our country. যোনেনেকি transperancy ক আদৰি লৈছে। স্বচ্ছতাক আদৰি লৈছে। সেই কাৰণে আজি অসম চৰকাৰৰ কোনো এটা টেণ্ডাৰ কোনো এটা Procurement ত হাইকোৰ্ট নহয়, চুপ্ৰিমকোৰ্ট নহয় আৰু আজি অসমত যদি Foreigners case খিনি যদি আমি বাদ দিও, শিক্ষকৰ কেছ খিনি যদি আমি বাদ গুৱাহাটী হাই কোৰ্টত জাজে কাম কৰিবৰ কাৰণেও কেছ বিচাৰি নাপাব। This is the situation. গুৱাহাটী হাই কোৰ্টত ২০ হাজাৰ শিক্ষা বিভাগৰ কেছ আছে, ৭ হাজাৰ ফৰেনাৰ কেছ আছে। টোটেল ৬০ হাজাৰ আছে। যদি ৬০ হাজাৰৰ পৰা ৩০ হাজাৰ কেছ বাদ দিয়ে হাইকোৰ্টৰ জাজৰ strength বঢ়োৱাৰ পৰিবৰ্তে কমাব লাগিব। This is what transparency we have brought in the last 5 years and these are data গোটেইখিনি ইয়াত published data. আজি এটা বৰ্ধিত সামাজিক অৰ্থনৈতিক, সাংস্কৃতিক এই গোটেই বিলাককে লৈ Assam is emerging as a manufacturing hub. Assam is emerging as an economic power and Assam is emerging as Soft power. যোৱা কেইটামান বছৰত ৭৫ বছৰৰ ৬০ বছৰ কংগ্ৰেছ দল শাসনত আছিল। ভাষা আন্দোলন কংগ্ৰেছৰ সময়ত ৰাজ্যত হৈছিল। কংগ্ৰেছে খুব সহজে বঙালী আৰু অসমীয়াক Classical language ৰ মৰ্যদা দিব পাৰিলেহেতেন। আৰু দুবিৰ দৰে পত্ৰ তান্ত্ৰিক সম্পদ বিলাক কাণাই বৰশীৰ দৰে বিজেপিৰ দিনত আৱিস্কাৰ হোৱা নাই। এই ধৰণৰ পত্ৰ তান্ত্ৰিক সম্পদ বিলাক অসমৰ মাটিত সদায় আছিল। বৰাক-বহ্মপুত্ৰৰ মাজত সংঘাটো নহ'ল হেতেন, বঙালী অসমীয়া ভাষাৰ আন্দোলনো নহ'ল হেতেনঙ্গ আমি কেতিয়াবাই অসমীয়াক ধ্ৰুপদী ভাষাৰ মৰ্য্যদা দিব পাৰিলো হেতেন। অসমখন অশান্ত হৈ থাকক , তাৰ কাৰনে বহু কাম আমি নকৰিলো। - আজি চৰাইদেউক বিশ্ব ঐতিহ্য কৰাৰ লগে লগে আমি আকৌ মাজুলী আৰু শিৱসাগৰক আগবঢ়াই লৈ যাব খুজিছো । যিয়ে এখন আত্মবিশ্বাসী অসমৰ পৰিচয় দিয়ে । আমি সফলতাত আনন্দ নকৰো। আমি সফলতাৰ পিচত জিৰণি নলওঁ, এটা সফলতাই আৰু আন বহু সফলতাৰ বাবে আমাৰ মনত নতুন নতুন সংকল্প সৃষ্টি কৰে আৰু সেই কাৰণে আজি আমি আগুৱাই যাব খুজিছো। এইবাৰ বাজেটত প্ৰথমবাৰৰ বাবে আমি লাহে লাহে এখন নতুন অসমৰ বুনিয়াদ নিৰ্মানৰ কামত আগবাঢ়িছো। আঞ্চলিক বৈষম্য দূৰ হ'ব লাগে। বৰাক উপত্যকাত এইবাৰ মিনি চেক্ৰেটাৰীয়েট উদ্বোধন হ'ব - মই ' মিনি ' নামটো কাটি দি সচিবালয় কৰিব দিছো । আজি আমি ডিব্ৰুগড়ত অসমৰ দ্বিতীয় ৰাজধানী হিচাপে নিৰ্মাণ কৰিব খুজিছো যে গুৱাহাটীত যিমান সম্ভাৱনা হৈছে এখন মহানগৰে অসমৰ পৰিচয় হ'ব নোৱাৰে। আজি যদি আমি কৰ্ণাটকত যাও দেখিম- বাঙ্গালোৰ, মাঙ্গালোৰ, মাইচোৰ ইত্যাদি মহানগৰ আছে। গতিক এখন ৰাজ্যৰ পৰিচয় - এখনে মহানগৰ হ'ব নোৱাৰে । ডিব্ৰুগড় আৰু শিলচৰক আমি মহানগৰ ঘোষণা কৰিছো । মিউনিচিপালিটি ক্ৰিয়েট কৰিছো । But that is not enough, we have to take the next step - এই বাৰৰ আমি অহা ১৪ আগষ্টত অসম বিধান সভাৰ দ্বিতীয় চৌহদ নিৰ্মাণৰ কাম ডিব্ৰুগড়ত আৰম্ভ কৰিম । প্ৰতিজন বিধায়কৰ বাবে ডিব্ৰুগড়ত আৱাস থাকিব আৰু লাহে লাহে যেতিয়া মানুহ আহি ক'ব গুৱাহাটীৰ কাষত মাটি লাগে, আই আই এম , ইঞ্জিনিয়াৰিং ইত্যাদি ইত্যাদি কলেজ কৰিব- আমি ক'ম যে, ডিব্ৰুগড়ো আমাৰ ৰাজধানী হয়, তাৰ কাষতো কৰিব পাৰা । আজি আমি অসমত সম্ভাৱনাৰ নতুন জোৱাৰ সৃষ্টি কৰিছো । We are taking delebrate steps যে, আৰু

এখন ক'ত মহানগৰ কৰিব পাৰি। গহপুৰ আৰু নুমলীগড়ৰ মাজত ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰঙ্গৰ সৃষ্টি, কনকলতা বিশ্ববিদ্যালয় স্থাপনে গহপুৰক আকৌ এখন নতুন আৰ্থিকভাৱে আগবঢ়া মহানগৰলৈ ৰূপান্তৰ কৰিব । আজি অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈ ২০২১ৰ পিচত ২০২৬ চনত কেনেকৈ ইলেকশ্যন জিকিব লাগে তাৰ কল্পনা কৰা নাই । ২০৪৭ চনত কেনেকৈ আমি আকৌ ইলেকশ্যন জিকিম তাৰ কল্পনা কৰিছো । ২০২৬ চনলৈ চিন্তা কৰাৰ প্ৰয়োজনেই নাই - That stage is over long back .

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** সেই কাৰণে গোটেই বিবৃতি দিছে, নহয় জানো ? এতিয়া আপুনি যিমান দিছে, ২০২৬ চনৰ কাৰণে দিছে নহয় জানো ?

**মাননীয় অধ্যক্ষ ঃ** প্লিছ, ... অখিল গগৈ ... বহকছোন আপুনি - চাইলেন্স প্লিছ ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ২০৩২ চনৰ বাবে আৰু দিম । মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ঠিকেই কৈছে ২০২৬ কাৰণেইতো দিছো, তাত আপত্তি কৰিব লগা কি আছে ? ২০৩২ চনত আৰু দিম । আগতে ইলেকশ্যনৰ সময়ত লৈছিলে মানুহৰ পৰা - আমি দি আছো । আগতে ব্যৱসায়ী আৰু আন আনৰ পৰা কালেকশ্যন হৈছিলে এতিয়া আমি মানুহক দিছো । দিব কাৰণেইতো বিধান সভাত আহিছো ।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে কৈ আছে বাজেটখন এপ্ৰিলৰ পৰা আৰম্ভ হয় কিন্তু বহু ঘোষণা অক্টোবৰ মাহৰ পৰা হৈছে । এপ্ৰিলৰ পৰা কৰক যিহেতু এইখন বাৰ্ষিক আয়-ব্যয়।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে নিজৰ সময় আহিলে ক'ব । প্লিজ ক'বলৈ দিয়ক ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** যিমান পইচা দি আছে, ভোট কিনিবৰ বাবে দি আছে ।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ, ... অখিল গগৈ ... বহকছোন আপুনি - চাইলেন্স প্লিজ । আপুনি আপোনাৰ সময়ত ক'ব , বহক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি মোৰ মুখৰ পৰা যিটো উলিয়াব বিচাৰিছে , উলিয়াই লওঁকনা । যি বুলিয়েই ভাবিছে , সেইটোৱেই ভাৱকনা- মইতো কোনো আপত্তি কৰা নাই । অধ্যক্ষ মহোদয়, বাজেট আগতে, আজি ঘোষণা কৰা বাজেট মাৰ্চত ইমপ্লিমেন্ট হয় , আমিতো অক্টোবৰতে কৰিব খুজিছো ।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** অধ্যক্ষ মহোদয়, বিধায়ক পুঁজিটো এই বাজেট চেশ্যনৰ এক মাহ আগতেহে শেষ হৈছে গতিকে.....।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** বিধায়ক পুঁজিটো নোহোৱাই কৰি দিব লাগে । বিধায়কে কিয় পুঁজি কৰিব লাগে । বিধায়কেতো আইন চলাব লাগে- কাৰ্য্যপালিকা চলাব লাগে গতিকে মাননীয় অধ্যক্ষ মহোদয়......।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** অধ্যক্ষ মহোদয়, উঠাই দিয়ক আপত্তি নাই কেৱল সুশাসন হ'ব লাগে । নলবাৰীত যিটো হৈছে - বিজেপিৰ মিনিঙত নগ'লে ' অৰুণোদয়' কাটি দিব- এনেকুৱা হ'ব লাগে নেকি ? এইটো কেনেকুৱা কথা হৈ আছে ?

(শাসকীয় দলৰ পৰা প্ৰতিবাদ- হুলস্থুল)

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয়, 'অৰুণোদয়' পাবলৈ ২ হাজাৰ টকাকৈ লৈছে - ৰেট উঠিছে ।

**মাননীয় অধ্যক্ষ** ঃ প্লিজ, ... অখিল গগৈ, শুনি লওঁক- আপোনালোকৰো স্পীচ আছে , তেতিয়া পইন্টবিলাক ক'ব। চাইলেন্স প্লিজ - ক'বলৈ দিয়ক।

(বাদ- প্ৰতিবাদ- হুলস্থূল )

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিমানে ইয়াত অৰুণোদয় হিতাধিকাৰীক গালি- গালাছ কৰিব, সিমানেই আপোনালোকক মানুহে ভোট নিদিব ।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মহোদয় কি কথা কৈছে, অসমৰ স্বাৰ্থত কৰক, অসমৰ উন্নয়ণৰ কাৰণে টকা খৰচ কৰক।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে নিজৰ টাইমত ক'ব , এতিয়া বহক ।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অখিল গগৈ ডাঙৰীয়া জিকি অহাটো কামনা কৰো সেই কাৰণে মই কেইটামান পৰামৰ্শ দিওঁ ৰাজনীতি কৰা হিচাপে- যিমানেই অৰুণোদয়ক গালি পাৰিব ভোটাৰে

ভাবিব তাৰ মানে কংগ্ৰেছ আহিলে ‘ অৰুণোদয়’ বন্ধ কৰিব । গতিকে যিকেইজনে জিকি আহিব পাৰে তেওঁলোকো হাৰিব ।

(বিৰোধী দলৰ প্ৰতিবাদ- হুলস্থূল- কাৰো মাত বুজা নাযায় )

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ**তাৰ মানে আপোনালোকৰ ‘ অৰুণোদয়’ নামটোত আপত্তি আছে - হিতাধিকাৰীক দিয়াত আপত্তি নাই ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আমি সকলো হিতাধিকাৰীকে অৰুণোদয় দিবলৈ কৈছো- ব্লেকমেল কৰি ভোটটো ল'ব নালাগে ....। বিজেপি হ'লেহে অৰুণোদয় দিম আপোনালোকে এনেকুৱা কৰি আছে । আপোনাৰ যদি সাহস আছে, এবাৰ অৰুণোদয় বন্ধ কৰি দেখুৱাওক ।

**মাননীয় অধ্যক্ষ ঃ** অধ্যক্ষ , প্লিজ - অখিল গগৈ , ... বহক । Dont intarupt.

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়াই প্ৰস্তাৱ দিছে যে ‘ অৰুণোদয়’ এপ্ৰিলত বন্ধ কৰিব লাগে ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** নহয়.. নহয়. , মই প্ৰস্তাৱ দিছো যে, ‘ অৰুণোদয়’ সকলোকে দিব লাগে। কেইজনমানক দি ব্লেকমেইল কৰিব নালাগে। তিনি হাজাৰ দিম বুলি কৈ ১২৫০ টকা নহয়। এবাৰ অৰুণোদয় বন্ধ কৰি চাওকচোন, যদি জিকিব পাৰে ।

**মাননীয় অধ্যক্ষ** ঃ প্লিজ, ... অখিল গগৈ , পিছত ক'ব । সদন ভালকৈ চলিবলৈ দিয়ক । সকলোৰে নিজৰ কথা ক'বলৈ সুযোগ পাব ।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি বুজি পায়েই গ'লনেকি যে আমি জিকিম । অলপ আগতে অখিল গগৈ ডাঙৰীয়াই ক'লে যে, ‘ অৰুণোদয়’ বন্ধ কৰি দি ইলেকশ্যন খেলক - এই ভিডিঅ'টো ভাইৰেল কৰিব লাগে । প্ৰথম কথা- এনেয়ে নুযুঁজিবনা , দ্বিতীয় কথা হ'ল

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আপুনি মিছা কথা এটা কৈ দিলে কেনেকৈ হ'ব। আপুনি অসত্য কথাটো কৈ দিলে এইটো কেনেকৈ হ'ব ? এই ব্লেকমেইলটো আপুনি কিয় কৰে ? সদায় মানুহক আপুনি ব্লেকমেইল কিয় কৰে? যিটো কোৱা নাই সেইটো কেলেই কোৱা বুলি কয় ? আপুনি পইচা দিহে ভোট ল'ব পাৰিব ...।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি ভয় কিয় খাইছে ? অধ্যক্ষ মহোদয়, এনেকৈয়ে বাজেটখন ইফেক্টিভ হ'ব মই ভবাই নাছিলো । মই ধন্যবাদ জনাইছো- দেৱব্ৰত শইকীয়া, অখিল গগৈ ডাঙৰীয়াক যে- গাটো অলপ অলপ পুৰিছে, ধন্যবাদ । মাননীয় অধ্যক্ষ মহোদয়, - ইয়াৰ

পিচত আমি ক'ব খুজিছো যে সেই সময়ত অসমীয়া ভাষাক ক্লাচিকেল লেংগুৱেজ দিব পাৰিব লাগিছিল । চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যৰ ফালে আগবঢ়াই লৈ যাব লাগিছিলে - অসম পুলিছ একাডেমী- শৌৰ্য্য- বীৰ্য্যৰ প্ৰতীক - লাচিত বৰফুকনৰ নামত দিয়াত কোনো সমস্যা নাছিলে - কিন্তু জাতীয় জীৱনৰ বাবে প্ৰয়োজনীয় আমি কামবোৰ কৰাৰ পৰা বিৰত আছিলো। যোৱা ১০ টা বছৰত আমি লাচিত বৰফুকনৰ পৰা আৰম্ভ কৰি চৰাইদেউ মৈদামলৈ ঝুমইৰ পৰা বিহুলৈকে আমি অসমক এটা soft power হিচাপে develop কৰাৰ কাৰণে চেষ্টা কৰিছো। আজি ঝুমইৰ নৃত্য চোৱাৰ পিছত European Commissioner Ambassador এ মই কাইলৈ দিল্লীলৈ যাম বুলি গম পাই তেখেতে কৈ আছে যে তেওঁ মোক যেনেতেনে লগ কৰিব আহিব। He is overwhelmed with the Jhumur. কোনো Ambassador Commissioner ৰে মোক লগ কৰাৰ কোনো কথাই নাই। মোক লগ কৰা নাই। ঝুমইৰ নৃত্য চাই অভিভূত হৈ ছোৱালী আৰু ল'ৰাখিনিক অভিনন্দন জনাবৰ কাৰণে তেওঁ মোক লগ কৰিব খুজিছে This is the power of todays Assam. আজি এয়া অসমৰ শক্তি আৰু লাহে লাহে আমি এই শক্তিক আৰু বঢ়াব খুজিছো। এইবছৰ বৰাক BTAD, Haflong, Karbi-Anglong গোটেই অঞ্চল বিলাকক সামৰি আমি একেদিনাই একেলগে ১ কোটি মানুহে অ' মোৰ আপোনাৰ দেশ গোৱাৰ সিদ্ধান্ত লৈছো। অ' মোৰ আপোনাৰ দেশ মোৰ ভাষা তাত অসমীয়া শব্দও নাই, বঙালী শব্দও নাই। লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই এইধৰণে অসম সংগীত লিখি থৈ গৈছিল যে প্ৰতিটো জাতি-উপজাতিয়ে প্ৰতিটো ভাষাই তাত প্ৰাণৰ স্পন্দন বিচাৰি পায়। মোৰ সুৰদী মাত মিচিঙো হ'ব পাৰে, বড়োও হ'ব পাৰে, কাৰ্বিও হ'ব পাৰে, অসমীয়াও হ'ব পাৰে, বঙালীও হ'ব পাৰে, গুজৰাটীও হ'ব পাৰে। কিমান স্বপ্নদ্ৰষ্টা পুৰুষ আছিল। বৈচিত্ৰটো কেনেকৈ বুজি পাইছিল। বড়ো মানুহ এজনে যেতিয়া অ' মোৰ আপোনাৰ দেশ গায়, তেওঁক নালাগে যে তেওঁ মাতৃভাষা বড়োত কথা কোৱা নাই। ইমান বৈচিত্ৰ্যতাৰ প্ৰতীকৰ মাজত তেনেকুৱা ব্যক্তি সত্বা সমূহে আমাৰ জাতিটোক নিৰ্মাণ কৰাৰ বাবে চেষ্টা কৰিছে আৰু সেইকাৰণে এইবাৰ ১ কোটি মানুহে একেলগে আমি অ' মোৰ আপোনাৰ দেশ গাম আৰু বাগৰুম্বা আৰু বৰদৈ চিখলাক আমি বিশ্বৰ মঞ্চলৈ লৈ যাম।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ এইটোৰ লগত বাজেটৰ কি সম্পৰ্ক চাৰ।

**মাননীয় অধ্যক্ষ** ঃ সকলো ক'ব পাৰে। বহক আপুনি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভাল কথা শুনাৰ সাহস থাকিব লাগে। leftist হ'লে এনেকুৱা নুবুজাই যে regionalist নহয়, মই মাতৃক ভাল নাপাম। বিশ্বক প্ৰেম কৰক, চাইনা, ৰাছিয়াক প্ৰেম কৰক আপত্তি নাই। গতিকে অধ্যক্ষ মহোদয়, অ' মোৰ আপোনাৰ দেশৰ কথা কওঁতে যিজন মানুহে interrupt কৰিব পাৰে, তেওঁৰ মানসিকতা কি হ'ব আপোনালোকে নিজে কওঁক। মাননীয় অধ্যক্ষ মহোদয়, New York Times ৰ দৰে বাতৰি কাকত, যিজনে প্ৰতিটো দিনতে BJP আৰু প্ৰধান মন্ত্ৰীক সমালোচনা কৰে। New York Times য়ে আজি ক'বলগীয়া হৈছে যে Assam is prescribe out of 52 destination ৰ ভিতৰত অসম ৪ নম্বৰত, আপোনালোকে ভ্ৰমণ কৰিব পাৰে। আজি অষ্ট্ৰেলিয়াই travel restriction withdraw কৰিলে, মই ভাবো যে বাকী কেইখন country য়ে travel restriction আজি withdraw কৰিব। এই কথাখিনি মই এই কাৰণেই কৈছো যে আমি পাথৰৰ ঘৰ বনাব খোজা নাই, চিমেণ্টৰ ঘৰ বনাব খোজা নাই তাত আমি আত্মাকো সংৰোপন কৰি জীৱন্ত বিকাশ কৰিব খুজিছো। কৰোবাত যদি আমি ডাঙৰ ডাঙৰ fly over বনাইছো তাৰ লগে লগে

শিৱসাগৰ, মাজুলী, চৰাইদেউক বিশ্বৰ ঐতিহ্য কৰাৰ আমি সপোনো দেখিছো। This is the model of development যাৰ কাৰণে মোক কৈছে অ' মোৰ আপোনাৰ দেশ সম্পৰ্ক কি? বাজেট টকা-পইচাৰ কথা, অসমে এনেকুৱা এখন ৰাজ্য হ'ব খোজে যাৰ বিকাশ সকলো ধৰণৰ মানুহে দেখা পাব পাৰে। অৰুণোদয়ৰ হিতাধিকাৰীজনৰ বিকাশ তাত দেখা পাব পাৰে startup জনেও তাত বিকাশ দেখা পাব পাৰে, মহাকাশত চেটেলাইজ যোৱা সপোন দেখা ল'ৰাজনেও তাত নিজৰ সপোন বাস্তৱত ৰূপায়িত হোৱাটো দেখা পাব পাৰে। এইয়ে হৈছে নতুন অসমৰ আৰম্ভণি। কোনে কল্পনা কৰিছে যে প্ৰতিটো সমষ্টিতে একোটাকৈ মহকুমা হ'ব, মহকুমা নহয়, সমজিলা হ'ব। এইবাৰৰ ২৬ জানুৱাৰীত যেতিয়া সমজিলা বিলাকত পতাকা উত্তোলিত হ'ল। নাহৰকটীয়া আৰু মৰাণৰ মাজত যি কৃত্ৰিম কাজিয়াৰ সৃষ্টি কৰা হৈছিল তাক আমি সামৰণি মাৰিলো। কংগ্ৰেছ চৰকাৰৰ দিনত নাহৰকটীয়াত মহকুমা আমি কৰিম। নাহৰকটীয়াই যদি মহকুমা দাবী কৰিছে, মৰাণৰ কংগ্ৰেছৰ বিধায়কজনে মৰাণত দাবী কৰিব। তাৰপিছত এজনেও নাপাব দুগদুগী বজাই দুয়োজনকে কাজিয়া লগাই দিব। দুগদুগীৰ খেলা আছিল। আজি আমি নাহৰকটীয়াকো মৰ্য্যদা দিছো, খোৱাঙকো মৰ্য্যদা দিছো, আজি আমি প্ৰতিটো সমষ্টিক মৰ্য্যদা দিছো। আজি অসমৰ মাজত সংঘাতসমূহ আমি নিৰাময়ৰ প্ৰচেষ্টা কৰিছো। এই ৫ টা বছৰত অধ্যক্ষ মহোদয়, ক'ত জিলা বনোৱাৰ আন্দোলন নাই, ক'ত মহকুমা বনোৱাৰ আন্দোলন নাই। এই ৫ টা বছৰত অসমৰ ইতিহাসত আমি এখন নতুন অসম নিৰ্মাণ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, যেতিয়া আৰুণোদয় কথা আহে, তেতিয়া কিবা কাৰণত মানুহবিলাকে হঠাৎ উত্তেজিত হৈ পৰে। কিন্তু অসমৰ অৰুণোদয়টো কংগ্ৰেছ চৰকাৰে লৈ গ'ল। কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে লৈ গ'ল। মধ্যপ্ৰদেশে লৈ গ'ল, নতুন দিল্লীও লৈ গ'ল, চট্টীশগড়েও লৈ গ'ল, ঝাৰখাণ্ডেও লৈ গ'ল। যদি আমি বেয়াই কাম কৰি আছো বাকী ৰাজ্য বিলাকে আমাক কিয় অনুকৰণ কৰিছে। যিসকলে economics পঢ়া নাই বা economics বিষয়ে ধাৰণা নাই, তেওঁলোকে অৰুণোদয় ৰ দৰে DBT ক সমালোচনা কৰে। অধ্যক্ষ মহোদয়, মই simple কৈ বুজাই দিছো। কংগ্ৰেছ চৰকাৰৰ দিনত দুখীয়া মানুহক ধুতী আৰু কম্বল দিয়া হৈছিল। যেতিয়া ধুতী আৰু কম্বল দিয়ে, ধুতী আৰু কম্বল অসমত নিৰ্মাণ নহয়। Tender কৰি order দিয়া হয়। Order টো ক'ত যায়, কৰ্ণাটক, পাঞ্জাৱ আৰু অসমৰ টকাৰে economics টো ক'ত নিৰ্মাণ হ'ল, এইটো এটা model আছিল যে আপুনি সামগ্ৰী বিতৰণ কৰিব পাৰে কংগ্ৰেছ আৰু BJP ৰ মাজত difference টো যে কংগ্ৰেছত প্ৰত্যেকখন বাজেটতে সামগ্ৰী বিতৰণৰ কথা আছে। সামগ্ৰী বিতৰণত আপত্তি নাই, মই আজিও সমৰ্থন কৰো। যদি কয় যে অসমৰ শিপিনীয়ে গামোচা বনাব সেই গামোচা বনাব, সেই গামোচাক আমি বিতৰণ কৰিম। আজি সামগ্ৰী বিতৰণত আপত্তি নাই যদি সেই সামগ্ৰীৰ নিৰ্মাণ অসমৰ চাৰিসীমাৰ ভিতৰত 20% Raw-Material বাহিৰৰ পৰা আনিছো ক'বলগীয়া নাই। আজি অধ্যক্ষ মহোদয়, অসমত GDP কিয় বাঢ়িছে, অসমতো manufacturing অহা নাই। টাটা আহিবহে। অসমৰ GDP বঢ়াৰ মুল কাৰণটোৱে হ'ল যে Additional 5 thousand crores has been pump into bottom of the society. এতিয়া ১২ শ টকাইদি ক'ত যায়, চাৰে ১২ শ টকাৰ যি সামগ্ৰী তেওঁলোকে কাষৰ গেলামাল দোকানখনত কিনে। টিউচন কৰিবলৈ টিউচনত ৫ শ টকাকৈ ল'ৰাজনক টিউশ্যন মাষ্টৰ জনক ফিজ দিয়ে। যিসকলে অৰুণোদয় model of developmement ক সমালোচনা কৰে, তেওঁলোকে যদি সকলো চায়, আমেৰিকাত ক'ভিড আহিলে আমেৰিকাতো প্ৰতি মানুহৰ ঘৰত চেক পঠোৱা আৰম্ভ কৰিলে। প্ৰবাসী ভাৰতীয়ৰ লগত বহুত চিনাজনা আছে, শ্ৰী দেৱব্ৰত শইকীয়াৰ ঘৰৰ পৰিয়ালে

বাহিৰত থাকে, সুধিব পাৰিব যে সেই সময়ত প্ৰত্যেকখন ৰাষ্ট্ৰই চেক্ পঠোৱা আৰম্ভ কৰিলে। DBT কৰা আৰম্ভ কৰিলে। কাৰণ economy যদি generate কৰিব লাগে you have to create the purchasing power, today অসমে ৪০ লাখ মানুহৰ পৰিয়ালক আজি purchasing power generate কৰিছে। This is a economic scheme. হয়, শ্ৰীঅখিল গগৈ ডাঙৰীয়াই কৈছে যে ৩ হাজাৰ কোটি দিব লাগে। মোৰ বিশাল মন আছে যি টি announce হৈ যাব পাৰে। কোনো আপত্তি নাই। গাওঁৰ দুখীয়া মানুহক যিমান দিব পাৰো, সিমানেই ভাল। ক'তো কোনো আপত্তি নাই। গতিকে মই ভাৱো যে আমাক ভাল পৰামৰ্শ নিদিব। কাৰণ ভাল পৰামৰ্শ দিলে আমি লগে লগে শুনি লওঁ। আমাক গালি-গালাজ পাৰি দিলেও আমি লওঁ।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা ভাল পৰামৰ্শ দিছো যে চাহ শ্ৰমিকৰ মজুৰিটো বঢ়াই ৫০০ টকা কৰিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটোও শুনিম। চাহ শ্ৰমিক সংগঠনে নিজে চাহ শ্ৰমিকৰ মজুৰি নিৰ্দ্ধাৰণ কৰে। মই যদি ৫০০ টকা দিবলৈ কওঁ তেওঁলোকে আপত্তি কৰিব। মাননীয় মন্ত্ৰী ৰূপেশ গোৱালা ডাঙৰীয়া ইয়াত আছে, তেখেতক সুধি ল'ব কিমান লাগে? যিজনে মডেলটো নাজানে তেওঁ ক'ব পাৰে। ৫০০ টকা কৰিব দি আপুনি indirectly কৈছে যে বাগান কেইখন বন্ধ কৰিব লাগে। আপুনি চাহ শ্ৰমিক সকলক কিয় ইমান বেয়া পায়, নাজানো।............

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বঢ়াব নালাগে বুলি আপুনি কৈ দিয়ক। চাহ শ্ৰমিকক বছৰে ৫০০০ টকাকৈ দিব কিন্তু হাজিৰাটো বঢ়াব নালাগে বুলি আপুনি কৈ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৩৫ টকাৰ পৰা ২৫৫ টকা কৰা এই খনেই চৰকাৰ। নিৰ্ব্বাচনৰ আগত আৰু মজুৰি বাঢ়িব। সেইকাৰণে আপুনি এইবোৰত আমাক প্ৰত্যাহ্বান দিব নলাগে। এই বিলাকত প্ৰত্যাহ্বান দিলে আপোনালোক বিপদত পৰিব। আপুনি এনেকৈ কৈ থাকে আৰু মোৰ মূৰত খুন্দা মাৰে যে ইয়াৰ পৰা আৰু কি নতুন প্ৰচেচ কৰিব পাৰি? আপুনি ভাৱে যে মোৰ বেয়া হ'ব বুলি কিন্তু মোৰ তাৰ পৰা ভাল হৈ যায়। সেইকাৰণে এইবিলাক কৰি নাথাকিব। আপোনাক মই সিদিনাখনো কৈছো যে আপোনাৰ বহুত শিকিবলগীয়া আছে। শিকক লাহে লাহে, ইমান বুদ্ধি কিয় দি থাকে? তেতিয়া মই left আৰু right ৰ বুদ্ধি প্ৰচেচ কৰি দি মই Synthesis উলিয়াই লওঁ। গতিকে সেইটো কাৰণে মোক এইবিলাক কৈ থাকিব নালাগে। আপুনি জানে যে মোৰ ২৫ বছৰ হৈ গ'ল আৰু মোক বাধা দিলেও মই আগৰ পইণ্টতে ঘূৰি আহিম। এইবোৰত মোৰ কোনো কষ্ট নহয়। মই ৰাতিয়েই ভাৱি লৈছো মই কি ক'ম আৰু মই সেইখিনি বাধা দিলেও কম, নিদিলেও কম। মাননীয় অধ্যক্ষ মহোদয়, অৰুণোদয় আঁচনিয়ে অসমৰ নিম্ন পৰ্য্যায়ত যিটো বিষয়ে অৰ্থনীতিবিদ সকলেও কয় যে how to generate income at the bottom. যদি আজি আম্বানি, আদানিক টকা দিয়ে they will generate income but it will come down, come down, percolate কৰিব। It might take ten years. আপুনি যদি তলত টকা দিয়ে it will immediately galvanize the rural economy. সেইকাৰণে অৰুণোদয় মডেল প্ৰায়ভাগ ৰাজনৈতিক দলেই মানি লৈছে। কংগ্ৰেছ দলে অৰুণোদয় ভাল মডেল হিচাপে মানি লৈছে। ৰাহুল গান্ধী ডাঙৰীয়াৰ গেৰাণ্টিত অৰুণোদয় নাম পাইছে। তেওঁলোকে গৃহলক্ষ্মী নাম দিছে। But ultimately it is Arunodoi. মমতা বেনাৰ্জীয়ে ডাঙৰীয়ানীয়ে লক্ষ্মীভাণ্ডাৰ

নাম দিছে। But ultimately it is Arunodoi. অসমে আজি economic model ত ৰাস্তা দেখুৱাইছে। মই প্ৰথমে মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীক তেখেতৰ সংবেদনশীলতাৰ কাৰণে ধন্যবাদ জনাইছো। আমি হিচাব কৰিছো যে Arunodoy is our commitment. প্ৰত্যেক মাহৰ ১০ তাৰিখে আমি অৰুণোদয় দিমেই আৰু কিবা কাৰণত ফেব্ৰুৱাৰী মাহত নিৰ্ব্বাচন ঘোষণা কৰিলে। নিৰ্ব্বাচন আয়োগে ক'লে যে মাৰ্চ, এপ্ৰিল মাহত অৰুণোদয় দিব নোৱাৰি আৰু মে' লৈকে তো model code of conduct ত থাকিব। গতিকে এইবাৰ বাজেটত As a safeguard, ঘোষণা কৰা নাই, As a safeguard আমি ইমানলৈকে প্ৰভিজন কৰিছো যে প্ৰয়োজন হ'লে ফেব্ৰুৱাৰী মাহত আমি পাঁচ মাহৰ অৰুণোদয় একেলগে দিম।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মহাৰাষ্ট্ৰৰ পৰা শিকিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমি এইটো একনাথ সিন্ধে ডাঙৰীয়াৰ পৰা শিকিছো। ছাত্ৰ হোৱাত কেতিয়াওঁ আপত্তি নকৰিব। Learning is the gretest modesty. মই 'যুৱ প্ৰেৰণা' কৰ্ণাটকৰ পৰা শিকিছো। মই বাজেট দিয়াৰ আগতে best practices of all states বুলি Google ত চাই লওঁ। মাননীয় অধ্যক্ষ মহোদয়, অৰুণোদয়ৰ লগে লগে look at the sensitiveness. মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ দিলো। আমাৰ অসমৰ সত্ৰ-সংস্কৃতিত এসময়ত ৰাইজে টকা-পইচা দিছিল। বিভিন্ন ঠাইৰ পৰা সত্ৰত সামগ্ৰী আহিছিল আৰু সত্ৰবোৰ চলি গৈছিল। উদাসীন ভকত সকলে আজি সমস্যাত পৰিছে। উদাসীন ভকত সকলৰ বাবে আমি মাহত ১৫০০ টকাকৈ দিবৰ বাবে ব্যৱস্থা কৰিছো। অসমত সত্ৰ সমূহৰ আন্তঃগাঁথনিৰ বাবে টকা দিয়াৰ নিয়ম আছে। কিন্তু মই আগতেও কৈছো যে আন্তঃগাঁথনিয়ে প্ৰাণ নিদিয়ে, জীৱন্ত নকৰে। সত্ৰৰ ভকতজনেই হৈছে সত্ৰৰ আত্মা। সেই পৰ্য্যায়লৈকে গৈ আজি আমাৰ চৰকাৰখনে চিন্তা কৰিছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি। মোক মাজে মাজে কোৱা হয় যে আপুনি দিম বুলি কৈছিল, কিয় দিয়া নাই। হিমন্ত বিশ্ব শৰ্মাই অসমৰ নাৰী শক্তিৰ প্ৰতি যিয়ে প্ৰতিশ্ৰুতি দিছে, সেইয়া মোৰ ক্ষমতা অনুযায়ী ৰূপায়ণৰ বাবে যিমান পাৰো প্ৰচেষ্টা কৰিছো। এইবছৰ আমি আত্মসহায়ক গোটৰ সদস্যসকলক ১০ হাজাৰ টকা দিম আৰু তেওঁলোকক আমি কম যে তেওঁলোকে.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,......আপুনি এশ বাৰ এইটো কথাকে কৈ আছে। এতিয়া নিৰ্ব্বাচনৰ আগতেহে দিবগৈ। .......

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, একেবাৰে নিৰ্ব্বাচনৰ আগতেই দিম। স্কীমখন ৰাহুল গান্ধী ডাঙৰীয়া অহাৰ সময়ত আৰম্ভ হৈছিল। আপোনালোকে জানে যে আমি meticulously কাম কৰো। তেওঁৰ তিনিটা সন্তান আছে নে নাই, তেওঁৰ ল'ৰা-ছোৱালী স্কুললৈ যায় নে নাই সেই আটাইখিনি চাব লাগিব। ইয়াত কিছুমান কণ্ডিশ্যন আছে। প্ৰথম কণ্ডিশ্যনটো হৈছে তিনিটা সন্তানতকৈ বেছি হ'ব নোৱাৰে। তেওঁ ঘৰৰ ছোৱালীজনী স্কুললৈ পঠিয়াই নে নাই। স্কীমটোৰ কাৰণে আজি প্ৰত্যেক গৰাকী মাতৃয়ে নিজৰ ছোৱালীজনীক স্কুললৈ পঠিয়াইছে। We are dealing with Govt. revenue. ৰাইজৰ টকা আমি এনেই ব্যৱহাৰ কৰিব নোৱাৰো। আপুনি মহিলা উদ্যমিতা আঁচনিখন ভালকৈ পঢ়িব, পঢ়ি খুব ভাল পাব। এইখন অতি ভাল স্কীম আৰু গোটেই ভাৰততে replicate হ'ব। আমি আজিৰ কাৰণে কাম কৰা নাই। আমি ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে কাম কৰিছো। সময় ল'ম আৰু ঠিক চৰকাৰ শেষ হোৱাৰ আগতে বহু আঁচনি শেষ

হ'ব। আমাক পাঁচ বছৰ লাগিব। কাৰণ আমাক পাঁচ বছৰৰ কাৰণে নিৰ্ব্বাচিত কৰা হৈছে। ১০ হাজাৰ টকা আই মাতৃ সকলে লাভ কৰিব। যিসকল আই মাতৃয়ে এই টকাৰে কাম কৰিব তেওঁলোকক অহাবাৰ আমি ২৫ হাজাৰ টকা দিম। ১২,৫০০ টকা বেংকৰ পৰা লৈ দিম আৰু ১২,৫০০ টকা আমি দিম। Finally third system ত আমি তেওঁলোকক ৫০,০০০ টকা দিম। তাৰেও ২৫ হাজাৰ চৰকাৰৰ হ'ব আৰু ২৫ হাজাৰ আই মাতৃ সকলৰ হ'ব। ৩০ লাখেৰে আৰম্ভ হ'ব, ২৫ হাজাৰ টকা ১৫ লাখ আই মাতৃয়ে পাব আৰু ৫ লাখ আই মাতৃ ৫০ হাজাৰ টকালৈ লৈ যাম। সেইটোৱেই হৈছে আমাৰ সফলতা। প্ৰত্যেকটো স্কীমৰ বিপৰীতে ইয়াত এটা বুনিয়াদ আছে। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিকো সমালোচনা কৰা হৈছে যে চৰকাৰে টকা বিলাইছে। এইবাৰ প্ৰথম বাৰৰ তথ্য পাব যে প্ৰথম বাৰ্ষিকীত এগৰাকী ছাত্ৰীও কলেজৰ পৰা drop out হোৱা নাই। এই যে ১২,৫০০ টকা পাই আছে সেইটোৱে কলেজলৈ অহা-যোৱা কৰিআছে। ছোৱালী অতি সংবেদনশীল হয়। অলপো যদি দেউতাকে কষ্ট পোৱা বুলি গম পায়, ছোৱালী জনীয়ে নিজে sacrifice কৰিব আৰু দেউতাকক একো নকয়। ছোৱালীজনীয়ে যদি গম পায় যে তেওঁক পঢ়োৱাবলৈ দেউতাকৰ কষ্ট হৈছে লাহে লাহে ছোৱালীজনীয়ে বহু কথা উলিয়ায়-ছাৰ বেয়া, কলেজলৈ গৈ ভাল নালাগে এনেকুৱাধৰণে তাই নিজে পৰিৱেশ এটা কৰে যাতে তাই নিজে বিয়া হৈ ওলাই যাব পাৰে। সেইকাৰণেআমি নাৰী শক্তিক মা বুলি কওঁ। এই সংবেদনশীলতাক আমি সন্মান কৰো আৰু নিযুত মইনা আঁচনিৰ কাৰণে এই বছৰ এগৰাকী ছোৱালীও drop out হোৱা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,.মই on record কৈছো যে এই বছৰ আটাইতকৈ drop out অসমত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি বহক। আপুনি মাননীয় সদস্য হিচাপে সদনত মৰ্য্যদা বজাই চলক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াক অসম মাতৃৰ বেয়া কথা ক'বলৈ কেতিয়াবা এঘণ্টা সময় দিব। নিজৰ ৰাজ্যৰ ইমান বেয়া কথা ক'বলৈ নাপায়। আপুনি এখন কলেজৰ পৰা নাম আনি দিয়ক যে এজনী ছোৱালীয়ে টকাৰ অভাৱত drop out হৈছে। মই আজিয়েই resign দিম।......... কোনোবা ছোৱালীৰ যদি বেমাৰ হয়, drop out নহ'ব নেকি? আপুনিতো literally কথাবোৰ নকয়। টকাৰ অসুবিধাৰ কাৰণে একাদশ শ্ৰেণী আৰু স্নাতক প্ৰথম বৰ্ষৰ drop out হোৱা এজনী ছোৱালীৰ নাম আনি দিয়ক। নিজৰ ঘৰ খনক কেনেকৈ বেয়াকৈ কৈ থাকিব পাৰে মই এই মানসিকতা বুজি নাপাওঁ। কেতিয়াবা অখিল গগৈ ডাঙৰীয়াই নিজেও চাব লাগে যে ১২৬ জন বিধায়কৰ তেওঁৰেই কেৱল অসমৰ বদনাম গাই থাকে। বাকী কোনেও তো নাগায়। মোৰ বদনাম কৰক, অসমৰ বদনাম কিয় কৰে? ছোৱালীবোৰক গালি পাৰিলে যে তেওঁলোক drop out হৈছে। অৰুণোদয়ৰ বিষয়ে কৈ অৰুণোদয় হিতাধিকাৰীসকলক গালি পাৰিলে। মোক আৰু মোৰ ল'ৰা-ছোৱালীক গালি পাৰিবলৈ এটা চেচন দি দিম। কিন্তু আপুনি অসমক গালি নাপাৰিব। মাননীয় অধ্যক্ষ মহোদয়, এই নিযুত মইনা আঁচনিটো এইবাৰ আমি দ্বিতীয় বছৰলৈকে লৈ যাম। ডিব্ৰুগড় বিশ্ববিদ্যালয়, গৌহাটী বিশ্ববিদ্যালয়, কলেজবিলাকৰ ৰঙিয়া কলেজ, সকলোতে আজিকালি post graduate self financing scheme আছে। এইবাৰ সেই ছোৱালী কেইগৰাকীকো আমি নিযুত মইনা আঁচনিৰ অন্তৰ্ভুক্ত কৰিম। তাৰ লগে লগে মই অজন্তা নেওগ ডাঙৰীয়ানীক ধন্যবাদ জনাম যে কৰ্ণাটকৰ পিছত, প্ৰথমবাৰৰ বাবে আমি এটা scheme আনিছো। যেতিয়া ল'ৰাজনে graduation pass কৰে, তাৰ চাৰ্টিফিকেটখন হাতত পোৱাৰ

লগে লগে মাক-দেউতাকে ভাৱি লয় যে তেওঁলোকৰ ল'ৰাজনে কিবা এটা কৰিলে। সি ঘৰৰ পৰা টকা-পইচা ল'ব বেয়া পায়, মাক-দেউতাকেও তাক নিদিয়ে। কিন্তু graduate হোৱাৰ পিছত জীৱন সংগ্ৰাম আৰম্ভ হয়। বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। ইণ্টাৰভিউৰ কাৰণে অসম চৰকাৰে ইমান fees নলয়, কিন্তু টেট পৰীক্ষা দিবলৈ ৩০০-৬০০ টকা fees দিব লাগে। পৰীক্ষা কেন্দ্ৰত আহিবলৈ টকা দিব লাগে। এইবাৰ আমাৰ চৰকাৰখনে এটা ডাঙৰ আঁচনি হাতত লৈছে যে এইবাৰৰ পৰা graduation পাছ কৰিলেই এবছৰৰ কাৰণে তেওঁক আমি জীৱনৰ বাবে প্ৰেৰণা দিম, ২৫০০ টকাকৈ প্ৰত্যেক মাহত আমি আগবঢ়াই যাম। লগতে, কোনোবা এজন ছাত্ৰই কয় যে মই দিল্লীত IAS ৰ বাবে পঢ়ি আছো বা মহাৰাষ্ট্ৰত এটা পৰীক্ষা দিব যাম, যদি তেওঁলোকে কয় আমাক মাহত ২৫০০ টকা নালাগে, একেলগে ২৫০০০ টকা দিয়ক, আমি একেলগে ২৫০০০ টকা দি দিম। Research Scholar সকলক বহুত টকা লাগে। আজিলৈকে Research Scholar বিলাকৰ বাবে কোনো scheme নাছিল। এইবাৰ আমি তেওঁলোককো ২৫০০০ টকা দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয়, ১ লাখ চৰকাৰী চাকৰিৰ প্ৰতিশ্ৰুতি আছিল। আমি ১০ অক্টোবৰ তাৰিখে আৰু ৪০০০০ ক নিযুক্তি দি আমি ১,৬০,০০০ চাকৰিৰ নতুন সংকল্পৰে আমি নিৰ্বাচনলৈকে গুছি যাম। আজি চাহ-বাগিচাৰ শ্ৰমিকলৈ what is our contribution ? এইবাৰ ১০ অক্টোবৰত যি চাকৰি পাব তাত প্ৰথমবাৰৰ বাবে ৩% চাকৰি চাহ-বাগিচাৰ ল'ৰা-ছোৱালীয়ে পাব। We are bringing a silent revolution. ঝুমুৰৰ সময়ত চাহ-বাগিচাৰ পৰা নাচিব অহা ছোৱালীকেইজনীক দেখিলে গম পালেহেঁতেন যে how that society is transforming. সমাজখনত কেনেকৈ বিশাল পৰিৱৰ্তন হৈছে। আজি হাইস্কুল পতা হৈছে। স্কুলত ৮৭% admission বাঢ়িছে । এইবাৰ আমি বড়ো মাধ্যমতো চৰকাৰী আদৰ্শ বিদ্যালয় লৈ আহিব খুজিছো। মানুহে কয় স্কুল বন্ধ কৰিছে। আমিতো প্ৰত্যেক বছৰে নতুন নতুন স্কুল ঘোষণা কৰোঁ। আজি মুঠ ২২০ স্কুল চাহ-বাগিচাত হ'ব। ৩% চাকৰিৰ সংৰক্ষণ। আজি পৱিত্ৰ সদনত মই ঘোষণা কৰিছো যে মৰাণ আৰু মটকৰ দৰে এই বছৰৰ পৰা চাহ-বাগিচাৰ দুজন ছাত্ৰ-ছাত্ৰীৰ বাবে APSC ত সংৰক্ষণৰ ব্যৱস্থা কৰিম। আমি সমাজখনক আগবঢ়াই লৈ গৈ আছো। Transformation will not happen in 5 (five) years. গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, তৰুণ গগৈ, হিতেশ্বৰ শইকীয়া, শৰৎ চন্দ্ৰ সিংহ, সৰ্বানন্দ সোণোৱাল, এই সমগ্ৰ মুখ্যমন্ত্ৰীসকলৰ দিনত যিমান কাম হৈছিল, আপোনালোকে যদি ভাৱে মই এক বছৰতে সকলোকে beat কৰি যাম তেন্তে ই সম্ভৱ নহয়। কিন্তু তেওঁলোকে যি বীজ ৰোপণ কৰিছিল, তাক আজি মই আগুৱাই লৈ যোৱাৰ বাবে প্ৰয়াস কৰিছো। এই বছৰ যেতিয়া DSP, ACS পাই মৰাণ-মটকৰ ল'ৰা দুজন থিয় হৈছে, তেতিয়া অসমৰ আটাইতকৈ পুৰণি জনগোষ্ঠীৰ সমাজখনে প্ৰথমবাৰৰ বাবে স্বীকৃতি পাইছে। আজি ঝুমুৰ কাৰোবাৰ কাৰণে ........interruptions.....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব নে নাই?

**মাননীয় অধ্যক্ষঃ** Please sit down.

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হয় নে নহয় নাজানো ......interruptions......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰি দিয়ক। তেতিয়া.......interruptions.....

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্য প্লীজ বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেওঁৰ কাষতে দূৰ্গা দাস বড়ো বহি আছে। তেওঁক সুধি লওঁক। আপোনালোকে আলোচনা কৰি লওঁক। মই এতিয়াই কৰি দিম। আমাৰ ৰিপৰ্টটো আহিবই। সেইকাৰণে আপোনালোক দুইজনে বহি আলোচনা কৰি লওঁক। অধ্যক্ষ মহোদয়, আমাৰ ৰিপৰ্টত দেখা পাবই যে মৰাণ আৰু মটকক জনজাতীয়কৰণ কৰাৰ ক্ষেত্ৰত অসমৰ জনজাতীয় সমাজখনে অনুমোদন দিছে যে তেওঁলোকক কৰক, আমাৰ কোনো আপত্তি নাই। তেওঁলোক আগবাঢ়ি গৈ আছে। আমি আগবঢ়াই লৈ গৈ আছো। কোনো কথাই আমি পিছুৱাই ৰখা নাই। ২০০ বছৰ ধৰি ছাঁ পৰি থকাৰ পিছত আজি ই আমাৰ বাবে celebration আৰু ইয়াক আজি আমি বিভিন্ন ধৰণে ৰূপায়ণ কৰিছো। প্ৰথম বাৰৰ বাবে কৃষকসকলে MSP ত ধান কিনিছে। MSP আছিল কিন্তু ৰাজ্যত ই পৰিৱৰ্তনেই হোৱা নাছিল। MSP ত কিনাই নাছিল। কৃষক মুক্তি সংগ্ৰাম আছিল কিন্তু MSPত ধান কিনাৰ বাবে কাকো বাধ্য কৰাব পৰা নাছিল.......interruptions.....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** বাধ্য কৰাইছিলো আৰু ধান কিনাৰ প্ৰস্তাৱটো মইয়ে আপোনাক দিছিলো ....interruptions.....

**মাননীয় অধ্যক্ষঃ** Please sit, আপুনি নিজৰ সময়ত ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** ধৰি ল'লো যে মোৰ ল'ৰা-ছোৱালীৰ নাম দুটা আপুনি দিয়া নাই। সেইটোকে মই ধন্যবাদ দিছো। মই আপোনাৰ পৰা শিকিবলৈ হ'ল আৰু।

মাননীয় অধ্যক্ষ, MSPত ধান কিনাৰ ফলত মিলেও ২২০০ টকা দিবলৈ বাধ্য হ'ল। চৰকাৰেও কিনিছে, মিলেও দিছে। সেয়েহে, এইবাৰ আমি মিলক বাধ্য কৰাব বিচাৰিছো যে চিৰা আৰু মুৰিলৈ ৰূপান্তৰ কৰিলে তেওঁলোকে যিহেতু আৰু বেছি টকা পায়, সেই কাৰণে চৰকাৰে অতিৰিক্ত ২৫০টকাকৈ দিব যাতে মিলেও বেছি টকা দিবলৈ বাধ্য হয়। We are triggering a economy. আমি প্ৰথমবাৰ অসমত সাহস কৰিছো যে Farmer Producer Organization কোনোবা এটাই প্ৰত্যেক জিলাত মিঠাতেলৰ এটা ব্ৰেণ্ড সৃষ্টি কৰিব। প্ৰথম বছৰৰ বাবে আমি মিঠাতেল কিনাৰ টকা দিম। আপোনালোকে মিঠাতেল কিনক, তেওঁলোকে মিঠাতেলৰ ব্ৰেণ্ড নিৰ্মাণ কৰক আৰু লাহে লাহে টকাখিনি চৰকাৰক ঘূৰাই দিব....interruptions.....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** সেইটো ভাল কথা।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** ভাল কথা। কিন্তু আপুনি এইটো idea দিয়া নাই। আমি এনেধৰণে অসমখনক, সমাজখনক আগুৱাই লৈ যাব বিচাৰিছো। ২০০৫ চনৰ আগত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱা সকলো চৰকাৰী কৰ্মচাৰীক OPS ত আনিব বিচাৰিছো। Operation Blackboard ৰ জৰিয়তে সেই সময়ত নিযুক্তি দিয়া ৩০ হাজাৰ ব্যক্তি directly benefitted হ'ব। ৩০ হাজাৰ ব্যক্তিয়ে OPS পাব। UPS আহিব। আজি আমি যিটো পেঞ্চন পাই আছো তাৰো নিশ্চয়তা প্ৰদান কৰিম। ইয়াৰ লগতে, প্ৰথম বাৰৰ বাবে অসমত চৰকাৰী কৰ্মচাৰী সকলৰ বাবে cashless treament ৰ অৱধাৰণা আৰম্ভ কৰিছো। মেডিকেল কলেজত যাব, কেন্সাৰ হস্পিতালত যাব, cashless treament হ'ব। এই বছৰৰ ভিতৰতে মাদ্ৰাজ, দিল্লী আৰু কলিকতাতো ৩ খন ডাঙৰ হস্পিতালত আমি cashless ব্যৱস্থা কৰাৰ বাবে প্ৰচেষ্টা কৰি আছো। চৰকাৰী কৰ্মচাৰীসকলৰ কোনোবা এজনৰ বেমাৰ হ'লে এতিয়া আৰু দিছপুৰত ফাইল খুচৰিব নালাগে। তেওঁ নিজৰ I-card খন লৈ গ'লে হস্পিতালত treament কৰিব পাৰিব। কেৱল সেয়াই নহয়, NHM,SSA ত যিসকল কৰ্মচাৰীয়ে কাম কৰি আছে তেওঁলোককো আমি

১০০% medical reimbursement দিয়াৰ বাবে সিদ্ধান্ত লৈছো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** তেওঁলোকৰ নিয়মীয়াকৰণ হ'ব নে নহ'ব?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** নহ'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** তাৰ মানে আচল কামটো নকৰে, আপুনি সকলোতে আচল কামটো নকৰে। চাহ শ্ৰমিকৰ কাৰণেও নকৰে, ছয় জনগোষ্ঠীৰ কাৰণেও আচল কামটো নকৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ**আপোনাৰ তাত বান্দৰ কেকুৰা লাগি আছে নেকি চাওঁক, আপুনি উঠি আছে। অধ্যক্ষ মহোদয়, যিজন মানুহৰ নিযুক্তি Contractual হয় সেইমানুহজনক আমি কেনেকৈ regular কৰিম? Regular বুলি advertisement কৰাহেঁতেন বহুত চোকা ল'ৰা-ছোৱালীয়ে আবেদন কৰিলেহেঁতেন। Appointment ৰ সময়ত যিটো হ'ব সেইটোৱে কৰিব লাগিব। এইবাৰ আমি টেটৰ শিক্ষকক নিয়মীয়া কৰিছো by calling them for another interview. যিহেতু সদায় বিতৰ্কটো আহে, আজি মই বুজাই দিছো। চন্দ্ৰমোহন পাটোৱাৰী আৰু মই দুয়োজনে বি.এ. পাছ কৰিছো। Contractual বুলি advertisement এটা কৰিছে য'ত Contractual হোৱাৰ বাবে পাটোৱাৰী ডাঙৰীয়াই আবেদন নকৰে। Contractual বুলি নিযুক্তি দি ১০ বছৰৰ পিছত regular কৰি দিলে। তেতিয়া পাটোৱাৰী ডাঙৰীয়াই কোৰ্টত গৈ প্ৰশ্ন কৰিব যে advertisement ত কিয় আপোনালোকে Contractual বুলি লিখিছিল নহ'লে তেখেতেও appointment ল'লেহেঁতেন। সেইকাৰণে Supreme Court of India ৰ নিয়ম আছে যে কোনো কৰ্মচাৰীয়ে contractual ত regularize কৰিব নোৱাৰে without due process of Law. তাৰ ব্যৱস্থা আমি কি কৰিছো contractual কৰিব নোৱাৰো বাবে আমি চাকৰি ৬০ বছৰ কৰি দিছো। এই বাৰ আমি medical ১০০ শতাংশ reimbursement লৈ আহিছো। আচল কথাতকৈ আমি বেছি কৰিছো। Appointment দিওঁতে আমি যি বুলি কৈছিলো তাতকৈ আমি ৩০০ গুণ বেছি facility দি আছো। এই বিলাক হৈছে চৰকাৰ চলোৱা Art-Craft. সেইকাৰণে ভাৰতত ক'তো usually left ক চৰকাৰ চলাব নিদিয়ে কাৰণ they will bring anarchy. মাননীয় অধ্যক্ষ মহোদয় মই ৰাইজে বুলি কৈছো, ৰাইজে নিদিয়ে বুলি কৈছো। মইতো দিয়া নিদিয়াৰ মালিক নহয়। মাননীয় অধ্যক্ষ মহোদয়, Year of Books আশা কৰো এইটো পৰামৰ্শ সন্মানীয় বিধায়ক গৰাকীয়ে দিয়া নাছিল। আজি প্ৰথমবাৰৰ বাবে আমি কৈছো ১০০০ সৃষ্টিশীল লিখকক আমি সন্মান জনাম, আজি আমাৰ ইয়াত জাকিৰ হুছেইন সিকদাৰ আছে , কলগাছিয়াৰ পাকাবেটবাৰীত ডাঙৰ গ্ৰন্থমেলা হয়, ৰঞ্জিত দাস ডাঙৰীয়া এইবাৰ গৈছিল তাত। গ্ৰন্থমেলা কৰিলে জিলাত ৫ লাখ টকা আৰু co-districtত ৩ লাখকৈ টকা দিওঁ। আজি এটা এটাকৈ কিতাপৰ প্ৰতি মানুহৰ শ্ৰদ্ধা ওভোতাই আনিব বিচাৰিছো। আজি আমি কৈছো যে চৰকাৰে যিকোনো functionত গামোছাৰ লগত মানুহক কিতাপ এখন উপহাৰ দিয়ক। ৰাইজক কৈছো যে বিবাহ আদিৰ দৰে অনুষ্ঠানত কিতাপ দিয়াৰ পুৰণা নিয়মটো আৰম্ভ কৰক। আমি অসমক এখন সৃষ্টিশীল সমাজ কৰিব খুজিছো। অকল অসমমালা আৰু উৰণীয়া সেতু নহয়। সেইকাৰণে মই কৈছো যে how we are trying to create a complete human. শৰীৰও নিৰ্মাণ কৰিম, তাত আমি আত্মাকো সংস্থাপিত কৰিম। This is what we are trying to do. আজি আমি প্ৰথমবাৰৰ বাবে কৈছো যে চৰকাৰী কৰ্মচাৰীৰ হাতত economy আছে, ১০০০ চৰকাৰী কৰ্মচাৰীক যদি আমি ১০০০ টকাকৈ দিওঁ, ৪ লাখ কৰ্মচাৰীয়ে যদি কিতাপ কিনে, কিতাপৰ প্ৰকাশক সকলে এইবাৰ ৪০ কৌটি টকা পাব। We are trying to trigger

an economy, আজি এই ধৰণৰ দূৰলৈ চিন্তা কৰিবলৈ চেষ্টা কৰিছো। ১ মে'ৰ পৰা ১ টকা electricityৰ মাচুল আমি হ্ৰাস কৰিম। কাৰণ আজি Electricity Boardৰ ৰাজহ বাঢ়িছে। ৰাজহ বঢ়াৰ ক্ষেত্ৰত মাজে মাজে smart metre বিতৰ্ক কৰিলে, মানুহে কয় Electricity Board য়ে টকা লৈ গৈছে, টকাটো হিমন্ত বিশ্ব শৰ্মাৰ ঘৰত নাহে, টকা আহে Electricity Board ত আৰু Electricity Board য়ে ৰাইজলৈকে ওভোতাই দিয়ে by reducing the tarrif. এইবাৰ আমি ১টকা ১ মে'ত হ্ৰাস কৰিম আৰু যদি সকলো ঠিকে থাকে নৱেম্বৰ মাহত আৰু এটা হ্ৰাস কৰাৰ বাবে চেষ্টা কৰিম। কিমান টকা হ্ৰাস কৰিব পাৰো নাজানো, কিন্তু we will try for that.মাননীয় অধ্যক্ষ মহোদয়, আজি আমি প্ৰতিখন জিলালৈ এটা অসমমালা, ডিব্ৰগড়ত assembly hostel, দৰঙত মেডিকেল কলেজ আৰু কনকলতা universityৰ লগত আমি ইউৰোপীয়ান ইউনিয়নৰে এখন MoU কৰাৰ চেষ্টা কৰি আছো, যাতে AI Robotics এখন নতুন University যিখন আমাৰ মানুহে usually কল্পনা কৰিব নোৱাৰে, তেনেকুৱা University এখন যাতে কৰিব পাৰো। নিবিদা আহ্বান হ'ল আৰু মই ভাবো অহা দুমাহৰ ভিতৰত নিবিদা সম্পূৰ্ণ কৰিম, আধাৰশীলা ছেপ্তেম্বৰ, অক্টোবৰ মাহত কৰিম। Election ৰ ওচৰে-পাজৰে হ'ব, উপায় নাই। কাৰণ বানপানীৰ সময়ততো কৰিব নোৱাৰো। গতিকে We are going to do this work. মাননীয় অধ্যক্ষ মহোদয়, industry ৰ ওপৰত আপুনি জানে আমাৰ সংবেদনশীলতা অৰুণোদয়ে যদি মানৱৰ সংবেদনশীলতাক নিৰ্মাণ কৰে, আমি আন এক সংবেদনশীলতাৰ কথা কৈছো। Electricity Board ৰ কাৰেণ্ট বাৰেকুৰি গাওঁত Electricity Board ৰ লাইন আছিল। মৰাণ জনগোষ্ঠীৰ লোকৰ যুৱক সকলে মোক আহি কৈছিল যে দাদা যদি কাৰেন্টত insulation কৰি দিয়ে আমাৰ হলৌ বান্দৰ বিলাক নমৰিব। আমি কৰি দিলো, ফলাফল পালো। সকলোৰে কথা শুনো আমি। সকলোৰে কথা শুনা এইখনেই প্ৰথম চৰকাৰ। বাৰেকুৰি গাঁৱৰ পৰা মানুহ আহি কৈছে যে কাৰেন্টত insulation লগাই দিয়ক, আমি শুনিছো। সকলোৰে কথা শুনো আমি। এইখনেই হৈছে এখন ব্যতিক্ৰমী চৰকাৰ। মই যেতিয়া গাওঁত মানুহক লগ কৰিব যাওঁ মিটিংৰ পিছত আইতাজনীয়ে কোৱা কথাটোও শুনো, ডেকা ল'ৰা-ছোৱালীয়ে কোৱা কথাটোও শুনো। আজি আমি সিদ্ধান্ত লৈছো যে বন্য জীৱ-জন্তুক আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ আমি লাহে লাহে wild life area ত Electricity তাঁৰ বিলাকত Insulator লগাই দিম যাতে তেওঁলোকৰ মৃত্যু নহয়। আজি ইমান গভীৰলৈ গৈ চিন্তা কৰিছো। Ring-road ৰ দৰে ডাঙৰ প্ৰকল্পৰ কথা মই নকওঁ এ, আজি আমি অসমত সকলো ধৰণে অসম খনক এখন নতুন ৰাজ্যলৈ লৈ যাবৰ বাবে, নৱনিৰ্মাণৰ বাবে প্ৰচেষ্টা কৰিছো। অসমৰ ভাষা-সংস্কৃতি, অসমীয়া official language তাৰ লগত আন ভাষাৰ প্ৰতি সন্মান এই গোটেইবিলাকক আজি আমাৰ বাজেটত অজন্তা নেওগ ডাঙৰীয়াণীয়ে উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব খোজো, ৰাজহুৱা শিক্ষানুষ্ঠান দুখন ৰাজ্যৰ মই তুলনা কৰিম। তামিলনাডু ভাৰতৰ আটাইতকৈ শিক্ষিত প্ৰদেশ আৰু তামিলনাডুৰ সমান বিকশিত প্ৰদেশ গুজৰাটৰ পিছত আজি ভাৰতত competition কৰিব পৰা মহাৰাষ্ট্ৰ, গুজৰাট, তামিলনাডুৰ লগত এতিয়ালৈকে কোনো প্ৰদেশ নাই। তামিলনাডুত জনসংখ্যা হ'ল ৭ কৌটি ২১ লাখ আৰু অসমত জনসংখ্যা হ'ল ৩ কৌটি ১২ লাখ। অসমত চৰকাৰী স্কুল আছে আজিৰ দিনত ৪৫ হাজাৰ, তামিলনাডুত কিমান থাকিব লাগে? মই এটা quiz কৰিছো। ৩ কৌটি ১২ লাখ অসমৰ জনসংখ্যা, ৭ কৌটি ২১ লাখ তামিলনাডুৰ জনসংখ্যা, অসমত চৰকাৰী স্কুল ৪৫ হাজাৰ, তামিলনাডুত নূন্যতম ৯০ হাজাৰ চৰকাৰী স্কুল থাকিব লাগে। মাননীয় অধ্যক্ষ

মহোদয়, তামিলনাডুত চৰকাৰী স্কুল আছে ৩৭ হাজাৰ ৬৭২ খন। যিসকলে আমাক কয় চৰকাৰী স্কুল বন্ধ কৰি আছে, তেওঁলোকে এটা কথা বুজি নাপায় quality is more important than quantity. Quantityয়ে চিনাকি নিদিয়ে, আজি quantity তকৈ quality ৰ বেছি প্ৰয়োজন। সেইকাৰণে কৰ্ণাটক, তামিলনাডু চৰকাৰে আৰম্ভ কৰিছে যে আমি স্কুল compact কৰিম কিন্তু প্ৰতিটো শ্ৰেণীতে আমি শিক্ষক দিম। অধ্যক্ষ মহোদয়, তামিলনাডুৰ ৭কৌটি ২১ লাখ মানুহৰ বিপৰীতে ৩৭ হাজাৰ স্কুল আৰু সদায় আমাক সমালোচনা কৰা ব্যক্তিসকলক মই আৰু এটা কথা ক'ব খোজো যে it is a very important statistics, অসমত Government আৰু provincialised স্কুলত পঢ়ে ৭২.৫ শতাংশ ছাত্ৰ-ছাত্ৰী আৰু তামিলনাডুত Government স্কুলত পঢ়ে মাত্ৰ ৩৭ শতাংশ ছাত্ৰ-ছাত্ৰী।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মুখ্যমন্ত্ৰী মহোদয়, সিহঁতৰ জনমুৰি আয় আমাতকৈ বেছি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** সেইকাৰণেতো কৈছো। যিমানে জনমুৰি আয় বাঢ়ে, সিমানে তেওঁলোকক অনুকৰণ কৰিব লাগে বিকশিত ৰাজ্য হিচাপে। জনমুৰি আয়ত তেওঁলোক ভাল, শিক্ষাত তেওঁলোক ভাল, গতিকে তেওঁলোকক অনুকৰণ কৰিব লাগে। আজি তামিলনাডুৰ দৰে ৰাজ্যই ৰাজহুৱা শিক্ষাখণ্ডৰ লগত অসমৰ ৰাজহুৱা শিক্ষাখণ্ডই competition কৰি আছে যে we have better enrollment. আজি আমাৰ আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰী আছে। Private স্কুলত আমি পিছ পৰি আছো। These are the statistics. কোনোবাই যদি ক'ব খোজে নহয় আমি privilege আনিম, আনিব পাৰে, মই ভালকৈ study কৰি লৈছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনত আমি কেইটামান নতুন কথা কৈছো, আজি আমাৰ ৰাজ্যখনে প্ৰথমবাৰৰ বাবে সপোন দেখিছো যে আমি নিজৰ sattelite আকাশত উৰাম। কিয় উৰাব লাগে ? যদি আমাৰ এটা নিজৰ sattelite থাকে আকাশত আমি real time monitoring of floods and other disaster আমি কৰিব পাৰিম। আমি surveilance টোত illegal migrants track কৰিব পাৰিম, drug trafficking chake কৰিব পাৰিম, Wild life monitoring in Kaziranga,Manash, Pobitora, Orang আদিত কৰিব পাৰিম। আমি Development of Agriculture, Application, Road Network, Environmental, Education, Providing Students Opportunity for research, Private Sector.যোৱাকালি দুই এজন মানুহে মোক হাঁহি আছিলে যে অসমত Satellite হ'ব পাৰেনে ? হিমন্ত বিশ্ব শৰ্মাৰ সপোন নতুন অসমৰ।

অধ্যক্ষ মহোদয়, We are already in advance negotiation, Satellite or orbit aerospace য'ত remote sensing satellites in elliot, এইটো হ'ল অসমৰ কাৰণে ideal.আমি IN SPACe নামৰ এটা organization ৰ লগত ইতিমধ্যে কথা পতা আৰম্ভ কৰিছো। Constillation, ৪-৫ টা Satellite অসমৰ ওপৰত থাকিব আৰু প্ৰতিটো Satellite য়ে অসমৰ real time data আমাক দি থাকিব। আজি আমি ইয়াত খুব সুন্দৰ কৰি এটা এটা Satellite ত আজিৰ পৰা ৬০-৭০ কোটি টকা লাগিব। ৬-৭ টা Satellite ৰ যিকোনো এটা দূৰলৈকে গ'লেও এটা অসমৰ ওপৰত any time থাকিব। যিটো technology ত আজি আমি ক'ব খোজো যে সেই technology টো হৈছে in a constillation of 4-5 remote sensing Satellite cover as entire Assam, Barak Valley, Hill, upper, lower, 24 X 7, 365. আজি আমি অৰুণোদয়তে সামৰণি মৰা নাই।

অৰুণোদয়ৰ পৰা মহাকাশলৈ, এয়ে হৈছে অসমৰ সপোন। We will start into Aronodoi but will take rest in space.This is what new Assam. আজি আমি প্ৰথমবাৰৰ বাবে অসমত কৈছো যে Netflix আমি চাওঁ, কিন্তু Netflix তটো ডক্টৰ বেজবৰুৱা নাথাকে, তাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গানৰ পুৰণা visual music নাথাকে। এইবাৰ আমি বাজেটত কৈছো যে আমি অসমত আমাৰ নিজৰ OTT platform এটা নিৰ্মাণ কৰিম য'ত অসমৰ কলা -সংস্কৃতি আদি থাকিব। আজি ঝুমুৰ নৃত্যটো Netflix ত নেদেখুৱায়। আমাৰ নিজৰ OTT platform এটা নিৰ্মাণ কৰিব খুজিছো য'ত গোটেই অসমৰ সাংস্কৃতিক বৈভৱ সমূহত সংৰক্ষণ কৰিব পাৰিম। এইবাৰ বাজেটতো আমি কৈছো AI data driven climate smart village ১০০ খন আমি select কৰিম, য'ত AI আৰু Drone ৰ জৰিয়তে কৃষিক উন্নত কৰাৰ বাবে আৰম্ভ কৰিম। গুৱাহাটীক আমি এখন Bamboo city লৈ ৰূপান্তৰিত কৰিব খুজিছো। অৰ্থ্যৎ এতিয়া গুৱাহাটীত যিমানে construction নহওক, ৫ শতাংশ bamboo material they have to use যাতে অসমৰ গাৱেঁ -ভূঞে বাঁহৰ প্ৰচলন হ'ব পাৰে। This is the economic model. বিৰোধীয়ে ইয়াত কিয় বেয়া পাইছে, মই নাজানো। আজি অসমৰ বাৰীত থকা বাঁহডালৰো যাতে কৃষকে মূল্য পায়, PWD য়ে সিদ্ধান্ত লৈছে যে গুৱাহাটীত যিমান construction হ'ব, minimum 5%, maximum কিমানলৈকে যায় কথা নাই, বাঁহ লগাবই লাগিব। আজি আমি সিদ্ধান্ত লৈছো যে India's first bamboo smart city.We will explore developing India's first bamboo city. All future Government buildings will prioritize bamboo base material and gradually for all the cities. আজি আমি কৈছো যে আমি অসমক কাৰ্বন economy লৈ ৰূপান্তৰ কৰিম। যি ঠাইত কোনোবা বিদেশীয়ে কাৰ্বন প্ৰস্তুত কৰিব, তেওঁলোকে অসমত solar লগাই কাৰ্বন credit লাভ কৰিব পাৰিব। We are trying to build Assam as a carbon economy.

মাননীয় অধ্যক্ষ মহোদয়,খানাপাৰাৰ পৰা গুৱাহাটী Airport লৈকে আমি directly ওপৰেদি ropeway লগাব খুজিছো যাতে কোনো মানুহৰ অসুবিধা হ'ব নোৱাৰে। বাৰাণসীত ইতিমধ্যে হৈ গ'ল। এইটো কোনোবাই ক'ব যে এটা ডাঙৰ সপোন। সুৰঙ্গৰ কথা কওঁতে মানুহে মোক হাঁহিছিলে কিন্তু I know what I'm speaking. আজি গহপুৰৰ পৰা নুমলীগড় সুৰঙ্গ, মানুহে মোক হাঁহিছিল কিন্তু it is coming. ইতিমধ্যে মাটিবাৰী assesment হৈ গ'ল, উৎপল বৰা ডাঙৰীয়াই জানে। তাৰ কাম এতিয়া দ্ৰুতগতিত চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি লাখপতি বাইদেউ, তেওঁলোকৰ কথা ক'লে বেয়া পায়। কিন্তু আজি লাখপতি বাইদেউ সকলৰ কাৰণে আমি ৫০০ কোটি, এতিয়া ২৫০ কোটি আৰু পাছত ২৫০ কোটি, মুঠ ৫০০ কোটি টকাৰ এটা credit guarantee fund নিৰ্মাণ কৰিব খুজিছো যাতে তেওঁলোকৰ যিমান টকা লোন লয় তাৰবাবে কোনেও যাতে আপত্তি নকৰে।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰেচন কাৰ্ডত চাউল পাইছিল। আমি যদি ক'ৰবাত satellite ৰ কথা কৈছো, দাইল ২৫ টকাত পাব, আমি তাৰো কথা কৈছো। নিমখ ১০ টকাৰ তলত, চেনি ২০ টকাৰ কমত পাব, আজি আমি তাৰ কথাও এই বাজেটত উল্লেখ কৰিছো। প্ৰথমবাৰৰ বাবে আমি ৰাজ্যখনত cyber security, deep fact এই গোটেইবিলাক ধৰিবৰ কাৰণে অসমত এটা police station কৰিব খুজিছো য'ত cyber security, deep fact

ক্ষেত্ৰত আটাইতকৈ ডাঙৰ instrument বিলাক থাকিব পাৰে। চাহ বাগিছাত যাতে auction ত আমি ভাল দাম পাব পাৰো, তাৰকাৰণে AI আৰু cloud base আমি digital auction centre নিৰ্মাণ কৰিব খুজিছো যাতে সকলো মানুহে transparent হৈ থাকিব পাৰে যে এইখন বাগানৰ চাহৰ মূল্য কিমান। এই গোটেইবিলাক বাজেটত অহাৰ আগতে we have done through detail research. তিনি মাহৰ প্ৰচেষ্টাৰ পিছত এই বাজেটখন আমি ইয়াত লৈ আহিছো যাতে ই অসমৰ মানুহক অৰুণোদয়ৰ পৰা মহাকাশলৈ লৈ যাব পাৰে and at what cost, without imposing any new tax. ইয়াত এটকাও tax লগোৱা হোৱা নাই। বৰঞ্চ professional tax ৰ পৰা আমি ৰেহাই দিছো। কেচাপাতৰ ওপৰত tax ৰেহাই আমি আৰু দুবছৰলৈকে বঢ়াই দিছো। Without imposing a single tax, অৰুণোদয়ৰ পৰা মহাকাশলৈ অসমৰ অনিৰুদ্ধ যাত্ৰা।

অধ্যক্ষ মহোদয়, মই সদনক আহ্বান জনাম, নতুন সমাজৰ বাবে অসম লাহে লাহে গতি কৰিছে। এতিয়া অসমীয়াই আন্দোলন, ধৰ্ণা, ধৰ্মঘট, অসম বন্ধৰ দৰে কাম ভাল নাপায়। এতিয়া অসমে আলোচনা কৰে Advantage Assam ৰ। আজি অসমে মোক প্ৰশ্ন কৰে যে আমাৰ tunnel ৰ কামটো কেতিয়া আৰম্ভ হ'ব? আজি অসমে প্ৰশ্ন কৰে যে Reinwood নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ হ'ব? -------interruption---------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** তৰুণ গগৈ ডাঙৰীয়াই বনোৱা বিল্ডিংটোকে আপুনি Twin Tower বুলি মিছা কথা কৈ ফুৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** আপুনি চন্দ্ৰমোহৰ পাটোৱাৰী দাৰ লগত যাব, ১২০০ কোটি টকাৰ Twin Tower চাব। এইটো এনেকুৱা এটা বিল্ডিং নহয়। তৰুণ গগৈ ডাঙৰীয়াই বনোৱা কোনো বস্তু আমি চোৰাই নাই। তেওঁ মহান আত্মা, মহান ঠাইত আছে। এই কামৰ ময়ে আধাৰশিলা কৰিছো, ময়ে sanction কৰিছো, tender কৰিছো আৰু ময়ে মুকলি কৰিম। তৰুণ গগৈ ডাঙৰীয়াই সৰু সজাই stadium ৰ দৰে ভাল কাম কৰিছিল, আমিতো তাৰবাবে কেতিয়াও তেওঁক সমালোচনা নকৰো। অধ্যক্ষ মহোদয়, আজি আমাৰ প্ৰজন্মই এখন নতুন অসমৰ সপোন দেখিছে। মই মাননীয় বিধায়ক অখিল গগৈৰ দৰে ব্যক্তিসকলক অনুৰোধ কৰিম, অসমৰ নতুন প্ৰজন্মক সহায় কৰক যিখন অসম আশাৰ ওপৰত জীয়াব পাৰে, যিখন অসম আত্ম বিশ্বাসৰ ওপৰত জীয়াব পাৰে, যিখন অসমে ভাৰতৰ পূব প্ৰান্তত ক্ষুদ্ৰ এখন প্ৰদেশ হৈও এখন বৃহৎ ৰাজ্যৰ সপোন দেখিব পাৰে। হতাশা বিক্ৰী কৰি মানুহ MLA হ'ব পাৰে। হতাশা বৃদ্ধি কৰি মানুহে ক্ষন্তেকীয়া আকাশত উজ্বলিব পাৰে। কিন্তু চিৰদিনৰ কাৰণে যদি মানুহ উজ্বলি থাকিব পাৰে, তেতিয়াহ'লে মানুহে ধ্ৰুৱতৰা হোৱাৰ প্ৰচেষ্টা কৰিব পাৰে। কিমান মানুহে অসমত আন্দোলন কৰি গ'ল, কাৰো নাম কোনেও নাজানে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয় নিৰ্মাণৰ কাৰণে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আজিও প্ৰাতঃস্মৰণীয়। নক্সালৰ ওপৰত অসমত ডাঙৰ আন্দোলন হৈছিল।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** বিষ্ণু প্ৰসাদ ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালা তেওঁলোক দুগৰাকী অসমৰ ইতহাসৰ আটাইতকৈ আধুনিক যুগৰ ডাঙৰ মানুহ আৰু দুয়োজনেই আন্দোলনকাৰী। তাৰকাৰণেই আমি আজি ইয়াত বহি থাকিব পাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** এইটো আপোনাৰ ভাষা, আপোনাৰ কথা। মই কৈ আছো

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু প্ৰসাদ ৰাভাক মানুহে সৃষ্টিৰ কাৰণে সন্মান কৰে। তেওঁ আন্দোলন কৰিছিল নে নাই আজি কোনেও নাজানে। অসমৰ নতুন প্ৰজন্মক সুধিব জ্যোতিপ্ৰসাদ আগৰৱালাই আন্দোলন কৰিছিল নেকি? জ্যোতিপ্ৰসাদ আগৰৱালা আজিও সৃষ্টি কৰ্মৰ কাৰণে প্ৰাতঃস্মৰণীয়। মাননীয় অখিল গগৈ ডাঙৰীয়াই যদি আন্দোলন আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে সৃষ্টি কৰিব পাৰে আপোনাৰ সৃষ্টিক মই সদায় সন্মান কৰিম। কিন্তু দূভাগ্যক্ৰমৰ বাবে আপুনি আন্দোলন পাৰ্টটো জানে সৃষ্টিটো নাজানে। মই সৰুতে পঢ়িছিলো যে জ্যোতিপ্ৰসাদ আগৰৱালা বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ। আপোনালোকৰ মনত আছে নে নাই আমি স্কুলত ৰচনা লিখিছিলো জ্যোতি প্ৰসাদ আগৰৱালা বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ। আমি কতো পঢ়াই নাছিলো যে তেওঁ আন্দোলনৰ আকৰ স্বৰূপ। আমি যিজন জ্যোতিপ্ৰসাদক সন্মান কৰো সেইজন জ্যোতিপ্ৰসাদৰ 'মোৰে ভাৰতৰে, মোৰে অসমৰে' সেইজন জ্যোতি প্ৰসাদৰ লগত আমাৰ সম্পৰ্ক। আমি কিতাপ কাগজত তেনেকৈ পঢ়ি আহিছো। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ শিৰৰ যিটো তাণ্ডৱ নৃত্য, তেওঁৰ সংস্কৃতিৰ কাৰণে আমি তেওঁক জানো। সেইকাৰণে আমি গুৱাহাটীত ৫,০০০ হাজাৰ অ'ডিটৰিয়াম বনাই জ্যোতি-বিষ্ণুৰ নাম উৰ্স্বৎগিত কৰিছো। অসমে সেইজন অখিল গগৈকো সন্মান কৰিব যদি অখিল গগৈয়ে জ্যোতি-বিষ্ণুৰ দৰে অমূল্য সম্পদ অসমৰ নতুন প্ৰজন্মৰ বাবে এৰি থৈ যাব পাৰে। মইটো এতিয়ালৈকে এটা কবিতাও পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, প্ৰণৱ বড়োৰ আত্মত্যাগেৰে আমি বিধায়ক হ'ব পাৰিম। কিন্তু কনকলতা বিশ্ববিদ্যালয়, ৰিং ৰোডেৰে মহাকাশত চেটেলেৰে আপুনি অমৰ হ'ব পাৰিব। মোৰ speech টো খুব simple আছিল। মাননীয় অখিল গগৈ ডাঙৰীয়াই ভাল কৰি দিলে। মই realise কৰিছো। কালি ৰাতি মই সাজু কৰা speech টো আপুনি better কৰি দিলে। সেইকাৰণে মাজে মাজে কংগ্ৰেছ দলে কয় আপোনাৰ লগত আমাৰ সম্পৰ্ক আছে বুলি।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ)ধিং ঃ** সম্পৰ্ক আছে নে নাই এইটো স্পষ্ট কৰি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** সম্পৰ্ক নাই। আপোনালোকেহে ভাবে। মোৰ speech টো improve হোৱাত কোনে সহায় কৰি আছে। এইটো আপোনালোকে decide কৰক। মই কিয় ক'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিদিনে চাব বিধান সভাত মোৰ যিকেইটা অলপ-চলপ ভাল speech হয় তাৰ ২০ শতাংশ contribution মাননীয় সদস্য অখিল গগৈৰ নামত। গতিকে কিং আছে নে নাই আপোনালোকে হে decide কৰিব। মই কিয় ক'ব লাগে।

**শ্ৰী আব্দুল ৰহিম আহমেদ, বৰপেটা ঃ** মানুহৰ ধাৰণা হ'ল মাজে মাজে আপোনালোক দুইজনে কথা পাতি লয় নেকি যে বিৰোধীতো অখিল গগৈ আৰু ৰুলিঙটো আমি।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মইটো সকলোৰে লগত কথা পাতো। আপোনাৰ লগতো পাতো। মইটো ৰিঙেই কৰি থাকো। কেতিয়াবা আপোনালোক দুই-এজনে নুঠায়। কিন্তু মইটো কথা পাতিয়েই থাকো। কাৰণ মই পলিটিকচ্‌ত সকলোৰে লগত কথা পাতি থকাটো বিশ্বাস কৰো। আপুনি জানে আমচু আমাৰ ideologically বহুত দূৰত। কিন্তু আমচুৰ লগতো মই কথা পাতি থাকো। পৰেশ বৰুৱা ডাঙৰীয়াৰ লগতো কথাপাতি থাকো। মই যদি কথা পাতিলে মানুহৰ মলম হ'ব পাৰে, অলপ যদি কষ্টটো কমিব পাৰে গতিকে কথাপতাত কি যায়। গতিকে কথাটো মই পাতো। অখিল গগৈ ডাঙৰীয়াৰ লগতো পাতো, আপোনাৰ লগতো পাতো যাতে মানুহে অখিল গগৈৰ লগত পাতে বুলি উলিয়াই নিদিয়ে। আপোনাৰ লগতো সমানেই পাতো। সকলোৰে লগত পাতো। গতিকে কথা মই সকলোতে পাতো। মাননীয় আমিনুল ইছলাম ডাঙৰীয়াৰ লগতো পাতো।

কাৰণ আমি সকলো অসমৰ মানুহৰ ভাল কামৰ বাবে আহিছো। আমাৰটো ঘৰুৱা মাটিবাৰীৰ কাজিয়া নাই। গতিকে আমি কিয় কথা-বাৰ্তা নাপাতিম। গতিকে সেইটো লৈ বেয়া পোৱাৰ কথাও নুঠে। মাননীয় অধ্যক্ষ মহোদয়, মই এটায়েই অনুৰোধ কৰিম যে বাজেটখনক কোনোবাই ক'ব পাৰে ইলেকশ্যন বাজেট। কিন্তু আমি একোৱেই নতুন ঘোষণা কৰা নাই। অৰুণোদয় আগৰে পৰা চলি আছে আৰু আমি অৰুণোদয়ৰ কথা কৈছো। আমি পৰিৱৰ্তনেই কৰা নাই। মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ ওপৰত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই দুবছৰ আগৰ পৰাই কৈ আহিছে আৰু মই আকৌ কৈছো। নিৰ্বাচন বুলি আমি একো নতুন কথা কোৱা নাই। আমি যদি নতুন নতুন কথা কৈছো তেতিয়াহ'লে আমি অসমত satellite নিৰ্মাণ কৰিম মানে satellite অসমৰ কাৰণে dedicate satellite হ'ব পাৰে, নিৰ্মাণটো আমি definitely কৰিব নোৱাৰো। আমি অসমৰ কাৰণে OTT platform কৰিম আৰু আমি যদি নতুন কথা কৈছো তেনেহ'লে সেই নতুন কথাবোৰ ইয়াত সন্নিবিষ্ট হৈ আছে। বাকী পুৰণা কথাবোৰেই কৈছো। ১ লাখ চাকৰি দিম বুলি কৈছিলো। ১ লাখ ৬০ হাজাৰ দিলো। এইটো বেয়া পাবলগীয়া কথা নহয়।

**শ্ৰী আব্দুল ৰহিম আহমেদ, বৰপেটা ঃ** বছৰি ১ লাখকৈ চাকৰি দিম বুলি কৈছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মই সেইটো কোৱা নাই। মোৰ speech বোৰ পঢ়ি ল'ব। সেইটো মই কেতিয়াও নকওঁ। আমাৰ পুৰণা কাম আছে সেইখিনিক আমি নতুন ধৰণে উপস্থাপন কৰিছো। অৰুণোদয় দি আছো কেৱল উদাসীন ভকতটো যোগ কৰি দিছো। নিযুত মইনা দি আছো self finance টো লগত যোগ কৰি দিছো। অৰুণোদয় ২৮ লাখ মানুহক দি আছো, এইবাৰ আমি ৪০ লাখ মানুহক দিম বুলি বাজেটত ৩৭.২ বুলি লিখি দিছো। আমি যিখিনি কাম কৰি আছো এইখনেই এখন চৰকাৰ যে নিৰ্ব্বাচন আহিছে বুলি আমি নতুন কথা ঘোষণা কৰা নাই। কোনোবাই যদি প্ৰথমবাৰৰ বাবে মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ বাজেটৰ পৰা, মাননীয় প্ৰফুল্ল মহন্ত ডাঙৰীয়াৰ বাজেটৰ পৰা, মোৰ নিজৰ বাজেটৰ পৰা, মাননীয় সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ দিনত মই উপস্থাপন কৰা বাজেটলৈকে। নিৰ্ব্বাচনৰ আগত যোৱাবাৰ আমি অৰুণোদয়ৰ কথা কৈছিলো। ২০২১ চনৰ নিৰ্ব্বাচনৰ আগত ২০২০ চনত মই অৰণোদয়ৰ কথা কৈছিলো। কিন্তু মাননীয়া শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীক মই ধন্যবাদ জনাব লাগিব যে নিৰ্ব্বাচন অহাৰ পিছতো তেখেতে এই বাজেটত এটাও নতুন আঁচনিৰ কথা উল্লেখ কৰা নাই। যিসকলে নিৰ্ব্বাচনমুখী বাজেট বুলি কৈ আছে তেওঁলোকক মই ক'ব বিচাৰিছো যে তেওঁলোক ২০১৯ চনৰ বাজেটখনক নিৰ্ব্বাচনমুখী বাজেট বুলি ক'ব পাৰিলে হেঁতেন। এইখন বাজেটত কোনো এটা নতুন আঁচনিৰ কথা কোৱা হোৱা নাই। সেইদিনা মই সদনতে কৈছিলো যে ৰেচনৰ দোকানত ৰেচনৰ দামবোৰ কমাই দিয়ক। তেতিয়া আপোনালোকে হাত চাপৰি বজাইছিল। আমি কৈছো যে MSP ৰ ওপৰত আৰু অলপ দিব লাগে। আপোনালোকে হাতচাপৰি বজাইছিল। আমি নতুন একোৱেই কৰা নাই। কালি ও টি.ভি ত কিছুমানে কৈছে যে এই বাজেটখন নিৰ্ব্বাচনমুখী বাজেট। এই বাজেটখন কেতিয়া নিৰ্ব্বাচনমুখী বাজেট হ'ব যেতিয়া আমি ঘৰে ঘৰে ১০ হাজাৰ টকাকৈ দিম বুলি ক'ম। এই বাজেটত আমি কোৱা কথাখিনিকেই কৈছো। মহিলা আত্মসহায়ক গোটক টকা দিম কিন্তু তাৰ লগত কিছুমান কনডিশ্যন আছে যে - তিনিটাৰ ওপৰত ল'ৰা-ছোৱালী হ'ব নোৱাৰিব। নিজৰ ঘৰত যদি ছোৱালী আছে তেন্তে ছোৱালীজনী স্কুলত যাব লাগিব। ঘৰত অমৃতবৃক্ষৰ আন্দোলনৰ গছ জোপা ডাঙৰ কৰিব লাগিব। আমি কোনো মানুহক এনেই টকা দিয়া নাই। আমি প্ৰত্যেকটো টকাৰ লগত এটা ফিল'চফী যোগ কৰিছো। আমি যদি নিযুত মইনা আঁচনি দিছো ভোটৰ কাৰণে দিয়া নাই আৰু

দিয়া হ'লে আমি লোকসভা নিৰ্ব্বাচনৰ আগতেই দিলো হেঁতেন। আমি এই নিযুত মইনা আঁচনিখন নিৰ্ব্বাচনৰ পিছতহে দিছো। This is our credibilities. লোকসভা নিৰ্ব্বাচনৰ আগত এই নিযুত মইনা আঁচনিখন দিব পাৰিলো হয়, মাত্ৰ এটা বছৰৰ কথা। কিন্তু মই দেখিলো যে নিৰ্ব্বাচনৰ আগত দিলে ছোৱালীবিলাকেও নিৰ্ব্বাচনৰ আঁচনি বুলি ভাবি ল'ব। সেইকাৰণে আমি আগৰ বছৰত আৰম্ভ কৰিছিলো যাতে ছোৱালীবিলাকেও বুজি পায় যে আমাক পঢ়া-শুনাৰ কাৰণে দিছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনি সাধুকথাৰ নিচিনা কৈ নাথাকিব। এনেকৈ সাধু কথাৰ নিচিনাকৈ কৈ থাকিলে বেয়া দেখি। এইখন নিৰ্ব্বাচনৰ কাৰণেই দিছে, বেলেগ কথা একো নাই। আপুনি টানি টানি নিৰ্ব্বাচনৰ ওচৰলৈ লৈ গৈছে। আপুনি ১ ঘণ্টা ২৩ মিনিট ক'লে। মোক ১০ মিনিট দিব নে নাই ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** অসমক গালি পৰাৰ বাবে আপোনাক দিম। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়াক ১০ মিনিট সময় অসমক গালি পৰাৰ কাৰণে দিব। আমি কিন্তু নাথাকো। তেওঁ অকলে ইয়াত গালি পাৰি থাকিব। সেইটো গালি-গালাজ অকলে আপুনি কৰিব। অসমক গালি-গালাজ কৰোতে আমাৰতো গা-চা গৰম হৈ যাব। গতিকে আমি দূৰত থকা ভাল। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া চাওঁক, কংগ্ৰেছে লক্ষ্য কৰক মই speech টো ধুনীয়াকৈ শেষ কৰিব খুজিছিলো। মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়াই মোৰ speech টো আৰু অলপ শুনিব বিচাৰে। গতিকে তেখেতে মাজত মাতি দিলে। গোপন বুজাবুজি আছে নে নাই আপোনালোকেই decide কৰি লওঁক। মাননীয় প্ৰদুৎ বৰদলৈ আৰু আপোনাৰ কাজিয়াত কিন্তু মই নাই। সেইটোত মই নাই। মই clarification দি দিছো মাননীয় প্ৰদুৎ বৰদলৈ আৰু আপোনাৰ কাজিয়াত মই নাই। মাননীয় অধ্যক্ষ মহোদয়, শেষত মই সামৰণি এনেকৈ মাৰিম যে- যেতিয়া কোনোবা এখন ৰাজ্যৰ কৰ'বাত যেতিয়া কিবা এটা নিগেটিভ হয় তেতিয়া তাত ক'বৰ কাৰণে বহুত মানুহ ওলায়। কিন্তু কোনোবা এখন ৰাজ্যত মানুহে ভাল কাম কৰিবৰ বাবে চেষ্টা কৰে তাত প্ৰশংসা নহয়। য'ত পাঁচদিন আগতে অসমলৈ অহা বাইকাৰ ছোৱালী এগৰাকীৰ বাইকখন চুৰি হ'ল।

As usual, অসমত এখন বাতৰি কাকত আছে, অখিল গগৈ ডাঙৰীয়াৰ লগত প্ৰায় একেই হয়। বেয়া কথা কৈ ভাল পায়। তেওঁৰো গাত এটা বেমাৰ আছে, বেয়া কথা লিখি ভাল পায়। ৰাতিপুৱাই মানে কুট-কুটাই থাকে, বেয়া কি লিখিব পাৰো, বেয়া কি পঢ়িব পাৰো আৰু মোৰ ইমান সাহস আছে চাওঁক- election ত তেওঁৰ মোক সহায় নালাগে। সেইকাৰণে মই election মুখী বাজেটো দিয়া নাই। আপোনালোকতো কঁপি থাকে তেওঁৰ নামত। মইতো নকঁপো। এইটোৱে হৈছে হিমন্ত বিশ্ব শৰ্মা, it makes me different from all of you. আপোনালোকে আকৌ ......( interrupted)

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** CM হৈ আপুনি প্ৰথম কাক লগ ধৰিছিল ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ৰঞ্জন গগৈ, জয়ন্ত বৰুৱা....

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ**তেন্তে আপুনি বিধান সভাত ওলোটাকৈ কিয় কৈছে। আমাৰ ওচৰলৈ গৈছিল নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** আপোনাৰ ঘৰলৈও যাম ।

সংবাদটো চলিয়েই থাকিব। মোক বেয়া পোৱা মানুহখিনিৰ ঘৰত মই আগত গৈ দেখুৱালো যে - দাদা চাওঁক, আপুনি বিৰোধিতা কৰিছিল, মই CM হৈয়ে গ'লো। মই আজি আপোনালোকৰ আগত এটা ডাঙৰ সাঁথৰ ভাঙি দিওঁ। মই যেতিয়া কটন কলেজত General Secretary

উঠিছিলো, কোনোবাই বাৰু কলেজৰ election ত সোমাই নেকি ? মোক General Secretary হৰুৱাবৰ কাৰণেও 'সাদিনে' headline কৰিছিল। তেতিয়া মই গুৱাহাটীৰ যিমান দোকানত 'সাদিন' ওলায় সব কিনিছিলো। 'সাদিন' খন বৃহস্পতি বাৰে ওলায় আৰু শুক্ৰবাৰে কটনৰ Election. মই জানোৱেই যে মোৰ কথা বেয়াকৈ লিখিব, সেয়ে মই মোৰ হোষ্টেলৰ ল'ৰাক কৈ থৈ দিওঁ যে কটনৰ ওচৰে -পাঁজৰে যিমান 'সাদিন' আছে ওলোৱাৰ লগে লগে কিনি ল'বি। কিনি লওঁ গতিকে ঝামেলা শেষ। জয়ন্ত বৰুৱাৰ জীৱনৰ প্ৰয়াস আৰু প্ৰচেষ্টাই আছিল যে হিমন্ত বিশ্ব শৰ্মা যাতে অসমৰ মুখ্যমন্ত্ৰী হ'ব নোৱাৰে। গোটেই সমগ্ৰ জীৱন তেওঁ সেইটো কাৰণেই সমৰ্পণ কৰিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী হৈয়েই প্ৰথম অশোক সিংহলক কৈছিলো যে - দাদা ব'লক, জয়ন্ত বৰুৱাৰ ঘৰৰ পৰা আহো । তেওঁৰ ঘৰ গৈ যেতিয়া মই গাড়ীয়ে- মটৰে মুখ্যমন্ত্ৰী হিচাপে নামি চাহ-তাহ খাই অহাৰ পিছত মোক ঘৰত কৈছে যে তুমি যাবলৈ আৰু ঠাই বিচাৰি নাপালা। তেতিয়া মই ক'লো যে this is my greatest satisfaction. অহাবাৰ যদি ভগৱানে মুখ্যমন্ত্ৰী কৰে আকৌ যাম। তাতকৈও যদি ডাঙৰ কিবা কৰে আকৌ যাম। অৰ্থাৎ মোৰ কিবা এটা হ'লে তেওঁৰ ঘৰত যোৱাটো fix. মোৰ ল'ৰা - ছোৱালীয়ে কিবা ভাল কাম কৰিলে মই গৈ প্ৰথম খবৰ টো তাতেই গৈ দিওঁ। অখিল গগৈ ডাঙৰীয়াক directly কৈছো তেওঁক সুধিবচোন যে মই মোৰ ল'ৰাই Law ত seat পাওঁতে তেওঁকেই প্ৰথম কৈছো যে দাদা মোৰ ল'ৰাই Law ত seat পালে দেই আৰু এইটোৱেই হৈছে মোৰ habit. মই কাকো মাৰা-মাৰি, গালি-গালাজ নকৰি এনেকৈয়ে revenge লওঁ আৰু যিজন মানুহে মোক আটাইতকৈ বেছি বেয়া পায় মই তেওঁক আটাইতকৈ বেছি সহায় কৰিবলৈ চেষ্টা কৰো। মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে, হিমন্ত বিশ্ব শৰ্মা আৰু অসম দুটা সম্পূৰ্ণ বেলেগ। অসম মানে হৈছে অসম আৰু হিমন্ত মানে হৈছে হিমন্ত বিশ্ব শৰ্মা। এগৰাকী ছোৱালী অসমলৈ আহোতে বাইক চুৰি হ'ল and she is an international traveller. আমি মনে মনে গৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক'ব লাগিব যে- মুখ্যমন্ত্ৰী ডাঙৰীয়া, বাইক খন যিহেতু চুৰি হৈছে গতিকে, অসমৰ বদনাম হ'ব। আপুনি দুদিনত উলিয়াই দিয়ক আৰু আমি এই কথাটো ক'তো নুলিয়াও যাতে অসমৰ বদনাম নহয়। This is how we should conduct ourselves for the new Assam. অসমৰ বেয়া কথা লুকুৱাই দিয়ক কিন্তু মোৰ ৰুমত আহি মোক accountable কৰক যে মুখ্যমন্ত্ৰী ডাঙৰীয়া আপোনাক ৭২ ঘন্টা সময় দিছো, আপুনি ৭২ ঘন্টাৰ ভিতৰত বাইক খন উলিয়াওক, নহ'লে চৰকাৰৰ ফালৰ পৰা নতুন বাইক এখন ছোৱালীজনিক কিনি দিয়ক আৰু এই তিনিদিন ছোৱালীজনীক আমাৰ অতিথিশালাত ৰাখক কাৰণ আমাৰ ৰাজ্যৰ বদনাম হ'ব নালাগে। বিধানসভাত যেতিয়া কথাবিলাক ওলায়, 'প্ৰতিদিন' ত লিখে - কৰ্ণাটকৰ যিজনী ছোৱালী ৰাতিপুৱা Infosys ত কাম কৰিবলৈ যায় তাত কানাড়া মানুহ এজনে সোধে যে তোমালোকৰ অসমতো বাইকো চুৰি হৈ যায়। আমাৰ সন্মুখত আমি কোনখন অসমক বিশ্বৰ দৰবাৰলৈ লৈ যাম। সেইকাৰণে মই কওঁ 'প্ৰতিদিন' যুগৰ পৰা 'Semi conductor' যুগলৈ অহাৰ সময় আজি সমাগত। তেওঁ মোক লোণৰ কথা লিখে কিন্তু তেওঁৰ income ৭ কোটি কিন্তু বেঙ্কৰ পৰা লোণ লৈ থৈছে ৩ কোটি টকা। This is as per affidavit in Rajya Sabha Election আৰু তেওঁ লোণ লোৱাৰ কাৰণে গালি পাৰি থাকে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** বাইক খন চুৰি হোৱাটো সঁচা, সেইকাৰণে সঁচা কথাটোৱেই লিখিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ক'ব নে নক'ব এইটোৱেই হৈছে আপোনাৰ mentality. It

is your psychology. আজি মোৰ ঘৰত স্বামী আৰু পত্নীৰ মাজত কিবা এটা হৈছে, সত্য কিন্তু বাহিৰত ক'ম নে নক'ম , ল'ৰাজনে বাহিৰত ক'বনে নক'ব that is yet to be his justification. মই কেচ দিব নোৱাৰো কিয়নো 'প্ৰতিদিন' এ সঁচা কথা লিখিছে। কিন্তু লিখিম নে নিলিখিম সেইটোৱে প্ৰমাণ কৰে যে মই জননী জন্মভূমিক কিমান ভাল পাওঁ। মাননীয় অধ্যক্ষ মহোদয়, আজি বাইক খন উদ্ধাৰ হোৱাৰ কথাটো headline কিন্তু নহ'ল। যদি চুৰি হোৱাৰ কথাটো headline কৰাৰ সাহস আছে, উদ্ধাৰ হোৱাৰ কথাটো headline কৰাৰ সাহস কিয় নাই? আৰু এনে ধৰণৰ ব্যক্তিয়েই মোৰ জননী জন্মভূমিক হতাশাৰ মাজত বন্দী কৰি ৰাখিছে। এই সকল ব্যক্তিয়ে অসমত আন্দোলনৰ এটা বীজ ৰোপণ কৰিছিল। এই সকল ব্যক্তি নথকা হ'লে ১৯৯১ চনতে আলফাৰ সমস্যাৰ সমাধান হ'ল হেঁতেন আৰু ২২ হাজাৰ যুৱকে মৃত্যুৰ সন্মুখীন নহ'ল হেঁতেন। অধ্যক্ষ মহোদয়, বাইক পালো, 'প্ৰতিদিন' ত পঢ়িছিলো, headline ত টো এই বিষয়ে নাথাকেই। বাইক খন কোনে চুৰি কৰিছিল? ১) মঃ আশ্ৰাফুল দেৱান, পিতা ঃ মঃ আব্দুল জব্বৰ দেৱান, ফকিৰগঞ্জ, ধুবুৰী।

২) মঃ ফিৰোজ কাজি, বাল্টাবাৰী, ফকিৰগঞ্জ, ধুবুৰী।

As usual চলি গৈ আছে।

.................. বিৰোধী পক্ষ ঃ ( গুলী কৰি দিলেই হ'ল।).........................

কিবা এটা গণ্ডগোল হ'লে ভুলতেও যদি গুলী লাগে, আপোনালোকে আকৌ হুলস্থূল কৰি দিয়ে। আপুনি যিহেতু আজি এইটো কথা ক'লে গতিকে ৰেকৰ্ডত থৈ দিম কিন্তু পিছত নক'ব যে অসমত encounter হয়। অসমত encounter নহয়েই, হোৱা হ'লে অসমক বদনাম কৰিবৰ কাৰণে এইটোৱেই হ'ল হেঁতেন। অসমত এৰিব নোৱাৰিলে হে পুলিচে কিবা এটা কৰিব লাগে। অসমত আইনৰ মাজেদি লৈ গৈ শাস্তি দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, মই বিশ্বাস কৰো অসমৰ নতুন প্ৰজন্মই আন্দোলন বিৰৰ্জিত পৰিৱেশত অসমত উন্নয়ন, বিকাশ আৰু এক জীৱন্ত অসম ( কংক্ৰীতৰ অসম নহয় ) য'ত আত্মা আছে, য'ত শৰীৰ আৰু আত্মাৰ মাজত সমন্বয় হে, তেনেকুৱা এখন অসমৰ বাবে আজি প্ৰস্তুত কৰিছে। বিধায়ক হিচাপে আমাৰ দায়িত্ব এইখন অসমক যাতে আমি সমৰ্থন কৰো, নৱপ্ৰজন্মক যাতে সমৰ্থন কৰো যাতে আমাৰ পৰা লাভ কৰা অযুত প্ৰেৰণাই তেওঁলোকক আমাৰ ৰাজ্যকখনক উন্নয়ণৰ এক নতুন দিগন্তলৈ লৈ যোৱাত অৰিহণা যোগাব পাৰে। মই পুনৰ বাৰ অজন্তা নেওগ ডাঙৰীয়ানীক ধন্যবাদ জনাই আৰু আপোনালোক সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বাজেট বিতৰ্কত অংশগ্ৰহণ কৰাৰ আগতে মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণটো শুনিলো আৰু তেখেতে যিটো কথা কৈছে যে নতুন অসমৰ আৰম্ভণি - আচলতে এনে নহয় যে Government is a continuous process, চৰকাৰ চলিয়েই থাকিব। এইক্ষেত্ৰত মই কথা এটা ক'ব বিচাৰিছো যে ৬ নৱেম্বৰ ১৯৬৭ চনত তেতিয়াৰ নগাঁৱৰ বিধায়ক ফণি বৰাদেৱে তেতিয়াৰ স্বাস্থ্য মন্ত্ৰী সত্যেন্দ্ৰ মোহন দেৱক প্ৰশ্ন কৰিছিল যে- facilities of special treatment existing in Shillong Civil Hospital at the moment কিমান আছিল? উত্তৰটো আছিলে gyneo, medicine, gynecology, ortho,dental আছে। কথাটো এনেকুৱা মহোদয় যে আজি কালি যদি কাৰোবাক সোধা হয় যে

special treatment কি আছে তেতিয়া nephrologist, urologist, MCH, DMO ৰ কথা ক'ব। গতিকে এই কথাটো হ'ল, কেনেকুৱা ছাৰ, যুগৰ পৰিবৰ্তনৰ লগে লগে, সময়ৰ পৰিবৰ্তনৰ লগে লগে আমাৰ ৰাজ্যখন গৈ থাকিব। আগতে এখন university আছিল, এতিয়া ১০ খন হ'ব ২০ খন হ'ব, মেডিকেল কলেজ এখন আছিল ১০ খন হ'ব। যি চৰকাৰে নহওঁক ছাৰ, ইয়াৰ কৃত্বিত্ত সকলোৰে আছে। এইটো ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ পৰাই আৰু সেই কাৰণে এইখন চৰকাৰে কনকলতাৰ নামত, বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ আগবাঢ়িছে গহপুৰত। স্বাধীনতা সংগ্ৰামত কনকলতা আছিল কাৰণে আজি আমি একেলগে আগবাঢ়ি যাবলৈ পাৰিছো। অধ্যক্ষ মহোদয়, ইয়াত আমাৰ বিত্তমন্ত্ৰীয়ে যিখন বাজেট দাখিল কৰিলে, এই বাজেটখন তেখেতৰ পূৰ্ণাংগ শেষ বাজেট। আমি আশা কৰিছিলো যে অসমৰ উন্নয়নৰ ভেটি তৈয়াৰ কৰা এখন যুগান্তকাৰী বাজেট হ'ব, কিন্তু তেনেকুৱা দেখা নাপালো। প্ৰথম পৃষ্ঠাতে তেখেতে ঝুমুৰ বিনন্দিনীৰ কথা কৈছিল। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অংশ গ্ৰহণ কৰিছিল, আমি বেছি ভাল পালোহেতেন। আমি ইয়াক সমৰ্থন কৰিছো, ভাল পাইছো, ঝুমুৰক বিশ্বৰ দৰবাৰলৈ লৈ যাব বিচাৰিছে আৰু ভাল পালোহেতেন যদি বাজেটত এই সকল চাহ মজদুৰৰ মজুৰি বৃদ্ধিৰ প্ৰস্তাৱ কৰিলেহেতেন। যিয়ে নহওঁক কিছুমান ভাল কথা আমি ক'ব লাগিব। কম্পিউটাৰ শিক্ষকৰ চাকৰি ২০ হাজাৰ দিয়াৰ কথা কৈছে, মই কেইবাবাৰো এই বিধান সভাত এই কথাটোৰ প্ৰস্তাৱ বিচাৰিছিলো বাণী কান্ত কাকতি শিক্ষানুষ্ঠান, সেই শিক্ষানুষ্ঠানৰ শিক্ষক সকলৰ দৰমহা এই ৬০ বছৰৰ সময়টো মই ভাল পাইছো আৰু ইয়াৰ লগতে আমাৰ কিছুমান কথা আপত্তি থাকিল, যে প্ৰাদেশীকিকৰণ আইন কৰিম বুলি ক'লে, যদিওঁ তাত কিছুমান criteria ৰ কথা কৈছে, আমি আহিলে আইনখন দেখিম যে টিউটৰ সকলৰ সংশ্লিষ্ট অসম শিক্ষাৰ সেৱাৰ প্ৰাদেশীকীকৰণৰ শিক্ষানুষ্ঠান পুনৰ গঠন আইনৰ চৰ্ত অনুসৰি শিক্ষক আৰু পেচাগত অৰ্হতা ৫ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। তেওঁলোকক শিক্ষক পদলৈ উন্নতি তেতিয়াহে হ'ব। এই কথাটো অলপ চিন্তা কৰিবলগীয়া। আমি ১৭ চনৰ আইনখনৰ যেতিয়া ইয়াত সংশোধনী আনিব সেইটো মই ভাবো আমাৰ এখন high power cabinet sub Committee কৰি দিছে, এইখিনি কথাওঁ তেওঁলোকে বিচাৰ বিবেচনা কৰিব। লগতে আমাৰ যিসকল শিক্ষকে পলিটেকনিকত কাম কৰি আছিল, তেখেত সকলৰ আজি আমি নিউজ পাইছো যে ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ বিপৰীত ছবি, পলিটেকনিক অভিযান্ত্ৰিক কলেজৰ ১৪৭ অংশকালীন প্ৰৱক্তাক চাটাই কৰা হৈছে। এইটো কথাওঁ তেখেত সকলে বিবেচনা কৰিব। মই এটা কথা ক'বলৈ বিচাৰিছো যে দেশখন বিকাশৰ কাৰণে আটাইতকৈ ডাঙৰ প্ৰয়োজন কৃষি। আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই যিমানেই ভাল বীজ নিদিয়ক কিয়, ট্ৰেক্টৰ ,পাৱাৰটিলাৰ অন্যান্য মেচিনাৰী নিদিয়ক কিয় কিন্তু যেতিয়ালৈ সেই কৃষি ক্ষেত্ৰলৈ পানী যোগান সম্পূৰ্ণ ভাৱে ন'হব তেতিয়ালৈ কিন্তু ছাৰ, সেই খন দেশ কৃষিৰ ক্ষেত্ৰত আগবাঢ়ি যাব নোৱাৰে। ২০২৩-২৪ চনৰ বাজেটত আমাৰ মাননীয় অজন্তা বাইদেউয়ে প্ৰতিখন পথাৰলৈ পানী বুলি কৈছিল আৰু তেতিয়া আমাৰ ১০৩২ কোটি টকাৰ প্ৰায় বাজেট দাখিল কৰিছিল। ছাৰ, সৰ্বভাৰতীয় পৰ্য্যায়ত জলসিঞ্চনৰ, পানী যোগানৰ গড় ৩৫ শতাংশ। কিন্তু আমাৰ অসমত মাত্ৰ ২.৩৬ শতাংশ। গতিকে ২.৩৬ শতাংশ পথাৰত পানী দি আমাৰ কৃষি কেনেকৈ উন্নতি হ'ব? সেই কাৰণে ছাৰ কিছুমান কথা আমি চাব লাগিব, মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই ২০২৪-২৫ চনত এটা কথা কৈছিল যে PM বিশ্বকৰ্মা যোজনাৰ অধীনত প্ৰধান মন্ত্ৰী বিশ্বকৰ্মা প্ৰমান পত্ৰ তথা পৰিচয় প্ৰদানৰ জৰিয়তে ওঠৰটা শাখাত নিয়োজিত কৰা শিল্পী আৰু কাৰিকৰ সকলক সম্পূৰ্ণ সহায় আগবঢ়াব। কৈছিল যে দেশৰ ভিতৰত ৪,৯৭ ৯৩৮ খন দৰ্খাস্ত পোৱা হৈছিল, দেশৰ ভিতৰত

যিমান দৰ্খাষ্ট আছিল তাৰে ষষ্ঠ বুলি কৈছিল। কিন্তু ছাৰ, দুখৰ কথা যে আমি এটা বাতৰিত পাইছো, ইয়াৰে যিমানখিনি আবেদনকাৰী আছিল ৯৪ শতাংশ মানুহে ইয়াৰ পৰা বঞ্চিত হোৱা বুলি বাতৰি ওলাইছে। আমি বাজেটত কৈছো যে আমি খুব ভাল পাইছো সেইটো কোৱাৰ কাৰণে কিন্তু ইয়াত ৯৪ শতাংশ আবেদনকাৰীয়ে এই আঁচনিৰ সুফল ছাৰ, লাভ নকৰিলে। আমাৰ ২০২২-২৩ চনৰ বাজেটত কেইবাটাওঁ ঘোষণা কৰিছিল। আমি প্ৰত্যেক বছৰে বছৰে বাজেট পাই থাকো। তাতে কৈছিল যে ৫০-৫০ চেয়াৰত কেইবাখনো ৰেলৱে ব্ৰীজ,অভাৰ ব্ৰীজ হ'ব। ছাৰ, মোৰ নলবাৰী জিলাৰ টিহুত এখন অভাৰ ব্ৰীজ হ'ব তাত দিছিল টিহু লেবেল ক্ৰচিং গেট নং এচ কে ২৬। আজিলৈ তাত আৰম্ভ ন'হল। বাজেট আমি দিম, কিন্তু তাত কামটো আৰম্ভ হ'ব লাগিব। আমি বাজেট ২০২২-২৩ চনৰ কথা কৈছো। স্বাস্থ্যৰ ক্ষেত্ৰত ২০২২-২৩ চনত কৈছিল যে অসমত বৰপেটা, শিলচৰ, ডিফু, যোৰহাট, তেজপুৰ, লক্ষিমপুৰ মেডিকেল কলেজক আমি super speciality hospital লৈ উন্নীত কৰিম। এই ক্ষেত্ৰত ছাৰ, শিলচৰ আৰু যোৰহাটত কিছু কাম কৰিছে, যদিও বৰপেটা, ডিফু, তেজপুৰ, লক্ষিমপুৰত আজি লৈকে কিন্তু super speciality নহ'ল। ৰাজহৰ ক্ষেত্ৰত কৈছিল যে ২০২২-২৩ চনত, পি জি আৰ আৰু ভি জি আৰত বহু বছৰ বাস কৰি থকা লোক সকলক ভূমিৰ অধিকাৰ দিব। সেই ক্ষেত্ৰত আমি একো দেখা নাপালো ছাৰ। স্বাস্থ্যৰ ক্ষেত্ৰত কৈছিল ২০২২-২৩ চনৰ বাজেটৰ কথা কৈছো। গুৱাহাটী আই টি আই'ত multi speciality hospital ৰ বাবে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছিল। এতিয়ালৈ আমিটো দেখা নাই যে গুৱাহাটী আই আই টি ত কি হৈছে আমি গম পোৱা নাই। শিক্ষাৰ ক্ষেত্ৰত আমি দেখিছিলো, handloom ৰ ক্ষেত্ৰত আমি বহুত কথা দেখিছিলো যে স্বনিৰ্ভৰশীল নাৰী আঁচনিৰ অধীনত হস্তঁবস্ত্ৰৰ আহৰণ অব্যাহত থাকিব। আজি কেইদিন মান আগতে ছাৰ গুজৰাটৰ পৰা বহু হাজাৰ গামোচা অসমলৈ আহিছে আৰু ইয়াত কামাখ্যা ষ্টেশ্যনত পৰিছে। যি নহওঁক আমাৰ কথাটো হ'ল যে দেশ এখনৰ বা ৰাজ্য এখনৰ উন্নয়ন হ'বৰ কাৰণে আমি কাম কৰিব লাগিব। সেই ক্ষেত্ৰত মই এটা কথাই আহ্বান জনাম যে এইখন চৰকাৰে এতিয়ালৈ কিছুমান ডাঙৰ কাম নকৰিলে। আজি চাহ উদ্যোগৰ কথা কৈছিলো, বাৰম্বাৰ কৈছো যে অসমৰ চাহ পাত নহ'লে অসমৰ চাহৰ নাম নাথাকে। অসমক বাহিৰৰ মানুহে সদায় চাহৰ কাৰণে বিখ্যাত বুলি জানে। কিন্তু ছাৰ, আমি উদ্যোগীকৰণৰ ক্ষেত্ৰত আমি অসমত চাহবাগিচা সংকুছিত কৰি তাত আমি ৰিজৰ্ট বনাইছো, বা অন্যান্য কাম কৰিছো। এই ক্ষেত্ৰত আমি অসমৰ চাহৰ কাৰণে বৃহৎ পেকেজ দি হলেওঁ অসমত চাহপাতৰ প্ৰডাকশ্যন বঢ়াবৰ কাৰণে প্ৰস্তাৱ কৰিব লাগে। অধ্যক্ষ মহোদয়, নিবনুৱাৰ ক্ষেত্ৰত এটা কথা কৈছিল যে পঞ্জীয়নভুক্ত নিবনুৱা অসমত ৩৫ লাখ আছে আৰু কিন্তু নিযুক্তি দিছে, ১ লাখ ৬০ হাজাৰক, আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে। Advantage Assam 2.0 ক যোগান্তকাৰী পদক্ষেপ বুলি কৈছে। কিন্তু Advantage Assam ১.০ ইমান বিনিয়োগ অসমলৈ আহিল আমি গম নাপালো। মুখ্যমন্ত্ৰী মহোদয়ে অলপ আগতে কৈছিল কংগ্ৰেছৰ দিনত ধুতি আৰু কম্বল বাহিৰৰ পৰা আনে, মই এটা কথা আহ্বান জনাম মুখ্যমন্ত্ৰী মহোদয়ক যে অসমত আজি আমাৰ ল'ৰা-ছোৱালীখিনিক চাইকেল আৰু স্কুটি দিছো, আমি চাৰ উদ্যোগীকৰণত Advantage Assam কৰিছে ইয়াত, ভাল পাইছো। সেই সকল চাইকেল কোম্পানী অসমৰ বাহিৰৰ? অসমত কিয় চাইকেল ফেক্টৰী বহাব নোৱাৰে? অসমত আহি স্কুটি নিৰ্মাণ কৰিব কিয় নোৱাৰে? সেই কথাটো আজি মই আহ্বান জনাইছো। তেতিয়াহে ছাৰ আমাৰ ইকনমিটো ভাল হ'ব। গতিকে মই খুব আক্ষেপেৰে ক'বলৈ বিচাৰিছো যে যোৱা ৫ টা বছৰত ডাঙৰ উদ্যোগ আহিব আমি তেওঁলোকক সুবিধা দিছো, আমাৰ বহুত অসমীয়া

উদ্যোগী আছে। তেওঁলোকক চৰকাৰী মাটি দিয়ক ছাৰ,অসমীয়া মানুহৰ সেই capacity টো আছে, তেওঁলোকেও উদ্যোগ নিৰ্মাণ কৰিব। বাহিৰৰ পৰা আনিব, আনিব লাগিব আপুনি টাটাক আনিছে, আমি ভাল পাইছো ডাঙৰ ডাঙৰ কোম্পানী আহিব লাগিব, অসমৰ যিসকল নতুন উদ্যোগী আছে, তেওঁলোককো আমি সুবিধা দিয়া উচিত হ'ব। আমি তেওঁলোকক ৰাজসাহায্য দিব লাগিব। যি নহওঁক মই এটা কথা শেষত আকৌ ক'ব বিচাৰিছো যে যোৱা ৫ বছৰত অসমত ২,১০৯৮২ টা ক্ষুদ্ৰ উদ্যোগ বন্ধ হৈ গৈছে। মুখ্যমন্ত্ৰী মহোদয়ে এই মাত্ৰ কৈছে যে মিঠাতেলৰ কাৰণে আমি এটা গাওঁ পৰ্য্যায়ত এটা ব্ৰেণ্ড ৰেডি কৰি আমি সাহায দিম বুলি কৈছে, এইটো আমি ভাল পাইছো। ঠিক তেনেকুৱা কাম কৰক যে আমি ক্ষুদ্ৰ উদ্যোগ জীয়াই ৰাখিব লাগিব।

(সভাপতি মহোদয়ে মাননীয় অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ কৰে)

এই ক্ষুদ্ৰ উদ্যোগ বন্ধ হোৱাৰ পিছত ৩ লাখৰো অধিক লোক কৰ্ম সংস্থান হেৰুৱাইছে। গতিকে মই এটা আহ্বান জনাম এইখন চৰকাৰক যে Advantage Assam কৰিলে ভাল পাইছো, কিন্তু আজি এই সুযোগতে অকল বাহিৰৰ কোম্পানী নহয়, অসমৰ থলুৱা যুৱক-যুৱতীক আত্মনিৰ্ভৰ হোৱাৰ কাৰণে আমি সুযোগ দিব লাগিব তেখেত সকলকো আমি ৰাজ সাহায্য প্ৰদান কৰিব লাগিব, বেংকৰ লোন দিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে চৰকাৰী মাটি দি হ'লেওঁ উদ্যোগ স্থাপন কৰাৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ** এতিয়া মাননীয় সদস্য সিদ্ধাৰ্থ ভট্টচাৰ্য্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, পূব গুৱাহাটী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, যোৱা কালি আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানী সদনত যিখন বাজেট উত্থাপন কৰিলে তাৰ বাবে মই ধন্যবাদ জনাইছো। যেতিয়া মই বাজেটখন অধ্যয়ন কৰিলো তাত যথেষ্ট তথ্য দেখা পালো। সাধাৰণতে বাজেট এখনত তুলনামূলক কথাবোৰ নাথাকে। কিন্তু এই বাজেট খনত তুলনামূলক পৰিসংখ্যা বোৰ আছে। যাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। যিকোনো ৰাজনৈতিক দলে হওক, সি বিজেপি, এজিপি, কংগ্ৰেছ, এ আই ইউ দিফ হওক তেওঁলোক পৰিচালিত হয় একো একোটা ৰাজনৈতিক চিন্তাধাৰাৰে আৰু সেই ৰাজনৈতিক চিন্তাৰ লগত কিছু অৰ্থনৈতিক চিন্তা জড়িত হৈ থাকে। আৰু প্ৰত্যেকটো দলেই সেই চিন্তা ধাৰাটো ৰাইজৰ মাজলৈ লৈ গৈ চৰকাৰ গঠন কৰি সেই চিন্তা ধাৰাক প্ৰৱৰ্তণ কৰিব বিচাৰে। বাওঁপন্থী সকলে তেওঁলোকৰ চিন্তাধাৰাটো প্ৰৱৰ্তন কৰিব বিচাৰে। যেনেকৈ আমি পশ্চিম বংগ, কেৰালা আৰু ত্ৰিপুৰাত আমি তাৰ নিৰ্দশন দেখিছো। ঠিক তেনেকৈ বিজেপিৰো এটা নিজস্ব ৰাজনৈতিক দৰ্শন আছে। আৰু সেই ৰাজনৈতিক দৰ্শনটো হৈছে অন্তোৰ্দয়া ইয়াৰ অৰ্থ হৈছে সমাজৰ শেষ পন্থীৰ শেষ ব্যক্তি জনক সমূখলৈ অনা। সেই চিন্তা ধাৰা লৈ ২০১৬ চনত আমি ক্ষমতালৈ আহিছো আৰু সেই চিন্তা ধাৰাক আমি ধাৰাবাহিক ভাৱে আমি লৈ আহিছো, বিভিন্ন কাৰ্য্যসূচীৰ মাজেৰে বিভিন্ন পন্থাৰ মাজেৰে। ২০২১ চনত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হল তাৰ আগতে তেখেতে বিত্তমন্ত্ৰী আছিল। আমাৰ এই চিন্তাধাৰাটোক অক্ষুন্ন ৰাখি বৰ্তমান ইয়াক আৰু গতিশীল কৰা হৈছে। আৰু এই গতিশীল কৰাৰ চিন্তাধাৰাটো আহিছে চৰকাৰ খনৰ মূৰব্বী মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পৰা আৰু বিত্ত মন্ত্ৰীয়ে বাজেট খন প্ৰস্তুত কৰা সময়ত সেই চিন্তাধাৰাবোৰ বাজেটত অন্তৰ্ভূক্ত কৰে। এটা কথা আজি মোৰ খুব ভাল লাগিছে যে অলপ আগতে কংগ্ৰেছৰ বৰ্মন ডাঙৰীয়াই কৈছে যে ক্ষুদ্ৰ উদ্যোগিক সকলক আমি উৎসাহিত কৰিব লাগে। আমাৰ চৰকাৰ খনে টাটা গ্ৰুপৰ লগত যি Semi Conductor কথা পাতিছে তাৰ পৰা আমাৰ ক্ষুদ্ৰ উদ্যোগীক সকল উৎসাহিত হব। আৰু তেখেত সকলে উদ্যোগ স্থাপন কৰিব পাৰিব। ক্ষুদ্ৰ উদ্যোগ মানে অকল চিৰা মুড়ি

বনোৱা অকল ক্ষুদ্ৰ  উদ্যোগে নহয়। আজি প্ৰযুক্তি সলনি হৈছে সমাজৰ যি চাহিদা সলনি হৈছে। আজি ১৫ বছৰ আগতে আপুনি মই যিটো মোবাইল ফ'ন ব্যৱহাৰ কৰিছিলো আৰু আজি আপুনি মই যি মোবাইল ফ'ন ব্যৱহাৰ কৰো তাৰ মাজত বহুতো ব্যৱধান আছে। কাৰণ প্ৰযুক্তি আগবাঢ়ি গৈছে আৰু সেই প্ৰযুক্তিৰ লগত যিয়ে  খোজ ৰাখি আগবাঢ়ি যাব পাৰিছে সেই মানুহে হওঁক বা ব্যৱসায়ীক গোষ্ঠীয়ে হওঁক তেওঁলোকে আগবাঢ়ি যাব পাৰিব।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ**  মাননীয় বিধায়ক আপোনাক দলে ৫ মিনিট সময়হে দিছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, পূৱ গুৱাহাটী ঃ** মাননীয় সভাপতি মহোদয়, আপুনি মাত্ৰ ১ মিনিট সময় দিয়ক। মই মাত্ৰ তাত্বিক দিশটোহে কৈছো। আমাৰ সেই উন্নত চিন্তাধাৰাক আগবঢ়াই নিব পৰাকৈ যি Advantage Assam 2.0 পতা হ'ল আৰু অকল অসমতে এনেকুৱা বিনিয়োগ সন্মিলন হোৱা নাই ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যটো হৈছে।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ** মাননীয় মন্ত্ৰী-বিধায়ক সকল আমাৰ সদনত বৰ্তমান থুল নাই। মই সকলো দলীয় নেতৃত্বক অনুৰোধ কৰিছো যে তেওঁলোকৰ দলীয় সদস্য সকলক সদনৰ ভিতৰলৈ মাতি দিয়ক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, পূৱ গুৱাহাটী ঃ** মাননীয় সভাপতি মহোদয়, মই এই ক্ষেত্ৰত দুখিত্ব যে সদনত থুল নাই। বৰ্তমান অসমত বিনিয়োগৰ যি এটা পৰিৱেশ সৃষ্টি কৰা হল ইয়ে আমাৰ অসমত উদ্যোগীকৰণৰ এটা পৰিৱেশ সৃষ্টি কৰিব। আৰু এই পৰিৱেশ সৃষ্টি কৰাৰ বাবে এই বাজেট খন আমাৰ বাবে যথেষ্ট সহায়ক হব । মই পুনৰবাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাম কাৰণ তেখেতে উত্থাপন কৰা বাজেট আৰু এই বাজেটৰ মাজত ধাৰাবাহিকতা আছে। আৰু এই বাজেট খনে অহা ১০/১৫ বছৰৰ ভিতৰত অসমক ভাৰতৰ উন্নত ৰাজ্যৰ ভিতৰত স্থান পাবলৈ সক্ষম কৰিব। ধন্যবাদ।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ** এতিয়া আমাৰ কেইবাজনো বক্তা যেনে আমিনুল ইছলাম (জেষ্ঠ), পদ্ম হাজৰিকা, যাদব স্বৰ্গীয়াৰী অনুপস্থিত গতিকে এতিয়া আমাৰ মন্ত্ৰী শ্ৰী ভবেশ কলিতা ডাঙৰীয়া।

**শ্ৰী ভবেশ কলিতা, ৰঙিয়া ঃ** সভাপতি মহোদয়, যোৱাকালি আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্থাপন কৰা বাজেটৰ সপক্ষে মই দুআষাৰ কথা কম। এইখন এখন উন্নয়ন মুখী, কৰ বিহিন বাজেট। আৰু এই বাজেট খনে অসমৰ সকলো শ্ৰেণীৰ মানুহকে চুই গৈছে। আমি সকলোৱে জানো যে চৰকাৰ এটা চলন্ত প্ৰক্ৰিয়া আৰু আমাৰ চৰকাৰখনে এই ধাৰাবাহিকতাটো ৰাখিছে। বিত্ত মহোদয়ানীয়ে পঞ্চম বাৰৰ বাবে ধাৰাবাহিক ভাৱে বাজেট উত্থাপন কৰি আছে। ইয়াৰ আগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এক দিঘলীয়া ভাষণ দি গৈছে বাজেট খনৰ ওপৰত আৰু এই বাজেট খনে সকলো শ্ৰেণীৰ জনতাক কি দৰে উন্নয়শীলতাৰ গতি দিছে। আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি দৰে সবকা সাথ সবকা বিকাশ ওপৰত গুৰুত্ব দি আহিছে, আৰু সকলোকে সমাহিত কৰি আজি যি ভাৰত নিৰ্মাণৰ কথা কৈছে । ঠিক তেনেকৈ আজি অসমতো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত সন্মানীয়া বাইদেউয়ে যিখন বাজেট দিছে, সঁচাই সকলোকে সমাহিত কৰি উন্নয়নৰ পৰা, কৃতিস্তম্ভৰ পৰা, কৃষ্টি-সংস্কৃতি, সাহিত্য সম্ভাৰলৈ। আমাৰ দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক দেশ স্বাধীনতাৰ প্ৰায় ৭৭ বছৰ পিছতো আমি অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে পালো। দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আমাৰ মাতৃভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিলে তাৰ বাবে

আমি এই সদনৰ পৰা অসমবাসীৰ হৈ ধন্যবাদ জনাইছো। আমাৰো কৰণীয় আছে, মই এই ক্ষেত্ৰত দেখিবলৈ পাইছে, যে যিসকল গ্ৰন্থ প্ৰনেতা, যি সকল publisher, তেওঁলোকক উদগণি দিয়া হৈছে, এই বাজেট ব্যৱস্থাত।

দ্বিতীয়তে, এই গন্থৰ সম্ভাৰ, গন্থ মেলা। জিলা head quarter ত পাতিলে ৫ লাখকৈ টকা assistant দিব, সমজিলা পাতিলে ২লাখ ৫০ হাজাৰ বা ৩ লাখ টকাকৈ দিব, অতি নজিৰবিহিন ঘটনা। এয়া হৈছে আমাৰ স্বভিমান, এয়া হৈছে গৰিমা, এই গৰিমা, নিশ্চিতভাৱে এই বাজেটৰ জৰিয়তে reflect কৰিবলৈ এখন চৰকাৰে সক্ষম হৈছে।

আজি ৰাস্তা-ঘাট, যিটো যোগাযোগ, যাতায়ত, উন্নয়নৰ প্ৰধান মেইন পেৰামিটাৰ হৈছে যোগাযোগ আৰু যাতায়ত। ২০১৬ চনত এই পবিত্ৰ সদনত আমি প্ৰথম বাৰৰ বাবে যেতিয়া আমি নিৰ্বাচিত হৈছিলো, আমাৰ গড়কাপ্তানি মন্ত্ৰী আছিল বৰ্তমানৰ সাংসদ শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া। আমাৰ ২ কোটি টকা দিছিল আৰু আমি বহুত উৎসাহিত হৈছিলো। এই প্ৰচেটো আহি আহি এটা বিত্ত বৰ্ষতে প্ৰায় ৪৫ কোটি টকাৰ কম কোনো সমষ্টিতে পোৱা নাই।

ইয়াৰ উপৰিও, যি অসম মালা আছে, যিদৰে আমাৰ one district one product আছিল। এতিয়া one district one Assam Mala আমি পাবলৈ সক্ষম হম। এইটো এটা সাংঘাটিক এক পৰিবৰ্তন। মোৰ মণত পৰিছে, ২০১৬ চনত যেতিয়া আমি ভোট বিচাৰিছিলো, বৰ্তমান দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আতচ্চা দিন আয়েগা। আজি সঁচাই অসমৰ জনতাই অনুভৱ কৰে যে এই আতচ্চা দিন।

আমাৰ যি আন্তঃগাঠনি, যোগাযোগ, যাতায়ত, স্বাস্থ্য, শিক্ষা, কৃষি, প্ৰতিখন বিধান সভাৰ সমষ্টিত আজি স্কুলৰ যিটো পৰিৱেশ কমেও পাঁচৰ পৰা সাতখনকৈ স্কুল, Nesich হওঁক, PM-DevINE হওঁক,, PMC হওঁক, এক সুন্দৰ পৰিবেশত এইখন চৰকাৰে এক সুন্দৰ বিত্ত ব্যৱস্থাৰে লৈ যাবলৈ সক্ষম হৈছে। মই বিত্তমন্ত্ৰী মহোদয়াক পুনৰ ধন্যবাদ জনাইছোঁ।

যোগাযোগৰ ক্ষেত্ৰত যি মাইলস্তোন যে প্ৰতিখন জিলাত যিদৰে অসম মালাৰ ৰাস্তা হ'ব, তাৰ কাৰণে স্বতন্ত্ৰ ভাৱে দায়িত্ব সন্মানীয় বিধায়কসকলক। ঠিক তেনেদৰে যোগোযোগৰ ক্ষেত্ৰত যিদৰে দিছে, শিক্ষাৰ ক্ষেত্ৰতো তেনেধৰণে দিছে।

বহুতে কয়, অৰুণোদয় আঁচনিৰ কথা। অৰুণোদয় সকলোৰে বিচাৰে, ইয়াতে কয় যে এইটো এটা হিতাধিকাৰী আঁচনি। এখন চৰকাৰে কোনো হিতাধিকাৰী আঁচনি বনোৱা নাই। দুখীয়া নিচলাক সহায় কৰাৰ কাৰণে এই আঁচনি লোৱা হৈছে। পৰম শ্ৰদ্ধাৰ মাতৃসমাজক যদি সন্মান দিবলৈ, মৰ্য্যদা সহকাৰে জীয়াই থকাৰ কাৰণে প্ৰেৰণা দিব লাগে, সেই নিয়মতহে অৰুণোদয় আঁচনিখন লোৱা হৈছে। ২০১৮ চনৰ অৰুণোদয়ৰ ধন ৮৩০ টকা আছিল, তেতিয়া প্ৰায় ২১ লাখ পৰম শ্ৰদ্ধাৰ আয় মাতৃ সমাজে এই অৰুণোদয় আঁচনিখন লাভ কৰিছিল। পৰবৰ্তীসময়ত বঢ়াই ১০০০ টকালৈ লৈ যোৱা হৈছিল আৰু তাৰ পৰবৰ্তীসময়ত ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ল আৰু প্ৰায় এতিয়ালৈকে ২৬ লাখ মোৰ পৰম শ্ৰদ্ধাৰ আয় মাতৃ সমাজে এই অৰুণোদয় আঁচনিখন উপভোগ কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, তেখেতৰ লক্ষ্য আছিল যে এইটো আমি ৪০ লাখলৈ লৈ যাম আৰু এইবাৰ ৩৭.২ লাখ পৰম শ্ৰদ্ধাৰ আয় মাতৃ সমাজক অৰুণোদয় আঁচনিখনৰে সমাহিত কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগতে বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

মই শেষত এটা কথা কৈছো, এই পবিত্ৰ বিধান সভাতো তেখেতৰ নাম স্মৰণ কৰিছে, অৱসৰপ্ৰাপ্ত লেফেটেন্টত জেনেৰেল, আৰ পি কলিতা ডাঙৰীয়া, তেখেত মোৰ সমষ্টিৰে সন্মানীয়

ব্যক্তি। তেখেতক এইবেলি অসম চৰকাৰৰ ফালৰ পৰা অসম ভৈৰব স্বীকৃতি দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো চৰকাৰখনক, তেখেত Indian Army ৰ highest post ত অধিষ্ঠিত আছিল, এই সদনে তেখেতক ধন্যবাদ দিয়াৰ কাৰণে ময়ো ধন্যবাদ জনাই মোৰ দুষাৰ সামৰিছো।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিং ঃ** (সদনত এটা হিন্দী কবিতাৰে সদস্য গৰাকীয়ে তেখেতৰ বাজেটৰ ওপৰত বক্তব্য আৰম্ভ কৰে)

মাননীয় সভাপতি মহোদয়, মই আজি, যিটো বাজেট যোৱা কালি অসমৰ মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই দাঙি ধৰিলে, এটা নিৰ্বাচন মুখী আৰু এটা ভোট বেংকৰ লক্ষ্য হিচাপে লোৱা এখন সম্প্ৰদায়িক অসম গঢ়াৰ লক্ষ্যৰে কালি যি ধুনীয়া বাজেট উত্থাপন কৰিলে, তাৰ কাৰণে প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিলো।

মাননীয় সভাপতি মহোদয়, আমি দেখিছিলো এই বাজেটত মুঠ যিটো revenue collection প্ৰতিশ্ৰুতি দিয়া হৈছিল ৩৪,৮২৩.০৪ কোটি টকা tax revenue হিচাপে প্ৰস্তাৱ ৰখা হৈছে আৰু non-tax revenue হিচাপে ৮,৩৬১.২৪ কোটি টকা প্ৰস্তাৱ ৰখা হৈছে । কিন্তু ইয়াত আমি যিটো দেখিছো total revenue শিতানত revenue receipt চৰকাৰে প্ৰস্তাৱ কৰিছে ১,১৮,২২৫.৯৭ কোটি টকা আৰু বাকী ৩৮,২০২.৭৮ কোটি টকা capital receipt হিচাপে চৰকাৰে প্ৰস্তাৱ কৰিছে।

এতিয়া আমি যদি যোৱা ২০২৪-২৫ বৰ্ষৰ যিটো বাজেট estimate, সেই ফালে লক্ষ্য কৰো, আমি দেখা পাম যে ২০২৪-২৫ বৰ্ষত revenue receipt ৰ প্ৰস্তাৱ ৰখা হৈছিল ১,১১,৯৯৩.৮৪ কোটি টকা। কিন্তু ফ্ৰেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখলৈকে সেইটো চৰকাৰে ৪৩,০১৯.৭০ কোটি টকা ইতিমধ্যে সংগ্ৰহ কৰিছে, হয়তো মাৰ্চৰ শেষলৈকে গৈ আৰু অলপ বাঢ়িব। আমি আচলতে যোৱা বছৰৰ যিটো হিচাপ যিমান revenue receipt expenditure, capital receipt expenditure গোটেইখিনি আমি পোৱা নাই, আচলতে নতুন বাজেটখন কৰাৰ আগতে যোৱা বছৰৰ হিচাপৰ পৰিপূৰ্ণ তথ্যখিনি আহি পালে ভাল হয়। CAG ৰ report ত আহি পোৱা নাই, আমি অসম বিধান সভাত প্ৰশ্ন উত্থাপন কৰিছিলো, বিত্তমন্ত্ৰী মহোদয়াই এটা উত্তৰ দিলে যে এইটো মহাগাণনিকৰ হিচাপ হোৱা নাই, audit হোৱাৰ পিছতহে, তেতিয়া দিয়া হ'ব। এইটো আহোতে ২ বছৰ পাৰ হয় আৰু এই বছৰৰ বাজেটটো এক দুই বছৰৰ পিছত আমি পাম, সেইমতে নতুন বাজেটত আমি কেনেকৈ আলোচনা কৰিম। এইটো এটা দূৰ্ভাগ্য আমাৰ নে পৰিতাপ পূৰ্ণ।

যিয়ে নহওঁক, মাননীয় সভাপতি মহোদয়, এই গোটেই কথাখিনি আলোচনা কৰাৰ প্ৰয়োজন আছিল। কিন্তু এটা কথাত মোৰ আপত্তি আছে, বাজেটত লিখা হৈছে সৰ্বপৰি ই হৈছে জনমুখী কল্যাণকামী বাজেট। একেবাৰে এটা বাক্যক অপদাৰ্থ কৰা হৈছে। এটা ভুল বাক্য আনি পেলাই ইয়াত সোমাই দিয়া হৈছে, বাক্যটো লিখা হৈছে সৰ্বপৰি বাজেটখন হৈছে জনমুখী কল্যাণকামী বাজেট। যিটো এই বাজেটত বাক্যটোৰে কোনো পদ্ধে কাট নাখায়। আৰু তাত লিখা হৈছে প্ৰতি গৰাকী নাগৰিকৰ সুনিশ্চিত কৰা ইয়াত কথাটো তাত লিখা হৈছে প্ৰতিগৰাকী নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ইয়াত কথাটো আহিছে। কিন্তু এই যে লিখা হৈছে বাক্যটোত যে জনমুখী কল্যাণকামী বাজেট প্ৰতি গৰাকী নাগৰিকৰ সুৰক্ষিত কৰাৰ নিশ্চয়তা প্ৰদান কৰা বাজেট মই দেখিছো এই বাজেটত

ইমান এটা বিভাজন সৃষ্টি কৰা হৈছে প্ৰতিজন নাগৰিকৰ সুৰক্ষাটো সুনিশ্চিত হোৱা নাই, অসম্পূৰ্ণ কথা বিভাজনমুখী আৰু সম্প্ৰদায় বিৰোধীকৰণৰ এটা বিষয়হে কৰি দিয়া হৈছে। গতিকে কিছুমান শব্দ, সুন্দৰ শব্দ এই বাজেটত অপ্ৰাসাংগিক হৈছে। সভাপতি মহোদয়, ইয়াত অৰুণোদয় আঁচনিত যিহেতুকে মহিলা সবলিকৰণৰ কথাটো কোৱা হৈছে, অৰুণোদয় ৩.০ ত যিটো কাৰবাৰ হৈ আছে আগতে যি সকলে অৰুণোদয় পাইছিল তেওঁলোকৰ উপৰিও যিখিনি শাৰিৰীক ভাৱে বিশেষ সক্ষম, যি সকল বিধৱা এইবাৰ সকলোকে নতুনকৈ এপ্লাই কৰিব দিছে। নতুনকৈ এপ্লাই কৰিব দি প্ৰত্যেক গোট কেন্দ্ৰত ৩ জনকৈ শাসকীয় দলৰ ব্যক্তিক চিলেক্চন কমিটীত দিছে বিজেপিৰ বা এজিপিৰ। তেওঁলোকক পাৱাৰ দিয়া হৈছে নতুন পুৰণা যিমাণে এপ্লাই কৰিব তেওঁলোকে তাত চিলেকচন কৰিব। এতিয়া যি দেখিলো আগতে যি সকলে অৰুণোদয় পাইছিল স্পেচিয়েলি able, গতিকে সেই তেনেকুৱা বহু কালি পৰহিও এগৰাকী ছোৱালীক হুইল চেয়াৰত আনি মই এটা আধাৰশীলাৰ কামত গৈছিলো তেতিয়া আনি দেখুৱালে আৰু কৈছে আগতে অৰুণোদয় পাইছিল। তেওঁ পাগল, হাত কামুৰি থাকে এতিয়া কৈছে এতিয়া অৰুণোদয়ৰ নতুন লিষ্টৰ পৰা বাদ দিয়ক। মই ফটো মাৰি আনিছো। সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে অধ্যক্ষ মহোদয়ক দিব পাৰিম, এনেকৈ কিমান specially able বা বিশেষ ভাৱে সক্ষম যি সকল কিমান আগত থকা বাদ দিয়া হৈছে নতুন লিষ্টত। এই যে ৩ জন কৈ কমিচনাৰ লেভেলৰ পাৱাৰ দি তেওঁলোকক দিছে গোট কেন্দ্ৰত গতিকে এই অৰুণোদয়ৰ নামত আগত পোৱা কিমান যোগ্য হিতধিকাৰী বঞ্চিত হৈছে এই বিলাক বহুত কথা, আচলতে অৰুণোদয়ৰ এই কথাষাৰেৰে সামৰিছো। গতিকে বাজেটত ধুনীয়া ধুনীয়া কথা কলেই নহ'ব। কথাখিনিৰ অৰ্থ মূল্যায়ন নিজে কৰিব পৰা হ'ব লাগিব। ইয়াত আমাৰ কেইদিন মান আগতে এই পবিত্ৰ সদনত যি সকল স্নাতক আৰু স্নাতকোত্তৰ নিবনুৱা আছে, যি সকলৰ চাকৰিৰ বয়স পাৰ হৈ গ'ল তেওঁলোকৰ কাৰণে এককালীন সাহাৰ্য্য এটা দিয়াৰ কথা কৈছে। যিটোৰ দ্বাৰা তেওঁলোকে এটা ব্যৱসায় আৰম্ভ কৰিব পাৰে। কিন্তু সেইটো নকৰি এতিয়া স্নাতক সকলক ২ হাজাৰ টকাকৈ দিব ২০২৫ চনত, ২০২৫ চনত যি সকল স্নাতক পাছ কৰিব তেওঁলোকৰ পৰিৱৰ্তে যিখিনিৰ বয়স ৩৫/৩৬ বা ৩৮ পাৰ হৈ গৈ আছে স্নাতক, ইমান দিন ধৰি ঘুৰি ঘুৰি তেওঁলোকে চাকৰি নাপালে তেওঁলোকক দিব লাগে। কিন্তু তেওঁলোকক নিদি এই ২০২৫ চনৰ নতুন খিনিক দিয়া হৈছে। মই কোৱা খিনিৰ উদ্দেশ্য বেলেগ আছিল। মই কৈছো তেওঁলোকৰ যিহেতু চাকৰিৰ বাবে আবেদন কৰিবলৈ বয়সৰ সীমা পাৰ হৈ গ'ল এতিয়া তেওঁলোকে নাপালে, তেওঁলোকক দিয়ক। নতুনখিনিক দিব, পুৰণা খিনি আগত কভাৰ কৰি লওক। গতিকে এই কথাটো মোৰ মতে যুক্তি সংগত হোৱা নাই। সভাপতি মহোদয়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাত ৮৪ শতাংশ গ্ৰাম্য হিতাধিকাৰীক ক'ভাৰ কৰা বুলি বাজেটত কোৱা হৈছে। কিন্তু আমি দেখিছো ইয়াতে পৰিয়ালৰ বহু খেলি মেলি আছে। কিছুমান অভাৰলেপিং আছে। দুই জনীয়া ৩ জনীয়া পৰিয়াল থকা বিলাক বাদ দিয়া হৈছে হিচাপত তেওঁলোকক যিমান দেখুৱাইছে কিন্তু বাস্তৱ ক্ষেত্ৰত বহু যোগ্য হিতাধিকাৰী বঞ্চিত হৈছে, ভিক্ষা খুজি খোৱা লোকো বাদ পৰিছে। গতিকে এই কথাটো মই ভাবো বাজেটত অলপ অপৰাধ হৈছে, সত্যৰ অপৰাধ। ইয়াত এইখিনি কিন্তু সংশোধন কৰিব লাগে। তাৰ পিছত বিস্তাৰিত অসম দৰ্শনৰ জৰিয়তে ৪২০ কোটি টকা দিব। কিন্তু ইয়াত কৈছে ধৰ্মীয় অনুষ্ঠানক দিব। কিন্তু, ধৰ্মীয় অনুষ্ঠানক দিবলৈ মই ভাবো অসমত যিমান ধৰ্মৰ লোক আছে প্ৰত্যেক ধৰ্মৰ ধৰ্মীয় অনুস্থানক সমানে গুৰুত্ব দি চাব লাগে। নহলে কি হয় যেতিয়া এটা বিভাজন কৰা হয় বা ইয়াত যদি কাৰোবাক মাহীআইৰ চকুৰে চোৱা হয়, তেনেহ'লে এইটো এটা চৰকাৰী ৰাজ ধৰ্ম বুলি আমি

কব নোৱাৰিম। তাৰ লগতে চৰ অঞ্চলত জৰীপ কৰাৰ কথা কৈছে। চৰ অঞ্চলৰ জৰীপ কৰিব কিন্তু চেটেলমেন্ট দিয়া নহয় পিছত বোলে স্টেক হোল্ডাৰৰ লগত আলোচনা কৰিব। এই কথাৰ অত্যন্ত বোজাটো বুজি পাও মন্ত্ৰী মহোদয়, মানে জৰীপ কৰিব কিন্তু জৰীপ কৰি নিয়ম মতে ১৯৩১ৰ জৰীপ চাব, ১৯৬২ৰ জৰীপ চাবগৈ সেই য'ত জৰীপ কৰা হৈছিল সেই মাটি যাৰ দখলত আছে যিসকলে তাত ঘৰ বনাই আছে তেওঁলোকক মাটিৰ অধিকাৰ দিয়া হয় সেইটোৱে হ'ল জৰীপ। এতিয়া এই কথাটো লগে লগে এই কাৰণে স্পষ্ট কৰি দিছে, যে ইয়াত জৰীপ কৰা হ'ব কিন্তু চেটেলমেন্ট দিয়া নহয়। কাৰণ তাত যি সকলে ৬০/৭০ বা ৮০ বছৰ বসবাস কৰি আছে তেওঁলোকক চৰকাৰে ভাল পোৱা মানুহ নহয়। সেই কাৰণে কৈছে জৰীপ কৰিম কিন্তু চেটেলমেন্ট নিদিও, যাৰ যাৰ দখলত আছে। এই কথাটোৰ অৰ্থ বিলাক আমি বুজি পাওঁ আৰু এই কথাটো মনত ৰাখিব যে কাৰোবাক কিসিকা বিকাশ কিসিকা বিনাশ, এই নীতিটো কিন্তু ভাল কথা নহয়। এটা কথা মনত ৰাখিব এইখন অসমত যদি কোনোবাই দুৰ্বল জনগোষ্ঠীক, যি সকল ৰাজনৈতিক, অৰ্থনৈতিক ভাৱে দুৰ্বল, দুৰ্বল জনগোষ্ঠীক যদি কোনোবাই অন্যায় কৰে তেওঁলোকৰ প্ৰতি অত্যাচাৰ কৰে তেওঁলোকৰ কি পৰিণতি হয় এই অসমত এতিয়া নজিৰ আছে। ২০২৪ চনৰ ডিচেম্বৰ মাহত শীত কালৰ অধিবেশনত আমি অসম বিধান সভাত এটা প্ৰশ্ন উত্থাপন কৰিছিলো, যি সকল ডিভোটাৰ আজি ভাৰতত ক্ৰমান্বয়ে ১০/১২ বা ১৫ বছৰলৈকে তেওঁলোকে নাগৰিকত্বৰ অধিকাৰ নাপালে তেওঁলোকৰ পৰিয়ালে চাকৰি নাপালে উচ্চশিক্ষা নাপালে, তেওঁলোকে IUF ঘৰ, বৃদ্ধ পেন্সন পৰ্য্যান্ত নাপালে, তেওঁলোকক ক্ষতিপূৰণ দিব লাগিব ১০/১২ লাখ টকাকৈ। তেতিয়া মুখ্যমন্ত্ৰীয়ে আমাক কলে আমি ক্ষতিপূৰণ দিব নোৱাৰো, আমি ১৮ জন বিধায়কে সেইদিনা ধৰ্ণা দিছিলো যে যি সকল ভাৰতীয় ক্ৰমান্বয়ে ১০/১৫ বছৰ তেওঁলোকক ভাৰতীয় নাগৰিকৰ অধিকাৰৰ পৰা বঞ্চিত থাকিল তেওঁলোকক ক্ষতিপূৰণ দিবই লাগিব। সেইদিনা মাৰ্চেল লগাই আমাক অসম বিধান সভাৰ পৰা বহিস্কাৰ কৰি দিছিল। ১৮ জন বিধায়কক বহিস্কাৰ কৰিছিল আৰু সেইদিনা আমি চিঞৰি চিঞৰি কৈছিলো যে যি মুখ্যমন্ত্ৰীয়ে ১৫ বছৰ ক্ষমতাত থকাৰ কাৰণে তেওঁক ক্ষমতাই মূৰত ধৰিছে, তেওঁ আজি অসম বিধান সভাৰ ইতিহাস কলংকৃত কৰি ডিভোটাৰৰ দূৰ্ভগীয়া মানুহৰ কথা কোৱা কাৰণে আমাৰ ১৮ জন বিধায়কক বহিস্কাৰ কৰিছিল। এই মুখ্যমন্ত্ৰী আৰু ক্ষমতাত থাকিব নোৱাৰে। দুৰ্বলৰ প্ৰতি অন্যায় কৰা মানুহ আৰু ক্ষমতাত বেছিদিন নাথাকে। ২০১৬ ৰ পৰা তেওঁলোক কিন্তু ক্ষমতাত নাই। ২০১৬ ৰ পৰা বাহিৰ হৈ গ'ল, ২০২১ ৰ পৰা। গতিকে এই কথাটো আপোনালোকে মনত ৰাখিব। দূৰ্বলৰ প্ৰতি অন্যায় কৰিলে এনেকৈ যদি দূৰ্বলৰ ওপৰত বুল্ড'জাৰ চলোৱা হয় তাৰ কি পৰিণত হয় ২০১৬ চনতে অসমত ইতিহাস বনাইছে। গতিকে আপোনালোকে নাভাবিব যে ক্ষমতা চিৰদিনৰ বাবে আপোনালোকৰ লগত থাকিব এই যে দুৰ্ভগীয়া মানুহ সকলৰ প্ৰতি অন্যায় কৰিলে নিশ্চয় তাৰ পৰিণতি আপোনালোকে ভুগিব লাগিব। মাননীয় সভাপতি মহোদয়, ইয়াত আৰু এটা কথা চাওক, কৌশলগত বিনিয়োগৰ কথা কৈছে উদ্যোগত, মানে অসমৰ আগৰ উদ্যোগ বিলাকক যে পুনৰউজ্জিৱিত কৰিব তাৰ কোনো বাস্তৱ প্ৰতিশ্ৰুতি বা স্পষ্ট ছবি আমি এইখন বাজেটত দেখা নাপালো। আৰু এটা কথা এই যে লাখপতি বাইদেউৰ প্লেনটো যোৱাবাৰ বাজেটত আছিল। লাখপতি বাইদেউৰ পাছৰ কাহিনীটো কি হ'ল আপোনালোক সকলোৱে জানে মই নকও। অৰুন্ধতি সোণ দিয়া আঁচনিটো ক'ত গুচি গ'ল? এইটো বাজেটৰ পৰা কিয় নাইকিয়া হ'ল কথাটো আমাক লাগে। তাৰপিছত এচ ডি চি তাত কেইটামান দি আৰু কেইটামান আমি দেখিছো যে এইকেইটা নাইকীয়া হৈ গ'ল। আৰু পি এম কিষানত আপোনালোকে ১৩০৫ কোটি টকা বিতৰণ কৰিছে, পিএমকিষাণত

যে ১৩০৫ কোটি টকা বিতৰণ কৰিছে সেই টকা কিন্তু উত্তৰ প্ৰদেশ গুজৰাটৰ বহু মানুহৰ একাউন্টত সোমাইছিল। এনেকুৱা হাজাৰ হাজাৰ ঘটনা আছে।

**মঃ আমিনুল ইছলাম, কনিষ্ঠ, সভাপতি ঃ** মাননীয় সদস্য, যিহেতু আমাৰ হাউচৰ সময়টো আছিল ২.০০ বজালৈ গতিকে এইটো আমি ৩০ মিনিট সময় বঢ়াই ললো। এতিয়া ২.৩০ বজালৈ হাউচ চলিব। আপুনি কওঁক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** গতিকে এই যে পিএমকিষাণৰ ইউ পি, গুজৰাটৰ একাউন্টত সোমাই, এই কাহিনী বিলাক কিন্তু আপোনালোকে ডিনাই কৰিব নোৱাৰিব। তাৰ পিছত এই বাজেটত আমি মূল্য বৃদ্ধিৰ নিয়ন্ত্ৰণৰ এটাও কথা কিন্তু দেখা নাপালো। দেখিয়ে অগৰ এইচা হোতা হে কি আউটচাইডাৰ লোগো পে ইছ তৰহ কে বুল্ড'জাৰ চলা কে জাতা হে তো মেৰা বাত সুন লিজিয়ে। ' সেহনেৱালা জৰ অত্যাচাৰ সেহ কৰ ভি মুছকুৰা ৰহা হে তো ইচ ইনচানকা বদলা ভগৱান লেটা হে' এইযাৰ কথা গীতাত আছে। যেতিয়া সহ্য কৰিব সহ্যৰ সীমা থাকে, যেতিয়া তেওঁলোকে সহ্য কৰি মিচিকিয়াকৈ হাঁহি থাকিব তব ইচকা বদলা ভগৱান লেটা হে। গীতাত আছে। এই কথাটো পাহৰি নাযাব যে আমিও জানো আল্লান্নাজ বিৰান্নাউল্লা আমা আজায় তুলন্নল্লাহ ওলাইহু আহু গতিকে সহ্য কৰি থাকিম আমি কিন্তু তাৰ পৰিণতিটো আপোনালোকে চাই থাকিব। আৰু এটা কথা মনত ৰাখিব যে যৌ কিয়া হে ৱৌ অৱশ্য চামনে আয়েগা। কৰ্মা কিচিকি সংগে চগা নেহি হে ভাই। এইটো কথাও গীতাত আছে। গতিকে যিটো কৰি আছে আপোনালোকৰ তাত আহিবই। এই কথা বিলাক কিন্তু আপোনালোকে পাহৰি নাযাব। তাৰ লগে লগে আমি এই কথাটো বিচাৰিছো যে এই বাজেট খনত আমি দেখিছো যে ক'ব যে মহানগৰ পৰিস্কাৰ কৰা লক্ষ্য কৰিছো নে নাই ইয়াত যে প্ৰধানমন্ত্ৰী আহিলে বা কোনোবা আহিলে ভৰলু নদী এই বিলাক ঢাকি দিয়া হয়, সেইকথাবিলাক আমি পৰিৱৰ্ত্তন হোৱাটো বিচাৰো । জে জে এমৰ কাহিনীবিলাক আমি কি নাজানো ঠিকাদাৰ কিছুমানৰ মূৰত পানী ঢালিব লগা হৈছে। তাৰ পিচত আৰু এটা কথা হ'ল ৫৫০৩ জন নতুন শিক্ষকৰ বাবে এটা প্ৰস্তাৱ দিছে, কিন্তু বাজেটত এটা কথা আহিছে যে, ২০০৬ চনৰ আগলৈকে মাটিৰ ৰেকৰ্ড থকা আৰু অন্যান্য নথি পত্ৰ যিখিনি আছে, তাত আমি ভাবো যে, ভেন্সাৰৰ সমস্যাটো চাবলৈ গ'লে কিছুমান শিক্ষকৰ চাকৰি নিয়মীয়া হোৱাৰ পৰা এক বছৰ , দুই বছৰ বা তিনিবছৰমানহে পাব , প্ৰায়বিলাকৰ অৱসৰৰ সময় হৈ গ'ল । গতিকে এই গোটেইখিনি সাঙুৰি ল'ব পৰাকৈ এটা পদক্ষেপ ল'ব লাগে । এইটোৱেই আমি বিত্ত মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো । আটাইতকৈ ডাঙৰ কথাটো হ'ল যে খিলঞ্জীয়াসকলে ভূমি ক্ৰয় আৰু দখল কৰিব পাৰিব যিটো কথা যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী কৈছে যে খিলঞ্জীয়াসকলে মাটি কিনা বেচা কৰাৰ ক্ষেত্ৰত, হিন্দুয়ে মুছলমানক মাটি বেচা বা মুছলমানে হিন্দুক মাটি বেচা, এই ক্ষেত্ৰত ইমান দিনে ভাৰতীয় নাগৰিকত্বৰ বিষয়টো বিবেচিত হৈ আছিল, ভাৰতীয় নাগৰিকে বেচিব পাৰিব, ভাৰতীয় নাগৰিকে কিনিব পাৰিব- এই ক্ষেত্ৰত ধৰ্মৰ নাম লৈ কিনা বেচা কৰা এনেকুৱা পৰিবেশ অসমত আহি গৈছে । এনে ব্যৱস্থাই নাগৰিকৰ মাজত বিভাজনৰ সৃষ্টি কৰিছে , এই কথাবিলাকক আমি তীব্ৰ বিৰোধিতা কৰিছো । গতিকে বাজেট এখনে সম্প্ৰদায়িকতাক কেতিয়াও সমৰ্থন নকৰে ।বাজেটত কেতিয়াও সাম্প্ৰদায়িক বিভাজন আহিব নালোগে। ইয়াৰ লগে লগে আৰু এটা কথা ইয়াত কোৱা হৈছে যে, মাননীয় মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে কৈ থাকে যে মাদ্ৰাছাবিলাক এই কাৰনে বন্ধ কৰিব বিচাৰিছো যে, তাৰ পৰা কোনো ডাক্তৰ ইঞ্জিনিয়াৰ হ'ব নোৱাৰে। কিন্তু চৰ অঞ্চলে পোৱা কোটা ৪ টা, ৪টা এম বিবিএচ ডাক্তৰৰ চিট কেনচেল কৰি দিছে। চৰৰ মানুহক ডাক্তৰ বনাবলৈ মাদ্ৰাছা বন্ধ কৰি দিছে , আকৌ

এইফালে কোটাবিলাকো উঠাই দিছে। আজমল চুপাৰ ফৰ্টিৰ পৰা কেতিয়াবা যদি ২০০- ৩০০ ষ্টুডেন্ট নীটৰ বাবে যদি কোৱালিফাইড হয় তেতিয়া আকৌ চৰকাৰে কৈ থাকে যে তেওঁলোকে শিক্ষা জেহাদ চলাইছে আৰু আমাৰ চীটবিলাক কাঢ়ি লৈছে । আমাৰ লৰা ছোৱালীয়ে মেডিকেলত চিট পালে জগৰ লাগিব, আৰু তাকে আকৌ শিক্ষা জিহাদ বুলি ক'ব । কিন্তু আনফালে ডাক্টৰ বনাবলৈ মাদ্ৰাছা বন্ধ কৰি আছে । উপাধ্যক্ষ মহোদয়, এই কথাবিলাকৰ পাক বিলাক আমি বুজি নাপালো । এই কথাবিলাক স্পষ্ট হ'ব লাগে । ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ মানুহে নিশ্চয় ক'ব এইখন কেনেকুৰা চৰকাৰ , এই চৰকাৰে ডাক্টৰ বনাব আকৌ ডাক্টৰীত চিট পালে তেওলোকৰে গা জ্বলে । এই কথাবিলাকৰ এটা বাস্তৱসন্মত অৰ্থ হ'ব লাগে । মাননীয় উপাধ্যক্ষ মহোদয়, সদৌ শেষত আমাক এটা নিৰ্ব্বাচনীমুখী ৰংচঙীয়া আৰু কথাৰ ফুলজাৰী মৰা অন্তসাৰশূন্য ভৱিষ্যত অসমৰ চিত্ৰ নথকা এটা বাজেট -উপহাৰ প্ৰদান কৰাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া .. মাননীয় বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়া ।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে ২০২৫-২৬ চনৰ যি বাজেট উপস্থাপন কৰিলে এইখন এখন সৰ্ব্বাঙ্গ সুন্দৰ বাজেট হৈছে বুলি মই অনুভৱ কৰো ।১৯৯৬ চনত মই বিধান সভালৈ আহিছিলো , যিমান বাজেট আমি দেখা পাইছিলো - সকলোতকৈ সুন্দৰ হৈছে এইবাৰ আমাৰ বাজেট । সকলো শ্ৰেণীৰ মানুহক স্পৰ্শ কৰি যোৱা এইখন বাজেট - সকলো শ্ৰেণীৰ মানুহৰ উন্নয়ন পৰিকল্পনা কৰা, উন্নয়নৰ আঁচনি গ্ৰহণ কৰা এইখন বাজেট। সেই কাৰণে এই বাজেটখন পূৰ্ণ সমৰ্থন বা এই বাজেটখনৰ কাৰণে তেখেতলৈ বা আমাৰ চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছো । এই বাজেটখনক আমাৰ অৰুণোদয়ৰ পৰা মহাকাশৰ উপগ্ৰহলৈকে, কৃষক শ্ৰমিকৰ পৰা কৰ্মচাৰীলৈকে , ছাত্ৰ- ছাত্ৰীৰ পৰা নিৰনুৰা যুৱক- যুৱতীলৈকে যিখিনি পৰিকল্পনা কৰিছে, যিখিনি উন্নয়নৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছে , যিখিনি আঁচনি গ্ৰহণ কৰিছে ই সকলোকে উপকৃত কৰিব । এখন সমৃদ্ধিশালী অসম গঢ়াৰ যি সপোন লৈ বা দেশৰে পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমখন গঢ় দিয়াৰ যি সংকল্প লৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া আগবাঢ়িছে যে, ই বাস্তৱত ৰূপায়িত কৰিবলৈ সক্ষম হ'ব । এই বাজেটখনক নিৰ্ব্বাচনকেন্দ্ৰীক বাজেট বুলি যিখিনি ইয়াত বক্তব্য ৰখা হৈছে , ই একেবাৰেই সত্য নহয় , এই বাজেটখন বাস্তৱসন্মত, বিজ্ঞানসন্মত চিন্তাৰে এই বাজেটখন প্ৰস্তুত কৰিছে । এই বাজেটে আমাৰ ৰাজ্যখনক সকলো দিশতে উন্নয়ন কৰিব । আমাৰ বহু সমস্যা সমাধান কৰিব বিশেষকৈ আমাৰ যিটো নিবনুৰা সমস্যা, আমাৰ শিক্ষিত নিৰনুৰা সমস্যা যিটো আছে , বহিঃ ৰাজ্যলৈ গৈ আমাৰ ৰাজ্যৰ লৰা- ছোৱালীবিলাক গৈ তাত যিটো হাবু ডাবু খাব লগা হৈছে - এডভান্টেজ আসামৰ জৰিয়তে ইয়াতে উদ্যোগীকৰণ কৰাৰ ক্ষেত্ৰত যি এক পদক্ষেপ গ্ৰহণ কৰিলে চৰকাৰে এইটো নিশ্চয় ফলপ্ৰসু হ'ব। বাহিৰৰ ইনভেষ্টৰ আহি কেইবাধৰনে ইয়াত ইনভেষ্ট কৰি ইণ্ডাষ্ট্ৰি গঢ় দিয়াৰ ক্ষেত্ৰত বা ইয়াত ব্যৱসায় কৰাৰ কাৰণে আমাৰ থলুৱা যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাট মুকলি হ'ব । বাহিৰৰ ৰাজ্যত গৈ আমাৰ যুৱক-যুৱতীসকলে কোম্পানীৰ চাকৰি কৰি যি হাবুডাবু খাইছে সেইবিলাকৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে তাৰ ৰূপৰেখা এই বাজেটত আছে । বৰ্তমান অসমৰ যিটো পৰিবেশ এই চৰকাৰৰ দিনত হৈছে , ২০১৬ চনৰ আগলৈকে এটা সময় আছিল, কি পৰিস্থিতিৰ মাজেৰে এই অসম যাব লগা হৈছিল, কিন্তু আজি এইখন অসমত যেনেধৰণে ৰাস্তা পদুলিৰ পৰা আৰম্ভ কৰি শিক্ষানুষ্ঠান- চিকিৎসালয়- ইত্যাদি হৈছে - সকলো দিশতে এটা আমূল পৰিৱৰ্ত্তন হৈছে। কিন্তু এটা সময় আহিছিল যে মানুহক উন্নয়ণ নালাগে - মানুহে বিচাৰিছিল শান্তি- মানুহে বিচাৰিছিল নিৰাপত্তা। আজি কিন্তু মানুহে নিজা সমস্যা সমাধান

কৰাৰ কাৰণে, বিভিন্ন উন্নয়ণমূলক কাম বিচাৰি চৰকাৰৰ ওচৰত আবেদন কৰাৰ পৰা আৰম্ভ কৰি বা মানুহৰ মাজত পাৰস্পৰিক আস্থা- বিশ্বাস ইত্যাদি গঢ়ি তুলিবলৈ এই চৰকাৰ সক্ষম হৈছে । অসমত এটা সময় আছিল যে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল , সময় আছিল- উগ্ৰপন্থীৰ কাৰ্য্যকলাপত জীৱনৰ নিৰাপত্তা নাছিল , কেনে এটা অসমত পৰিবেশ আছিল, তেতিয়া অসমত উগ্ৰপন্থীৰ সমান্তৰাল চৰকাৰ চলিছিল বুলি কলেও ভুল নহ'ব । কিন্তু বৰ্ত্তমান চৰকাৰৰ দিনত আজি এই কথাখিনি দূৰ হৈছে । বৰ্ত্তমান চৰকাৰৰ দিনত এক শান্তিৰ বাতাবৰণ সৃষ্টি হৈছে । যি বাতাবৰণৰ কাৰনে আজি সাম্প্ৰদায়িক সংঘৰ্ষ ইয়াত নাই। জনগোষ্ঠীৰ ভিত্তিত সন্দেহ- অবিশ্বাস নাই, সংঘাত নাই , উগ্ৰপন্থীৰ কাৰ্য্যকলাপ বন্ধ হৈছে । ব'ম- গুলি- বাৰুদ এইবিলাক বন্ধ হৈছে । আজি আস্থাৰ অসম- বিশ্বাসৰ অসমত য'ত শান্তি প্ৰতিষ্ঠা হৈছে, য'ত বাহিৰৰ ৰাজ্যৰ পৰা আহি ইনভেষ্টৰ ইয়াত ইনভেষ্ট - ইণ্ডাষ্ট্ৰি কৰিবলৈ আজি আগবাঢ়ি আহিছে আৰু এইখিনি ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰদলৰ চৰকাৰৰ বাবেহে সম্ভৱ হৈছে । গতিকে এই পৰিবেশ বৰ্ত্তাই ৰাখিবৰ কাৰণে বাজেটত যিখিনি কথা উপস্থাপন কৰিছে বা কিছুসময় আগতে মুখ্যমন্ত্ৰী মহোদয়ে যি বক্তব্য ৰাখিছে , এই বক্তব্যত নতুন অসম গঢ়াৰ যি স্বপ্ন , যিখিনি প্ৰতিফলন হৈছে , যিখিনি আজি চৰকাৰে কাম কৰিছে বা কৰিব বিচাৰিছে, এইক্ষেত্ৰত আমাৰ বিৰোধী দলসমূহে বিৰোধ কৰিব লাগে কাৰণে নহয় , অন্তত ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ণৰ স্বাৰ্থত, ৰাজ্যখনত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত , ৰাজ্যখনৰ জ্বলন্ত সমস্যাখিনি সমাধান কৰাৰ স্বাৰ্থত , ৰাজ্যখনৰ নিৱনুৱাৰ স্বাৰ্থত অন্তত এই বাজেটখনক সমৰ্থন জনাবৰ কাৰণে, চৰকাৰৰ এই গঠনমূলক কাৰ্য্যক সমৰ্থন জনাবৰ কাৰণে মই বিশেষ ভাবে, অসম মাতৃৰ এগৰাকী সন্তান হিচাপে তেওঁলোকক আহ্বান জনাইছো । যিবিলাক নেতিবাচক কথাৰে আমাৰ ৰাজ্যৰ পৰিবেশ বেয়া কৰিব পাৰে , এই কথাবিলাক অন্তত এই পবিত্ৰ সদনৰ পৰা যাতে ৰাইজৰ মাজলৈ নাযায়। আমাৰ এগৰাকী বিধায়ক অখিল গগৈ ডাঙৰীয়াই যিবিলাক কথা বতৰা কৈ থাকে - এই কথাবিলাকে অসমৰ পৰিবেশটো বেয়া কৰিব নেকি, আন্দোলনমূখী যিবিলাক কথা কৈ থাকে , এইখন অসমত অশান্তি সৃষ্টি বা চৰকাৰক অস্থিৰ কৰিব নেকি ? চৰকাৰক গঠনমূলক সমালোচনা কৰিলে ক'ব লগা নাই । কিন্তু এগৰাকী জনপ্ৰতিনিধি হিচাপে এই কথাবিলাক সহ্য কৰিবলৈ আমি টান পাওঁ । যিবিলাক কথাই অসমৰ জনস্বাৰ্থত ক্ষতি আনিব। অসমৰ সামগ্ৰিক উন্নয়নক ক্ষতি কৰিব। ক্ষমতাত অধিষ্ঠিত হ'বৰ বাবে অসমক ধ্বংসমূলক বা তেনেধৰণৰ কথা ৰাখিব , এই কথাবিলাক যাতে নকৰে । এইখন অসমত যাতে বিনা কথাত আন্দোলনৰ পৰিবেশ সৃষ্টি নকৰে, অশান্তি সৃষ্টি নকৰে তাৰ বাবে মই আহ্বান জনাইছো। এইখন অসমত ইণ্ডাষ্ট্ৰি হৈছে - আগৰ চৰকাৰৰ দিনত মোৰ সমষ্টিত ইণ্ডাষ্ট্ৰি বন্ধ হৈ গৈছিল, এতিয়া মোৰ সমষ্টিৰ চৌকীহাটত ডেৰশ কোটি টকাৰ টাইলচ ইণ্ডাষ্ট্ৰি হৈছে । একবছৰৰ ভিতৰত কাম সম্পূৰ্ণ হ'ব য'ত বহু নিৱনুৱা লৰা ছোৱালীয়ে সংস্থাপন পাব । সেই কাৰণে মই আহ্বান কৰিছো যে চৰকাৰৰ গঠনমূলক কাম কাজক আপোনালোকে সহযোগিতা আগবঢ়াওক। এইখন অসমৰ উন্নয়নৰ কাৰণে, জ্বলন্ত সমস্যা সমাধান কৰিবৰ কাৰনে আমি একেলগে আগবাঢ়ো আহক। আমি একেলগে বাজক দবা নহয়, আমি সকলোৰে বজাও দবা, বজাও শংখ, বজাও মৃদংগ খোল, অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল, জয় আই অসম বোল, জয় আই অসম বোল।

**মাননীয় উপাধ্যক্ষ** ঃ Hon'ble LOP (Leader of the Oppossion) Shri Debabrata Saikia.

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বাজেট

বিতৰ্কৰ আলোচনাত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। মাননীয়া মহিলা বিত্ত মন্ত্ৰী ডাঙৰীয়ানিক মুখ্যমন্ত্ৰী মহোদয়ে ভূয়সী প্ৰশংসা কৰিছে আৰু মুখ্যমন্ত্ৰী মহোদয়কো যোৱাকালি বিত্তমন্ত্ৰী ডাঙৰীয়ানিয়ে প্ৰশংসা কৰিছে। মইও বিত্তমন্ত্ৰী ডাঙৰীয়ানিক প্ৰশংসা কৰিব বিচাৰিছো। কাৰণ তেখেতে ২০০১ চনৰ পৰা এই বিধান সভাত আছিল আৰু কংগ্ৰেছ দলত থাকোতেও তেখেতে বিত্ত মন্ত্ৰী হৈ সেইখিনি সময়ত সদনৰ বিভিন্ন প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰি বিত্ত বিভাগৰ বহুখিনি কাম তেখেতে চলাইছিল। গতিকে তেখেতৰ অভিজ্ঞতা নিশ্চয় এই বাজেটত দেখা পাম। কিন্তু কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে কোৱাৰ দৰে পিয়াজৰ দাম বাঢ়োতে Godly Act বুলি কৈছিল তেনেকুৱা একো উল্লেখ নাই । সেই কাৰণে মই তেখেতক বিশেষকৈ ধন্যবাদ জনাইছো। মহোদয়, বাজেটখনৰ যিবিলাক বিষয় মুল কথা আছিল যে আমাৰ ৰাজ্যৰ জনগণৰ নিবনুৱা সমস্যা, চাহ শ্ৰমিকৰ সমস্যা বা কৃষকৰ সমস্যা বা যিবিলাকৰ সামাজিক সমস্যা এই দিশত যেনেধৰণৰ গুৰুত্ব পাব লাগিছিল, সেইখিনি পোৱা বুলি আমাৰ মনে ধৰা নাই। দেশৰ ৰাষ্ট্ৰীয় মজুৰি বিনিময়ত কামৰ সময় যিটো average ৭ ঘণ্টা, দিল্লীত ৮ ঘণ্টা কাম কৰে, অসমৰ শ্ৰমিকে মজুৰিৰ বিনিময়ত মাত্ৰ ৫.৮ ঘণ্টা কাম কৰে বুলি কেন্দ্ৰীয় লেবাৰ ভিাগৰ পৰা তথ্য দিছে আৰু ইয়াৰ লগত যদি একো কাম নকৰাৰ কাৰণে চৰকাৰে অনুদান আগবঢ়াই তেতিয়াহ'লে কেনেকৈ মুখ্যমন্ত্ৰীয়ে বিচৰা ৫ খন ৰাজ্যত অসম যাব। এই কথাটো প্ৰশ্ন কৰিবলগীয়া। ইয়াৰ বাবে কি ব্যৱস্থা ল'ব লাগে, সেই কথাৰ সমিধান এই বাজেটত আনি বিচাৰি পোৱা নাই। যোৱাকালি বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে কৈছে যে ৭০ লাখ পৰিয়াল প্ৰধান মন্ত্ৰী গৰীব কল্যাণ যোজনাৰ অধীনত তেখেত সকলক অন্ন সুৰক্ষা দিয়া হয়। আজি বিধান সভাত শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে আমাৰ অসমত মুঠ পৰিয়ালৰ সংখ্যা ৬৪ লাখ ৬ হাজাৰ ৪ শ ৭৮ টা। গতিকে ৬ লাখ পৰিয়াল কেনেকৈ অতিৰিক্ত হৈছে এই কথাটো বোধগম্য হোৱা নাই। অৰুণোদয় শতজিলাৰ পৰিয়ালক include কৰা হ'ব বুলি কৈছে, কিন্তু ইয়াৰ দ্বাৰা প্ৰকৃততে যিটো উদ্দেশ্য আৰু লক্ষ্য সেইটো হ'বনে? নলবাৰীত বিধায়ক প্ৰতিনিধিৰ উপস্থিতিত BJP ৰ এজন নন্দ বাবুয়ে হুমকি দিছে যে BJP মিটিঙলৈ নগ'লে অৰুণোদয় কাটি দিয়া হ'ব. একেই গোৱালাপাৰা জিলাৰ পৰা এনেকুৱা বাতৰি প্ৰকাশ পাইছে। আজি মোক পুৱা মাননীয় বিধায়ক শ্ৰীভাস্কৰজ্যোতি বৰুৱাই কৈছে তেখেতৰ সমষ্টিৰ যিসকল priority ত থাকিব লাগে, বিকলাংগ, বিধবা তেখেত সকলৰ নাম, শাসকপক্ষৰ যিসকল লিষ্টত আছে, তেওঁলোকে কাটি দিছে. সেইগতিকে আমি আঁচনিখন এনেকুৱা যদি পক্ষপাতমূলক হয়, চব কা চাথ, চব কা বিকাশ কেনেকৈ হ'ব। মহোদয়, বিৰোধী জনপ্ৰতিনিধিৰ কোনো মতামত নোলোৱাকৈ এইখন তালিকা কৰা হৈছে। অনুৰূপ ধৰণে যোগ্যজনক বঞ্চিত কৰা আৰু বহু উদাহৰণ মুখ্যমন্ত্ৰী অসম অভিযানৰ ক্ষেত্ৰত পোৱা গৈছে. যিসকলক চৰকাৰী বিষয়া সকলে উচ্চ নম্বৰ দিছিল, দ্বিতীয় পৰ্য্যায়ত ৰাজনীতিৰ নেতা সকলৰ সহযোগত হোৱা কমিটি খনে অত্যাধিক নম্বৰ দি cut of mark টো এনেকুৱা কৰি দিছে যে যিজনৰ ২৭ খন কৃষি বিভাগৰ বিভিন্ন ধৰণৰ পাৰদৰ্শিতাৰ চাৰ্টিফিকেট আছে, ৭৪ নম্বৰ বিভাগীয় পৰীক্ষাত পোৱাৰ পিছত তেওঁ বঞ্চি হয়। যিহেতুকে মাত্ৰ তেওঁক মাত্ৰ ১০ নম্বৰ দিয়া হয় second committee খনত আৰু second committee খনত ২৫ নম্বৰ দি তেওঁতকৈ অযোগ্য সকলক উত্তীৰ্ণ কৰি দিয়া হয়। এনেকুৱা হ'লে জানো আমি যি মুখ্যমন্ত্ৰীৰ GSDP, GDP বঢ়োৱা কথা কয়, সেইখিনিলৈ আমি যাব পাৰিমনে। সেই গতিকে মহোদয়, এই কথাবিলাক লক্ষ্য কৰিব লাগিব। বাগানৰ বাবে নতুনকৈ ৯৭ খন স্কুলৰ কথা কোৱা হয় যে কংগ্ৰেছে এই কামটো ৭৫ বছৰে নকৰিলে। কিন্তু ৭৫ বছৰ পূৰ্বে যিসমূহ স্কুল হৈছিল, সেইসমূহ

সকলো বাগানৰ মাটিত হৈছিল বা কোনোবাই দান দিয়া মাটিত হৈছিল। স্কুল বিলাকৰ এতিয়া ছাত্র-ছাত্রী সকল যাব লাগে বুলি কোৱা হৈছে, নতুন নতুন বিল্ডিং দিয়া হৈছে, তাত যদি শিক্ষকৰ অভাৱ হয়, তেতিয়াহ'লে স্বাভাৱিকভাৱে সেইবিলাক স্কুলৰ প্ৰতি অভিভাবক সকলৰ দায়বদ্ধতা, অভিভাৱক সকলে তাত ল'ৰা-ছোৱালী পঠাবলৈ যিটো ইচ্ছা হ'ব লাগে, সেই ইচ্ছা কমিব আৰু বিধান সভাত তথ্য দিয়া হৈছিল যে মাত্ৰ দুজন এজনীয়া প্ৰাথমিক শিক্ষক সন্মিলনীৰ পৰা কমেও ৫ শ খনমান স্কুল আছে যিবিলাকত বোধকৰো এজনো শিক্ষক নাই বা তাতকৈ আৰু অধিক ২ শ জনৰো ব্যৱস্থা। মহোদয়, এতিয়া স্কুল বিলাকৰ গৃহনিৰ্মাণ হৈছে, কিন্তু স্কুলৰ বাবে পথ সৃষ্টি হোৱা নাই বাগানৰ স্কুলত। তাৰ ফলত ওচৰৰ স্কুল বিলাকৰ পৰা শিক্ষক সকলক attachment কৰা হৈছে। দুমাহমান পূৰ্বে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিলে বোধকৰো এখন কেবিনেট decision হ'ল যে কোনো শিক্ষকৰ attachment হ'ব নালাগে বা কোনো বিভাগৰ attachment হ'ব নালাগে। যদি এই শিক্ষানুষ্ঠান বিলাকত attachment কৰা শিক্ষকসকল নাথাকে, সেই ছাত্ৰ-ছাত্ৰী সকলৰ পুনৰ দুৰ্য্যোগ হ'ব। ঠিক তেনেকৈ এই কথাবিলাকৰ বাবে পুনৰ নতুন কৈ আৰু শিক্ষা বিভাগত য'ত যেনেকৈ লাগে বাগান অঞ্চলত, বাগান অঞ্চলত মাতৃভাষা কোৱা শিক্ষকৰ পদ সৃষ্টি হ'ব লাগে। ঠিক তেনেকৈ আমাৰ শেহতীয়াকৈ বিধান সভাৰ তথ্য আহিছে ৩৫ লাখৰ ওপৰত নিবনুৱা আছে আৰু তাৰ বহুতেই অসমৰ বাহিৰলৈ কৰ্মসংস্থাপন বিচাৰি যায়। সেই গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এটা পদক্ষেপ লৈছে বাহিৰত মৃত্যু হোৱা অসমীয়া সকলৰ মৃতদেহ শ সন্মানেৰে ঘুৰাই অনা হ'ব। মই দেখা পাইছো যে আগতে যদি যুৱক গৈছিল, এতিয়া আদহীয়া ব্যক্তিয়েও কৰ্মসংস্থাপন বিচাৰি বাহিৰলৈ গৈ আছে। এইক্ষেত্ৰত উল্লেখযোগ্য কথা হ'ল যে অসমৰ নুন্যতম আটাইতকৈ কম আৰু দাক্ষিনাত্যৰ ৰাজ্য সমূহৰ যথেষ্ট বেছি আৰু নুন্যতম মজুৰি কম হোৱা বাবে ২ লাখ MSME বা আৰু আমাৰ বহুত যিবিলাক ক্ষুদ্ৰ উদ্যোগত কাম কৰি আছে তাৰ ভাল উপযুক্ত মজুৰি নোহোৱাৰ বাবে তেওঁলোকে আন্দোলন কৰি আছে আৰু আমাৰ ইয়াত মজুৰি কম কাৰণেই দাক্ষিণাত্যৰ factory ত কাম কৰিবলৈ অসমীয়া যুৱক সকল গৈ আছে এটা অনিশ্চয়তাৰ জীৱনৰ মাজেৰে। আমাৰ যিসকলে কাম কৰে veterinary departement ৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ অধীনত তেওঁলোকক গোপাল মিত্ৰ বুলি কোৱা হৈছিল, তেওঁলোকে artificial insemination machine ৰ কাৰণে যিহেতু veterinary departement ৰ বহুত তৃণমুল পৰ্য্যায়ৰ কৰ্মীৰ পদ এতিয়াও খালী হৈ আছে, তেখেতসকলে গোটেই বিভাগটো দুগ্ধ উৎপাদন যি বিপ্লৱৰ কথা কোৱা হৈছে শ্বেতবিপ্লৱ তাৰ কাৰণে মুল অৰিহণা যোগাই আছে। কিন্তু তেখেতসকলক কিন্তু কোনো মজুৰি দিয়া নহয়। কিন্তু তেওঁলোকৰ ফটো মাৰিবলৈ যোৱাৰ বাবে গ্ৰাম্য মিছনৰ মহিলা সকলক তেওঁলোকক স্কুটী দিয়া হয়, per photo তেওঁলোকক upload কৰি দিয়াৰ কাৰণে পইচা দিয়া হয়। সেই গতিকে শ্ৰমৰ বিনিময়ত যি মজুৰি দিব লাগে, সেই লাগে অসমৰ স্বাস্থ্য খণ্ডৰ NHM ৰ কৰ্মী সকলৰ বাবে হওঁক বা চিকিৎসালয় বিলাকৰ management committee য়ে চাফাই কৰ্মী, ward boy, driver সেই সকলো বিলাক পদ সৃষ্টি হোৱা নাই। যাৰ ফলত খুৱ নুন্যতম ২ হাজাৰ, ৩ হাজাৰ, ৫ হাজাৰ টকাত তেওঁলোকে কাম কৰি আছে। সেই বিষয়ত চৰকাৰে দৃষ্টি দিব লাগে। MSME বন্ধ হৈছে ২ লাখৰ অধিক এটা বাতৰিৰ ৰাজ্যৰ সমীক্ষাত প্ৰাকশ পাইছে। Advantage Assam 1 ত ২৬০ খনকৈ অধিক MoU হৈছিল, কিন্তু তাৰ মাত্ৰ কেন্দ্ৰী চৰকাৰৰ যিখিনি উদ্যোগ, সেইখিনি ৩০ হাজাৰ কোটি টকাতকৈ অধিক investment কৰিলে। আমাৰ তাৰ বিষয়ত কিমান আহিল, কিমান নাই অহা আমি গম নাপাওঁ। ঠিক তেনেকৈ মহোদয়, নিযুক্তিৰ

বাবে মেগা নিযুক্তি মেল অসম চৰকাৰৰ ফালৰ পৰা কৰা হৈছিল আৰু এই নিযুক্তি মেলা বিলাকত কোৱা হৈছিল যে বহুত অসমীয়া যুৱকৰ নিযুক্তি হ'ব। কিন্তু যোৱা ৩ বছৰত ২০২১-২২ চনৰ পৰা National Carrier Service Project ৰ অদীনত ১৯ খন employment exchange ত Job মেলা কৰা হৈছিল। তাত number of employers অৰ্থাৎ ১৭৭ টা অনুষ্ঠান-প্ৰতিষ্ঠানে perticipate কৰিছিল, ৫৬ হাজাৰ ৪৯৬ জন ব্যক্তিয়ে তাৰ বাবে আবেদন কৰিছিল আৰু ৬,৭২০ টা পদ আছে বুলি সেই কোম্পানী সমূহে কৈছিল। ৭,৭৪৪ টা পদৰ বাবে তেওঁলোকে বাচনি কৰিছিল, short list কৰিছিল, কিন্তু appointment দিলে ৩০০ তকৈ কম ২৯৬। ঠিক তেনেকৈ আমাৰ employment exchange ৰ যোগেদি যোৱা ৩ বছৰত মাত্ৰ ১৩ হাজাৰ মানহে যুক-যুৱতী নিযুক্তি পাবলৈ সক্ষম হৈছে. মহোদয়, কেইদিমান আগতে চচললৈ গৈছিলো.তাত গম পাইছিলো politechnical ৰ বহুত যিসকলে part time বা যিসকল নিযুক্তি তেওঁলোকৰ appointment cancel কৰা হৈছে. কিজানি এনেকুৱা কথা হ'ব পাৰে নেকি যে, নিবনুৱা যুৱক-যুৱতী সকলক কোম্পেনী বিলাকে তেওঁলোকে সেই trade ত afficient নহয় কাৰণে তেওঁলোকক Not work for industry বুলি cancel কৰি দিলে। সেই গতিকে আমি কেৱল অনুষ্ঠান-প্ৰতিষ্ঠান ঘোষণা কৰাৰ নিচিনাকৈ ৩০ খন politechnic প্ৰতি জিলাই জিলাই engineering college কৰিলেই নহ'ব। তাৰ গুণ কেনেকুৱা হৈছে এই গুণগত মানদণ্ডৰ কথা চিন্তা কৰিব লাগিব। Industry setup হয়, সেইটো এটা ব্যৱসায়িক কথা, ব্যৱসায়ী তেওঁলোকে market study কৰে। তেওঁলোকে তাত short analysis কৰে যাক strength, weakness, oppourtunity, threat বুলি কয়। সেয়েহে অসমতএডভাণ্টেজ আসাম আহিলে হ'ব বুলি ভাৱিলে নহ'ব। আমি তাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। নিশ্চয় এনেকুৱা হ'লে উদ্যোগ আগবাঢ়ি আহিব। চেটেলাইটৰ কথা কৈছে। আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে শ্বিলঙত কোন কাহানিবাই ISRO ই North-East Space Application Centre Department of Science আৰু North-East Council ৰ সহযোগত দিছিল। ইয়াৰ দায়িত্ব আছিল natural resource management, infrastructure planning, health care, emergency communication education,early warninng for disaster management. যোৱা সময়ছোৱাত যেতিয়া বি পি কটকী আয়োগে ছেটেলাইট মেপ খুজিছিল তেওঁক দিয়া হোৱা নাছিল। তেওঁ আক্ষেপ প্ৰকাশ কৰিছিল। সেইকাৰণে এনেকুৱাধৰণৰ প্ৰতিষ্ঠানে কাম কৰি আছে নে নাই আৰু যদি কাম কৰি আছে, কি ধৰণে কৰি আছে সেইটো সুধিব লাগে। কৰ্ণাটক, কেৰেলাৰ পৰা আমাৰ Space Launching হয়। তেওঁলোকে নকৰিলেও বিভিন্ন বিশ্ববিদ্যালয়ে ইতিমধ্যে মহাকাশলৈ Space পঠিয়াইছে। সেইকাৰণে এনেকুৱাধৰণৰ পদক্ষেপক নিশ্চয় আদৰণি জনাম। কিন্তু ইয়াৰ লক্ষ্য কি হয় সেইটো চাব লাগিব। বাংলাদেশীক কণ্ট্ৰোল কৰিবলৈ লোৱা হৈছে বুলি কৈছে। কিন্তু তাতকৈ এইবোৰ বেছি প্ৰয়োজনীয়। বাংলাদেশৰ ক্ষেত্ৰত কাটা তাঁৰৰ কথা আছিল, অসম চুক্তিৰ কথা আছিল। অসম চুক্তি মতে বাংলাদেশী আহিব নোৱাৰে। কাৰণ ১৯৭১ চনৰ পিছত বাংলাদেশৰ সৃষ্টি হৈছে আৰু সেইকাৰণে বাংলাদেশীসকল বিদেশী আৰু তেখেতসকল নিশ্চিতভাৱে অসমত গ্ৰহণযোগ্য নহয়। ২০১৯ চনত যেতিয়া নাগৰিকত্ব সংশোধনী আইন আনিলে, তাৰ পিছত বাংলাদেশী অসমত সুবিধা দিয়াৰ কথা কোৱা হয়। অসম চুক্তি, অসমৰ জাতীয়তাবাদ, অসমীয়া মানুহৰ ভাষা-সংস্কৃতিৰ ওপৰত ভাবুকি দিয়াৰ ব্যৱস্থাএই চৰকাৰৰ দিনত কৰা হ'ল। ৫৭ টা বিভাগৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কাম হোৱা বুলি কৈছে। কিন্তু এই কমিটিৰ ওপৰত

কাম হোৱা আমি দেখিবলৈ পোৱা নাই। কৃষিৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ এই চৰকাৰখনে লোৱা নাই। যি ধৰণে বাজেটত পুঁজিৰ আবণ্টন বাঢ়িব লাগিছিল, সেই আবণ্টন বঢ়া নাই। বৰঞ্চ কৃষি, স্বাস্থ্য, জলসিঞ্চনত পুঁজিৰ আবণ্টন কমিছে। কেৱল roads and education ত বাঢ়িছে আৰু ইয়াত যাতে ভাল কাম হয়, তাৰ বাবে আশা কৰিম। ঘৰুৱা উৎপাদন বৃদ্ধিৰ তথ্য আনুমানিক। কাৰণ ২০২১-২২ বৰ্ষৰ পিছত যিখিনি তথ্য দিয়া হৈছে সেইয়া আনুমানিক তথ্যৰ ওপৰত দিয়া হৈছে। বানপানী, গৰাখহনীয়াৰ ওপৰত বাজেটত কোনো আভাস নাই। ৰাজধানী বনাই আমি গুৰুত্বপূৰ্ণ স্থান কৰাতকৈ তাৰ উদ্যোগসমূহত কেনেকৈ আকৰ্ষিত কৰিব পাৰো, সেইটো বেছি গুৰুত্বপূৰ্ণ। উজনি অসমৰ অনগ্ৰসতাৰ কথা কৈছে, অ' ওন জি চি, অইল ইণ্ডিয়াৰ পৰা down stream project হ'ব পাৰে। অসম চৰকাৰৰ এনেকুৱা down stream project আছে, সেইবোৰ বলবৎ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ যোৱা দহ বছৰত যি দৃঢ়তা থাকিব লাগে, সেইটোও এটা প্ৰশ্নৰ বিষয়। আহোমৰ গৌৰৱ লাচিত বৰফুকন বা অন্যান্য সকলৰ কথা কৈছে। কিন্তু ইতিহাসক বিকৃত কৰাৰ যি প্ৰচেষ্টা কৰা হৈছে, এইটো দুৰ্ভাগ্যজনক। লাচিত বৰফুকন ডাঙৰীয়াৰ বৃহৎ প্ৰতিমূৰ্ত্তিটো ধুতিৰ নিচিনা কিবা এখন পিন্ধাই দিয়াৰ বাবে সেই সময়ত বিতৰ্কৰ সৃষ্টি হৈছে। ঠিক তেনেকৈ বাঘ হাজৰিকাৰ কথা ঐতিহাসিকভাৱে সকলোৱে জানে। উজনি অসমত তেখেতৰ অস্তিত্ব নস্যাৎ কৰিবলৈ চেষ্টা কৰা হ'ল। বৰ্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেত যেতিয়া বিত্তমন্ত্ৰী হৈ আছিল তেখেতে chinese proverb ত কথা এটা কৈছিল যে মাছ খাবলৈ নহয় ধৰিবলৈ শিকাব। দহ হাজাৰ কোটি টকা লোৱাৰ বাবে আমাৰ চৰকাৰক সমালোচনা কৰিছিল। কিন্তু এতিয়া কিমান ঋণ লোৱা হৈছে সেইটো চিন্তা কৰিবলগীয়া। লোন লোৱা হয় কিন্তু লোনটো কি কামত খৰচ কৰিব সেইটোও চোৱা হয়। বেংকে Credit Score, Cibil Score আদি চাইহে লোন দিয়ে। আমি যি ঋণ লৈ আছো সেই ঋণ খিনি উৎপাদন মূলক কামত ব্যৱহাৰ কৰিছে নে নাই, সেইটো এটা ডাঙৰ প্ৰশ্ন। কেৱল হিতাধিকাৰীৰ বাবে ঋণ ল'লে নিশ্চয় আমাৰ ভৱিষ্যতে সমস্যা হ'ব। বাজেটত লিখা আছে যে অসম SDG Goal ৰ ক্ষেত্ৰত অগ্ৰগামী, দৰিদ্ৰতাৰ হাৰ ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ আহিছে। কিন্তু যদি দৰিদ্ৰতা কমিছে, তেন্তে অৰুণোদয় বা অন্যান্য আঁচনিৰ হিতাধিকাৰী বৃদ্ধি কৰাৰ কি প্ৰয়োজন ? এই কথাটো চিন্তা কৰাৰ দৰকাৰ। মহকুমা সমূহক নিম্নগামী কৰি সমজিলা কৰা হ'ল। তাৰ ফলত মহকুমাত যিখিনি সুবিধা পোৱা হৈছিল, সেই সুবিধাসমূহ এতিয়া সমজিলাত পোৱা নাযায়। সমজিলা সমূহো সম্পূৰ্ণ হোৱা নাই আৰু এই ক্ষেত্ৰত বহু অসুবিধাও হৈছে। গামোছা বাহিৰৰ পৰা অহা বুলি মোৰ সতীৰ্থ বিধায়কে কৈছে। গামোচা উৎপাদন কৰিবলৈ আসাম গভৰ্ণমেণ্ট মাৰ্কেটিং কো-অপাৰেশ্যন, আৰ্টফেড আদি অনুষ্ঠান আছিল। এই অনুষ্ঠানসমূহ চৰকাৰী পৃষ্ঠপোষকতাৰ অভাৱত বন্ধ হৈ গ'ল। শ্ৰমিক সকলৰ মজুৰিৰ কথা সদায় কোৱা হয়। ঝুমুৰ, বিহু আদিৰ ৰেকৰ্ড কৰা হ'ল তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু চৰকাৰখনে এটা কথা ডিনাই কৰি থাকে যে চৰকাৰ আৰু শ্ৰমকিৰ মাজতহে আলোচনা হয়। কিন্তু অসম চৰকাৰে নিজে ত্ৰিপাক্ষিক বৈঠক কৰি মজুৰি কিমান হ'ব লাগে কৈছিল আৰু নিৰ্ব্বাচনী প্ৰতিশ্ৰুতিতো সেইবোৰ কথা আছিল। এই কথাবোৰো চিন্তা কৰিবলগীয়া। Center for Science and Environment এ SDG Goal ৰ ক্ষেত্ৰত শেহতীয়াকৈ অসমৰ স্থান ৩১ বুলি কৈছে। ইয়াত এশ পাঁচটা মূল সূচকৰ ভিতৰত চল্লিশটাত অসমে উন্নয়নৰ আধাও পূৰণ কৰিব পৰা নাই। শিক্ষা, ক্ষুধা, উদ্যোগ, আন্তঃগাঁথনি, উদ্ভাৱন আদিৰ ক্ষেত্ৰত অসম পিছ পৰি আছে। দৰিদ্ৰতাৰ ক্ষেত্ৰত অসমে চৈধ্য নং স্থান, ক্ষুধাৰ ক্ষেত্ৰত ২৪ নং স্থান, গুণগত শিক্ষাৰ বাবে ৩২ নং স্থান লাভ কৰিছে। অসমৰ পিছত

এই তালিকাত মাত্র তিনিখন ৰাজ্যহে আছে। যোৱা সময়ছোৱাত নিযুত মইনা বা অন্যান্য আঁচনি যাৰ নামবোৰ বেলেগ বেলেগ ক'লেও এই সকলোবোৰ বহনক্ষম ক্ষমতাৰ। বহনক্ষম ক্ষমতাৰ ক্ষেত্ৰত আমাৰ যেনেধৰণে হ'ব লাগিছিল, সেই ধৰণে হোৱা নাই। দৰিদ্ৰতা, শূন্য ক্ষুধা, গুণগত শিক্ষা, সংস্থাপন, সু-স্বাস্থ্য, অৰ্থনৈতিক বৃদ্ধি এই গোটেইকেইটা দিশতে অসমৰ অৱস্থা সোচনীয়। সামগ্ৰিকভাৱে এই পাঁচোটা ক্ষেত্ৰক একত্ৰিত কৰিলে ৫৭.২ শতাংশ লাভ কৰি অসমৰ স্থান গোটেই ভাৰতবৰ্ষৰ ভিতৰত ৩১। স্বায়ত্ব শাসিত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চিন্তা কৰিলে ৩৩ খনমান হয়। এই তালিকাৰ প্ৰথম স্থানত আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সততে সমালোচনা কৰা কেৰেলা, দ্বিতীয় স্থানত আছে তামিলনাডু আৰু তৃতীয় স্থানত আছে পাঞ্জাৱ। সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত লিংগ বৈষম্যতাৰ হ্ৰাস, শান্তি, ন্যায়, শক্তিশালী প্ৰতিষ্ঠানৰ শিতানত অসমে লাভ কৰিছে ৫৯ টা পইণ্ট। তিনিটা ক্ষেত্ৰতো অসমে লাভ কৰিছে ৩১ নম্বৰ পইণ্ট লাভ কৰাৰ বিপৰীতে প্ৰথম স্থানত আছে গোৱা। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটখনত আমি যিকেইটা বিষয় গুৰুত্ব দিব লাগিছিল সেই দিশবোৰ বাদ দি নিৰ্বাচন সন্মুখত থকা বাবে জনসাধাৰণক আকৰ্ষিত কৰিবৰ বাবে তেওঁলোকক short term কিছু আঁচনি দিব বিচৰা হৈছে। ইয়াৰ বাবে মূল লক্ষ্য, মূল আঁচনিৰ পৰা আঁতৰি অহাৰ যেন ধাৰণা হৈছে। চৰকাৰখনে যাদুকৰ বা বহুৰূপীৰ ৰূপ লৈছে। আমি সৰুতে যাদু চাইছিলো। এতিয়া মই যি কম তাকেই দেখিব লাগিব বা চাব লাগিব সেইধৰণৰ কথা কৈছে। কিন্তু এনেকুৱা ধৰণৰ বিলাকে যে আমাক বহুদিনলৈ আগবঢ়াই নিনিয়ে, সেই কথাটোও জানিব লাগিব। এতিয়া যিখিনি কথা দেখিছো তাৰ লগত পূৰ্বৰ ৰোমান সভ্যতাৰ কিছু মিল দেখিবলৈ পাইছো। ৰোমত ৬০ হাজাৰ মানুহে চাব পৰাকৈ কলছিয়াম নিৰ্মাণ কৰিছিল। পুৰণি যুগতে ইহুদীসকলক এইটো চাবলৈ আহিছিল। ইয়াত ২০-৩০ খন দুৱাৰ আছিল য'ত ৰজাই জনসাধাৰণক সন্তুষ্ট আৰু দৈনন্দিন সংগ্ৰামৰ পৰা বিচলিত কৰি ৰাখিবলৈ মনোৰঞ্জনৰ দৰে ব্যৱহাৰ কৰিছিল। ইয়াক কোৱা হৈছিল bread and circuses. ৰোমান কবি জুভেনালে ব্যৱহাৰ কৰা এটা বাক্যাংশ। এনে এটা অনুষ্ঠানৰ বাবে কেলছিয়াম আছিল প্ৰধান স্থান। ইয়াত বিভিন্ন প্ৰতিযোগিতা, জীৱ-জন্তুৰ চিকাৰ, নৌ-সেনাৰ মক যুদ্ধ অনুষ্ঠিত হৈছিল। যাৰ ফলত বিপুল জনসমাগম আকৰ্ষিত হৈছিল আৰু সাম্প্ৰদায়িক উত্তেজনা আৰু বিক্ষিপ্ততা অনভূতি লৈছিল। এই চচমাবোৰ কেৱল মনোৰঞ্জনৰ বাবেই নাছিল, সম্ৰাটসকলৰ উদাৰতা প্ৰদৰ্শন কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হৈছিল। সামাজিক স্তৰসমূহক শক্তিশালী কৰাৰ লগতে ৰোমান সকলৰ সাহস আৰু সহনশীলতাৰ মূল্যবোধক প্ৰসাৰিত কৰাৰ মাধ্যম আছিল। এনেকুৱা ধৰণৰ মনোৰঞ্জনৰ ব্যৱস্থা জমগণক মূল সমস্যাৰ পৰা আঁতৰাই ৰখাৰ ব্যৱস্থা সেইটো বুৰঞ্জীৰ পাততো পাওঁ। অসমত তেনেকুৱা নহওঁক। আমাৰ সভ্যতা ভাল হৈ থাকক আৰু বাজেটখন বাস্তৱমুখী হৈ থাকক। চেপ্তেম্বৰ মাহত নিশ্চয় supplementary আহক আৰু ভাল কামত পুঁজি ব্যৱহাৰ হওঁক তাৰ আশা ৰাখি মই মোৰ বক্তব্য সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সময় ২ঃ৩০ মিনিট হ'ল। সদন ১২-০৩-২০২৫ তাৰিখৰ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।